# ডিগবৈ মহাবিদ্যালয় আলোচনী



# ডিগবৈ মহাবিদ্যালয় আলোচনী

ষষ্ঠদশ সংখ্যা ঃ ১৯৯২–৯৩ চন ।

DIGBOI COLLEGE
Estd 1965

সম্পাদক ঃ
গণেশ বাহাদুৰ ছেত্ৰী

# ডিগবৈ মহাবিদ্যালয় আলোচনী
## ষষ্ঠদশ সংখ্যা ঃ ১৯৯২–৯৩ চন।

সম্পাদনা সমিতি ঃ

পৃষ্ঠপোষক ঃ

শ্ৰীযুত ৰফিক হুচেইন (ভাবপ্ৰাপ্ত অধ্যক্ষ)

তত্বাৱধায়ক ঃ

অধ্যাপক তৰুণ চন্দ্ৰ হাজৰিকা

সম্পাদনা সহযোগী ঃ

অধ্যাপক ড° সাধনলাল প্ৰজাপতি
অধ্যাপিকা অম্বিকা গুপ্ত
মণিদীপা বৰুৱা
বোধিসত্ব শৰ্মা
শঙ্কৰ ছেত্ৰী
পঞ্চধ্বৰ মৰাণ

সম্পাদক ঃ

গণেশ বাহাদুৰ ছেত্ৰী

বেটুপাতৰ শিল্পী ঃ

কমলা কান্ত বুঢ়াগোহাঁই

মুদ্ৰণ ঃ
দি অসম পেপাৰ ইণ্ডাষ্ট্ৰী
বৰগুৰি-৭৮৬ ১২৬ ● তিনিচুকীয়া

# সূচীপত্ৰ

সম্পাদকীয়


**প্ৰবন্ধ**

- শ্ৰীশ্ৰীশংকৰদেৱৰ ধৰ্ম-সংস্কৃতিত বিভাজন আৰু অনৈক্য ঃ সমাধানৰ উপায়/১ — **মণিদীপা বৰুৱা**
- ডাঙ্কেল প্ৰস্তাৱ আৰু ভাৰতৰ অৰ্থনৈতিক সাৰ্বভৌমত্বৰ প্ৰত্যাহ্বান/৯ — **মদন মোহন চৌধুৰী**
- ছাত্ৰ বিপ্লৱ আৰু অন্যান্য/১২ — **মনোৰঞ্জন সোনোৱাল**
- প্ৰসংগ ঃ ড্ৰাগছ, নিচাযুক্ত দ্ৰব্য আদি/১৬ — **অনন্ত কুমাৰ দত্ত**
- ভাৰতীয় ভাষাৰ ভিতৰত নেপালী ভাষা/২৪ —**দেৱীচৰণ ছেত্ৰী**
- জ্যোতিপ্ৰসাদৰ লভিতাত নাৰী চৰিত্ৰ/২৮ — **সংগীতা বৰুৱা**

**গল্প ঃ—**

- মাজনিশাৰ সাক্ষাৎকাৰ/৩১ — **প্ৰফুল্ল কুমাৰ দাস**
- হেৰোৱা দিগন্তৰ মায়া/৩৫ — **গোলাপ বৰুৱা**
- এটা আগ্নেয়গিৰিৰ দৰে/৩৮ — **মুকুট ফুকন**
- ধূপ/৪১ — **কৈলাশ গৌতম**
- প্ৰতিদ্বন্দী/৪৪ — **মঞ্জুলা দাস**
- দিবা স্বপ্ন/৪৭ — **গণেশ বাহাদুৰ ছেত্ৰী**

**কবিতা ঃ-**

- এমুঠি মান শান্তি বিচাৰি (কথা কবিতা)/৪৯ — **প্ৰণৱজ্যোতি গায়ন**
- শান্তিৰ প্ৰতীক্ষাৰে/৫১ — **উৎপল গগৈ**
- সায়াহ্ন প্ৰেম/৫২ — **মহেন্দ্ৰ বেওঁগ**
- উপলব্ধি/৫২ — **ৰশ্মি বুঢ়াগোহাঁই**
- সিহঁত মোৰ চিনাকী/৫৩ — **মঞ্জু আৰা বেগম**
- মোৰ স্মৃতি/৫৩ — **গণেশ বাহাদুৰ ছেত্ৰী**

# সম্পাদকীয়

## সাহিত্য কি ?

ভাষা ভাৱৰ বাহন। যি যিমান উন্নত তেওঁৰ বাহনো সেই অনুপাতে উন্নত। সুন্দৰ আত্মাই সুশ্ৰী শৰীৰক আশ্ৰয় কৰাৰ দৰে মনৰ অপূৰ্ব ভাবৰ লগত ঘটা অনুপম ভাষাৰ পৰিণয় সূত্ৰই সাহিত্য বুলি কব পাৰি।

"ৰসাত্মকং বাক্যং কাব্যং" অৰ্থাৎ ৰসাত্মক বাক্যই কাব্য বা আন কথাত ৰসেই কাব্যৰ বা সাহিত্যৰ আত্মা। মানুহৰ মনৰ ভিন-ভিন অৱস্থাৰ ভাৱাবেগবোৰে সাহিত্যৰ মাজেদি যেতিয়া গতিশীল অৱস্থা লাভ কৰে তাৰ যোগেদি সমাজ, জাতি, ব্যক্তি আৰু হৃদয়ৰ প্ৰতিচ্ছবি দাঙি ধৰা হয়। এজন সাহিত্যিকে প্ৰেৰণা লাভ কৰে ব্যক্তি, সমাজ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজেৰে। সাহিত্য মানুহৰ আত্মা স্বৰূপ।

সাহিত্য মানুহৰ কাৰণে মানুহেই লিখে। গতিকে ইয়াত মানৰ সম্পৰ্ক অধিক হোৱা স্বাভাবিক। ই অনিৰ্বচনীয় আনন্দৰ মাজেৰে জ্ঞানবো ভৰাঁল বান্ধে। ই এফালে দুঃসহ জীৱনক যেনেকৈ সহনীয় কৰে, আনফালে তেনেকৈ মঙ্গলময় আৰু সুন্দৰৰ সন্ধান দিয়ে। পৃথিৱীৰ সাহিত্যৰ বুৰঞ্জী বিশ্লেষণ কৰি চালে সততে আমি সাহিত্যৰ দুটা ৰূপ পাওঁ এটি মৌখিক আনটো লিখিত ৰূপ। সভ্যতাৰ আদিম অৱস্থাৰ পৰাই মানুহে স্বকীয় চিন্তা ধাৰাক নানা ৰূপ প্ৰদান কৰি আহিছে। কাপৰ পৰা নিৰ্গত হৈছে মানুহৰ কামনা-বাসনা, আশা-আকাংক্ষা, হাঁহি কান্দোনৰ ভাগ আনক বিলাবলৈ এটি হেপাঁহ আছে; ইয়াৰ ফলতেই সাহিত্যৰ আৰু অইন কলাৰ সৃষ্টি। আমাৰ প্ৰাচীন ঐতিহ্য আৰু পৰম্পৰা বহন কৰি অহা পুৰণি পুথিৰ পুনৰুদ্ধাৰৰ কাৰণে ছাত্ৰ-ছাত্ৰী আৰু বুদ্ধিজীৱীসকলে মনোনিবেশ কৰা উচিত। কাৰণ এটা জাতিৰ বুনিয়াদ এই পুথিবিলাকৰ মাজতেই নিহিত হৈ আছে।

## মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম-কাজ

(১) চাইকেলষ্টেন্দঃ- ৰূপালী জয়ন্তী অতিক্ৰম কৰা আমাৰ মহাবিদ্যালয়ত এখন উপযুক্ত চাইকেল ষ্টেন্দ হৈ নুঠাটো অতি পৰিতাপৰ বিষয়। উল্লেখযোগ্য যে যোৱা ১৯৮৯-৯০ চনৰ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ দিনতেই এটা চাইকেলষ্টেন্দ নিৰ্ম্মাণৰ কাম আৰম্ভ হৈছিল, যদিও বিভিন্ন ধৰণৰ খেলি-মেলিৰ কাৰণে আজিলৈকে উক্ত চাইকেলষ্টেন্দটো সম্পূৰ্ণ হৈ উঠিব পৰা নাই। আমাৰ ছাত্ৰসন্থাই চাইকেলষ্টেন্দটো পুনৰ নিৰ্ম্মাণৰ কাৰণে কলেজ কৰ্তৃপক্ষ আৰু আৰ্থিক ভাবে সাহায্য আগবঢ়োৱা স্থানীয় ব্যৱসায়ী শ্ৰীযুত জয় প্ৰকাশ সিংদেৱৰ লগত কেইবাবাৰো উক্ত বিষয়লৈ আলোচনা কৰিছিল, যদিও পুনৰ নিৰ্ম্মাণৰ কাম এতিয়াও আৰম্ভ কৰা হোৱা নাই।

(২) **খেল পথাৰঃ–** এসময়ত সমগ্ৰ অসমতে খেলা-ধূলাত সুনাম আৰ্জন কৰিব পৰা আমাৰ মহাবিদ্যালয় বৰ্তমান আগৰ স্থিতিত নথকাটো চিন্তনীয় বিষয়। ইয়াৰ কাৰণ সমূহ বিশ্লেষণ কৰিলে আমাৰ চকুত সততে আহি পৰে এখন উপযুক্ত খেল পথাৰৰ অভাৱ। আমাৰ কাৰ্যকালৰ আৰম্ভণিতেই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আমাক খেলপথাৰ এখন সম্পূৰ্ণ পুৰ্ণাঙ্গ ৰূপত দিব পাৰিম বুলি আশ্বাস দিছিল যদিও কাৰ্যকালৰ শেষৰ পৰ্যন্ত কাম হাতত লোৱা চকুত নপৰিল। আশা কৰো আগন্তুক ছাত্ৰ-একতা সভাই উপযুক্ত খেল-পথাৰ এখন ছাত্ৰ ছাত্ৰীক উপহাৰ দিব পাৰিব।

(৩) **ছাত্ৰ-ছাত্ৰী অবসৰ বিনোদনৰ কেন্টিন**

১৯৬৫ চনতেই স্থাপিত হোৱা ডিগবৈ মহাবিদ্যালয়ত আজিলৈকে ছাত্ৰ-ছাত্ৰীৰ অৱসৰ বিনোদৰ কাৰণে এখন কেন্টিন নোহোৱাটো অতি দুখৰ বিষয়। সু-খবৰ যে আমাৰ ছাত্ৰ-একতা সভাৰ দিনতেই মহাবিদ্যালয়ত কেন্টিন নিৰ্ম্মাণৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা দুই লাখ টকীয়া অনুদান পোৱা হয় যদিও কাৰ্য্যকালৰ শেষ পৰ্য্যন্ত উক্ত কেন্টিনখনৰ নিৰ্ম্মাণৰ কাম আৰম্ভ নোহোৱাটো আশ্চৰ্য্যৰ কথা। আশা কৰো অতিশীঘ্ৰেই কলেজ কৰ্তৃপক্ষই কেন্টিনখনৰ নিৰ্ম্মাণৰ কাম হাতত লব আৰু ইয়াৰ পৰবৰ্ত্তী ছাত্ৰ একতা সভাৰ দিনত কেন্টিনখনত ছাত্ৰ-ছাত্ৰীসকলে অৱসৰ বিনোদৰ সুবিধা পাব।

**অসম কলেজ শিক্ষক সংস্থাৰ ৪২ তম বাৰ্ষিক সন্মিলন**

ভাৰতবৰ্ষৰে প্ৰাচীনতম তৈলনগৰী ডিগবৈত অৱস্থিত আমাৰ মহাবিদ্যালয়ত 'অসম কলেজ শিক্ষকসংস্থা'ৰ ৪২ তম বাৰ্ষিক সন্মিলন তিনিদিনিয়াকৈ গাম্ভীৰ্য্যপূৰ্ণ কাৰ্য্যসূচীৰে আমাৰ কাৰ্য্যকালৰ ভিতৰতে অনুষ্ঠিত হৈ যায়। সন্মিলনৰ সামৰণিৰ দিনা মুকলি অধিবেশনত মুখ্য অতিথি হিচাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী দেৱক আমন্ত্ৰণ কৰি অনা হয়, লগতে অসমৰ দুয়োখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ উপস্থিতিয়ে অধিবেশনখন আৰু শুৱনি কৰি তুলিছিল। অৱশ্যে এইটো স্বীকাৰ কৰিবই লাগিব যে এই তিনিদিনীয়া সন্মিলন সুকলমে অনুষ্ঠিত কৰাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থা অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ নিস্বাৰ্থ সেৱা আৰু সহযোগিতা উল্লেখযোগ্য। তেখেত সকলৰ ত্যাগৰ অবিহনে এই বিশাল সন্মিলন খনি কেতিয়াও সুচাৰুৰূপে অনুষ্ঠিত হব নোৱাৰিলেহেঁতেন।

**বৰ্তমান শিক্ষা জগতত ডিগবৈ মহাবিদ্যালয়ৰ ভূমিকাঃ–**

অসমৰ পূবপ্ৰান্তৰ একমাত্ৰ মহাবিদ্যালয় হিচাবে ডিগবৈ মহাবিদ্যালয়ৰ এক বিশেষ স্থান আছে, যদিও বৰ্তমান শিক্ষা জগতত ডিগবৈ মহাবিদ্যালয়ে সন্তোষজনক ভাবে অৰিহণা যোগাব পৰা নাই। যোৱা ৫/৬ বছৰ আগতে ডিগবৈ মহাবিদ্যালয়ে অসমৰ শিক্ষা জগতত যি সুনাম আৰ্জন কৰিব পাৰিছিল সেই সুনাম দিনকদিনে নাইকীয়া হৈ আহিছে। ইয়াৰ কাৰণসমূহ আমাৰ বুদ্ধিজীৱীসকলে মুকলি ভাবে বিশ্লেষণ কৰাৰ দিন আহি পৰিছে। ইয়াৰ উপৰিও ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু ডিগবৈবাসী ৰাইজে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ পুনৰ ঘূৰাই আনিবলৈ এক সবল পদক্ষেপ হাতত লব লাগে। অন্যথাই আমাৰ মহাবিদ্যালয়ৰ সুনাম আৰু ঐতিহ্যময় পৰম্পৰা নিস্প্ৰভ হৈ যাব বুলি শংকা হয়।

**আলোচনী সম্পৰ্কে**

ষষ্ঠদশ সংখ্যাটিৰ সম্পদকৰ দায়িত্ব লৈ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ

কৰাৰ বাবে চেষ্টা কৰিছিলো, ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বহুপৰিমাণে লেখনি পাইছিলো যদিও উপযুক্ত লেখনিৰ অভাৱ বাৰুকৈয়ে উপলব্ধি কৰিছো। দুই এজনৰ লেখনিত সম্ভাৱনীয়তা নথকা নহয়। তেওঁলোকে চেষ্টা কৰি থাকিলে সময়ত উপযুক্ত সুস্থ সাহিত্য সৃষ্টি কৰিব পাৰিব ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাঠ্য পুথিতেই সীমাবদ্ধ হৈ নাথাকি তেওঁলোকে সাহিত্য, দেশ আৰু বিশ্বৰ বিষয়েও চিন্তা চৰ্চ্চা কৰিব লাগে, যাতে আমাৰ অন্তৰ জগত জ্ঞানেৰে আলোকিত হৈ পৰে। আমাৰ মহাবিদ্যালয়ৰ আলোচনী উচ্চমানত প্ৰকাশ কৰিবলে আমিয়েই চেষ্টা কৰিব লাগিব। এখন আলোচনী প্ৰকাশৰ বাবে যি পৰিমাণৰ পুঁজিৰ আৱশ্যক সেই অনুপাতে ডিগবৈ মহাবিদ্যালয়ৰ ষষ্ঠদশ সংখ্যাৰ পুঁজি তেনেই নগণ্য আছিল। সেয়েহে পুঁজি সংগ্ৰহৰ কাৰণে ডিগবৈ ভাৰতীয় তেল নিগম (অসম শাখা)ৰ পৰা বিজ্ঞাপন লোৱা হয়। এই বিজ্ঞাপন সম্পাদনা সমিতি আৰু ছাত্ৰ সন্থাৰ অনুমোদন সপেক্ষে সংগ্ৰহ কৰা হয়। আলোচনীখন সৰ্বাংগ সুন্দৰকৈ প্ৰকাশ কৰাত বিশেষ ভাবে সহায় আগবঢ়োৱা বিজ্ঞাপন দাতা অসম সংমণ্ডল (I. O. C.) আৰু ছাত্ৰ সন্থালৈ আমাৰ ফালৰ পৰা কৃতজ্ঞতা জনাইছো।

**কৃতজ্ঞতা স্বীকাৰ**

ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। ষষ্ঠদশ সংখ্যাৰ আলোচনী খনিৰ গুৰু দায়িত্ব ভাৰ বহন কৰিবলৈ সুবিধা দিয়াৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত বুদ্ধি পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত আলোচনী পৃষ্ঠপোষক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ৰফিক হুচেইন চাৰ আৰু আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত তৰুন চন্দ্ৰ হাজৰিকা চাৰলৈ আ ৰিক কৃতজ্ঞতা জনাইছো।

আলোচনীৰ বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা আলোচনীৰ সম্পদনাত সহযোগিতা আগবঢ়োৱা ডঃ সাধনলাল প্ৰজাপতি অধ্যাপিকা শ্ৰীমতী অম্বিকা গুপ্ত, শ্ৰীমতী মণিদীপা বৰুৱা, শ্ৰীবোধিসত্ত্ব শৰ্মা, শ্ৰীশঙ্কৰ ছেত্ৰী আৰু শ্ৰীপঞ্চধৰ মৰাণক ধন্যবাদ জ্ঞাপন কৰিছো। বিভিন্ন দিশত সহায়-সহযোগ কৰি প্ৰেৰণা দিয়া অধ্যাপক পূৰ্ণানন্দ শইকীয়া, মনেশ্বৰ বৰ্মন, সমৰেন্দ্ৰ ভাগৱতী, মোহিনী কুমাৰ বৰদলৈ, দেৱীচৰণ চেড়াই অধ্যাপিকা আকেলা খানম আৰু অনু বৰগোহাঁইলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এই আলোচনীখনৰ বেটুপাতৰ শিল্পী কমলা কান্ত বুঢ়াগোহাঁইলৈও উত্তৰোত্তৰ কৃতকাৰ্যতা কামনা কৰি আন্তৰিক ধন্যবাদ জনাইছোঁ।

আলোচনীৰ বিভিন্ন দিশত সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধবী ক্ৰমে হৰি, দ্বীজেন, অনন্ত, গনেশ, বৈদ্যনাথ, দীপ্তি, বিষ্ণু, অজয়, নিবাস, অমৃত, ৰাম আৰু বিনীতাক আন্তৰিক ধন্যবাদ যাচিছোঁ। লগতে আলোচনীৰ বিভিন্ন দিশত পৰামৰ্শ প্ৰদান কৰা কৃতীশিক্ষক শ্ৰীযুত উপেন বৰঠাকুৰ দেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত আলোচনীখনি সময়মতে ছপাশালৰ পৰা উলিয়াই দিয়াত "দি অসম পেপাৰ ইণ্ডাষ্ট্ৰী"ৰ স্বত্তাধিকাৰ শ্ৰীযুত হেম গগৈ দেৱলৈ আৰু ছপাশালৰ কৰ্মচাৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। অজানিতে হৈ যোৱা ভুলত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

ডিগবৈ
৩০।১২।৯৩

**গনেশ বাহাদুৰ ছেত্ৰী**
সম্পাদক

## শ্ৰীশ্ৰীশংকৰদেৱৰ ধৰ্ম—সংস্কৃতিত বিভাজন আৰু অনৈক্য ঃ
# সমাধানৰ উপায়

মনিদীপা বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

"আমাৰ বৰ্তমান যুগটো বহুত দিশৰ পৰাই অধইচ যুগ, আমাৰ জনসাধাৰণৰ মাজত শংকৰী কৃষ্টিৰ অমৃতোপম প্ৰভাৱ শুকাই আহিছে । এনেদিন আহিব যেতিয়া তাক পুৰণি ৰূপত পুৰণি সাঁচত ৰক্ষা কৰা টান হব । শংকৰী কৃষ্টিৰ নামত যিবোৰ ভণ্ডামি চলিছে তাৰ পৰা অনুমান হয় যে শংকৰী কৃষ্টিৰ বান্ধোন ক্ৰমে শিথিল হৈ আহিছে । আমাৰ শিক্ষিত সম্প্ৰদায়ৰ মাজতো দেখা যায় যে ব্যক্তিগত প্ৰতিষ্ঠা সন্ধানৰ বাবে আমি যেনে লালায়িত, মহৎ আদৰ্শৰ বাবে জনসাধাৰণৰ কল্যাণৰ বাবে তেনে অনুপ্ৰাণিত নহওঁ । সেয়ে বেজবৰুৱাৰ শংকৰদেৱ জ্যোতিপ্ৰসাদৰ শংকৰদেৱৰ তাৎপৰ্য্য এতিয়াও আমাৰ বাবে গুৰুত্বপূৰ্ণ "—

[সমাজ আৰু সমালোচনা—ড° হীৰেণ গোহাঁই]

মানৱতাবোধৰ বিকাশেই হ'ল ধৰ্মৰ মূল লক্ষ্য । সংস্কৃতি মাথোঁ তাৰ উপায় । কালৰ সোঁতত এই ধৰ্মৰেই বিশ্বাসৰ পৰিৱৰ্তন ঘটে ; ৰীতি-নীতি আৰু আচৰণ-বিধি সলনি হয় । সমাজে কালৰ গতিৰ লগত খাপ খুৱাবলৈ নতুন আচৰণ-বিধি প্ৰৱৰ্তন কৰে অথবা পুৰণিকেই — প্ৰয়োজনানুসাৰে সংস্কাৰসাধন কৰি লয় । অৰ্থাৎ ধৰ্মৰ সাধনা কেৱল অতীতৰ অনুকৰণত সীমাৱদ্ধ নহয় । ৰাজনৈতিক আদৰ্শ কলাৰ মাজেদি প্ৰবাহিত হৈ যুগে যুগে নতুন সংস্কৃতি হ'ব পাৰে । যুগপৰিৱৰ্তনৰ লগত জড়িত যুগধৰ্মৰ পৰিৱৰ্তনৰ সিদ্ধান্তটো এটা সাৰ্বজনীন সিদ্ধান্ত ।

**"............... the great man is an outstanding individual who is at once the product and agent of the historical process, at once the representative and the creator of the social forces which change the shape of the world and thoughts of men."** — মহাপুৰুষ আৰু মানৱীয় সমাজৰ এনে সম্পৰ্ক ব্যক্ত কৰিছে বুৰঞ্জীবিদ ই, এইচ, কাৰে। অৱশ্যে শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়ত তেওঁক দৈৱিক শক্তিৰ দূত বুলিহে ভাবিছিল । কুৰি শতিকাৰ আগভাগলৈকে শংকৰদেৱ অৱতাৰী পুৰুষেই আছিল । সেই অনগ্ৰসৰ যুগত শংকৰ আবিৰ্ভাৱৰ ক্ষেত্ৰত আৰ্থ-সামাজিক শক্তিৰ গুৰুত্ব অলৌকিকতাক প্ৰশ্ৰয় দিয়া অসমীয়াই বুজা নাছিল । লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত "শংকৰ আলোচনা"ৰ যোগেদিহে শংকৰদেৱ সমাজজাতত হ'ল । অসমীয়া মানুহে বুজি পালে যে শংকৰ বা শংকৰী আদৰ্শ সমসাময়িক সমাজৰ পাথিৱ বান্ধোনৰ পৰা মুক্ত নহয় । অদ্বৈতবাদাশ্ৰয়ী "এক শৰণ নাম ধৰ্ম"ই হ'ল অসমীয়া সমাজলৈ শংকৰদেৱৰ অনুপম

অৱদান। যি সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জাতি-উপজাতি একত্ৰীকৰণ কৰিবলৈ কোনো উল্লেখনীয় প্ৰচেষ্টা লোৱা নাছিল, যি সময়ত বৈদিক ধৰ্মৰ জটিল ক্ৰিয়াকাণ্ড আৰু তান্ত্ৰিক ধৰ্মৰ বামাচাৰ আচাৰ অনুষ্ঠানে সমাজক অন্ধকাৰৰ পথলৈ ঠেলি লৈ গৈছিল — সেই নৈতিক অধঃপতনৰ সময়তে সমাজখনলৈ শংকৰদেৱে আনিছিল এক নতুন মতাদৰ্শ ; বিভিন্ন দেৱ-দেৱী আৰু জটিল পূজা-উপাসনাৰ ঠাইত এক ঈশ্বৰৰ ভক্তি ভাৱৰ সহজ-সৰল নাম ধৰ্ম । শংকৰদেৱে কপিলী মুখত মাটিৰে খোল তৈয়াৰ কৰিছিল, বৈকুণ্ঠ লীলা নাট ভাওনা দেখুৱাইছিল। অসমীয়াৰ গীত-বাদ্য, নৃত্য, সাহিত্য, দৌলযাত্ৰা, হাটী, ধন, পুঁজি, সমাজ, ধৰ্ম, বিচাৰ-নীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য, সমাধি সকলো শংকৰদেৱে অসমীয়াক দি গৈছে। নগাঁৱৰ বটদ্ৰৱাত শিলিখা গছৰ তলত বহি অমূল্যৰত্ন কীৰ্তন পুথিও ৰচিছিল একেজন শংকৰদেৱেই।

দুখৰ বিষয়। প্ৰাচুৰ্য্যপূৰ্ণ অসমত আজি বিস্তাৰ কৰিছে দীনতাই। পাণ্ডৱৰ জ্যেষ্ঠ যুধিষ্ঠিৰে কৈছিল, "দুটা বা ততোধিক কৰ্মৰ মাজত কোনটো ভাল, বেয়া, কোনটো গ্ৰহন কৰা উচিত, কোনটো অনুচিত, কোনটো সত্য, কোনটো অসত্য তাক থিৰাং কৰিব নোৱাৰাটোৱেই হৈছে ধৰ্ম-সংকট" । জ্যোতিপ্ৰসাদ আগৰৱালাই আক্ষেপেৰে কৈছিল, "আমাৰ মহাপুৰুষীয়া সংস্কৃতি যাক আমি অসমীয়াইও ৰূপান্তৰিত কৰিব খুজিছো"। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ধৰ্মৰ নামত যিখিনি কৰিছিল, সমাজত সিবোৰৰ শুদ্ধভাৱে প্ৰয়োগ নোহোৱাতেই অসমত আৰম্ভ হৈছে ধৰ্মৰ ভয়ংকৰ পৰিণতি।

মহাপুৰুষ শ্ৰীশংকৰদেৱৰ পিছত অসমৰ বৈষ্ণৱ সম্প্ৰদায়টি চতুৰ্ধা বিভক্ত হৈ পৰিল যদিও ধৰ্মীয় কথাত সেই বিলাকৰ মাজত বৰ বেছি পাৰ্থক্য পৰিলক্ষিত নহয়; মাথো ৰীতি-নীতি আৰু বাহ্যিক কেতবোৰ আচাৰ-অনুষ্ঠানৰ সামান্য ইফাল-সিফালতহে সিবিলাকৰ মাজত পাৰ্থক্য লক্ষ্য কৰা যায় । আলোচক সকলে কেইবা ঠাইতো উনুকিয়াইছে যে এই সংহতি বা সংঘটি বিভাজন কৃত্ৰিম আৰু ই ভেদভাৱৰ পৰাই ওপজা ।

শংকৰদেৱৰ অব্যৱহিত পৰৱৰ্তী কালতে বৈষ্ণৱ সকলৰ মাজত প্ৰথম মতানৈক্য ঘটে। গুৰুজনাৰ সহযোগী শিষ্য দামোদৰ বিপ্ৰই মাধৱদেৱে আয়োজন কৰা মহাপুৰুষৰ তিথি-উছৱত যোগদান কৰিবলৈ অনিচ্ছুক হোৱাৰ পৰাই এই বিভাজনৰ সূত্ৰপাত হোৱা বুলি ক'ব পাৰি ।

মহাপুৰুষৰ পিছত ধৰ্মাচাৰ্য্য বাব পোৱাৰ লগতে উত্তৰাধিকাৰীও হ'বৰ আশা বহুতেই হয়তো কৰিছিল। কিন্তু শংকৰদেৱে নিজৰ জ্যেষ্ঠ পুত্ৰ ৰামানন্দ ঠাকুৰক অথবা ব্ৰাহ্মণ বুলি দামোদৰ বিপ্ৰক সেই ভাৰ নিদি যোগ্যজন বিচাৰ কৰি মাধৱদেৱক "শক্তি, ভক্তি, বল-পৰাক্ৰম" সমন্বিতে উত্তৰাধিকাৰী পাতি থৈ যোৱা তাৎপৰ্য্যপূৰ্ণ কাৰ্য্যই কোনো কোনো চাম লোকৰ মনত অসন্তুষ্টিৰো সৃষ্টি নকৰাকৈ থকা নাছিল । এনে মনোভাৱেৰে দামোদৰ বিপ্ৰ আৰু তেওঁৰ সহযোগী সকলে মূল সম্প্ৰদায়ৰ পৰা ফালৰি কাটি নিজে এটি বেলেগ গোট বুলি ঘোষণা কৰিলে । সেই কালত নতুনকৈ সৃষ্টি হোৱা এই গোটটোৰ নাম হয় "দামোদৰী" বা "দামোদৰীয়া" । শংকৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ মাৰ্গত দামোদৰ দেৱে অন্য কেতবোৰ কথা অনুভুক্ত কৰে আৰু সেয়েহে মূল সম্প্ৰদায়টিৰ লগত পাৰ্থক্য দেখুৱাবৰ যত্ন কৰা হয় ।

পিছলৈ আন এজন ব্ৰাহ্মণ হৰিদেৱে দামোদৰৰ লগত সহযোগিতা কৰি নৱ গঠিত গোটটি আৰু সৱল কৰি তোলে। এই দুয়োটি পন্থা এটি হৈ পিছৰ যুগত সেয়ে ব্ৰহ্ম সংহতি নাম পায়। ধৰ্ম সম্পৰ্কীয় আচাৰ ৰীতিৰ ক্ষেত্ৰত

কিবা কথাত লাগি মাধৱদেৱে আঁতৰাই থোৱা কেইগৰাকীমান লোকক দামোদৰ বিপ্ৰই সামৰে । এনেদৰে তেওঁ মাধৱদেৱৰ লগত কোনো সম্পৰ্ক ৰখাৰ প্ৰয়োজন বোধ নকৰি "স্বকি মতে" প্ৰৱৰ্তিবলৈ ধৰিলে । প্ৰথম বিভেদৰ বীজ এনেদৰেই ৰোপিত হ'ল ।

আহোম ৰাজশক্তিৰ আমোলত সংহতিৰ ব্ৰাহ্মণ অধিষ্ঠিত সত্ৰ কেইখনিমানে শ্ৰুতি-স্মৃতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলে । ৰজাৰ প্ৰিয়ভাজন হ'বলৈ যত্নপৰ হ'ল । মহাপুৰুষীয়া চাৰি সত্ৰৰ আৰ্হিৰে বামুণীয়া চাৰিসত্ৰৰ সৃষ্টি কৰিবলৈ আৰু সেইমতে আচ্যৰন্তৰ গৌৰৱ ঘোষণা কৰিবলৈ সমৰ্থ হ'ল । আধ্যাত্মিক উৎকৰ্ষ সাধনতকৈ ধনধান, ঐশ্বৰ্য্যৰ বলেৰেহে সত্ৰৰ শ্ৰেষ্ঠত্ব বিচাৰৰ উপক্ৰম ঘটিল । সেই সময়েত বঙলুৱা বাজনা আৰু যাত্ৰাৰ আৰ্হি, সংকীৰ্তনৰ ঢং আৰু অবৈষ্ণৱ নৃত্য-গীতৰ প্ৰভাৱ সেই থ'লৰ সত্ৰ কেইখনিমানত সোমাই বৈষ্ণৱ সংস্কৃতিক এক নোহোৱা-নোপজা ৰূপ দি বিপাঙত পেলালে । আহোম ৰজা আৰু ৰাজন্যবৰ্গৰ পৃষ্ঠপোষকতাত দামোদৰ বিপ্ৰৰ লগত যোগ হৈ সৃষ্টি হোৱা ভাগটিৰ লগতে বংশীগোপাল দেৱৰ পৰা বঢ়া সত্ৰ দুখনিমানো এক হৈ শাক্ত প্ৰভাৱ গ্ৰহণ কৰে আৰু লগতে ৰজা-ঘৰীয়া আদৱ-কায়দা লৈ ভিন ভিন সময়ত অনেক প্ৰকাৰে ৰজা-ঘৰীয়া উছাহ—অনুদান আদি লাভ কৰিবলৈ সমৰ্থ হয় । ব্ৰহ্ম সংহতিৰ এই চাৰিখনি সত্ৰ-আউনিআটী, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী ।

মাধৱদেৱৰ মহাপ্ৰয়াণৰ পিছত ধৰ্মৰ উত্তৰাধিকাৰী বৈষ্ণৱ ভক্তসকলৰ মাজত প্ৰশ্নৰ উপস্থাপন হয় । শ্ৰীশংকৰৰ দুই নাতি পুৰুষোত্তম আৰু চতুৰ্ভূজ ঠাকুৰকে ধৰি মথুৰা দাস, গোপাল আতা আদি উপযুক্ত কেইবা গৰাকীও লোকক মাধৱদেৱে ধৰ্মাচাৰ্য্য পাতি থৈ যায় । মাধৱদেৱে পুৰুষোত্তম ঠাকুৰক উত্তৰাধিকাৰী পতাৰ কথা চৰিত পুথিসমূহত পোৱা যায় । গুৰুৰ নাতি দুই ঠাকুৰৰ সময়তেই যে মতভেদ পুনৰ প্ৰবল হৈ বৈষ্ণৱ সম্প্ৰদায়টিৰ মাজত দুনাই বিভাজন হ'বৰ উপক্ৰম ঘটিছিল সেই কথা উক্ত দুই ঠাকুৰৰ সমসাময়িক কেইবাগৰাকী চৰিতকাৰে উল্লেখ কৰি গৈছে । পুৰুষোত্তমে ভায়েক চতুৰ্ভূজক সেই ভাৰ দি বৈকুণ্ঠী হয় । দুইজনা ঠাকুৰৰ নেতৃত্বত সেই কালত বৈষ্ণৱ ধৰ্মৰ সুঁতিটো ব্যাপক ৰূপত প্ৰবাহিত হ'বলৈ ধৰে আৰু মাধৱদেৱৰ পিছত সৰহচাম লোকে ধৰ্মৰ ক্ষেত্ৰত উক্ত দুজনা ঠাকুৰৰ নেতৃত্ব মানি লয় । পিতামহৰ দিনৰে পৰা থকা প্ৰাচীন সা-সম্পদৰ লগতে সকলো ধৰ্মীয় কথা আৰু আচাৰ-অনুষ্ঠান, ৰীতি-নীতি আদি অবিকৃত আৰু অপৰিৱৰ্তিত ৰূপত সিবিলাকেই ৰক্ষা কৰা বুলি ভবা হয় ।

শ্ৰীশংকৰদেৱে কোৱা "নাতিতেসে আশ" কথাষাৰিৰ ওপৰত ভিত্তি কৰি শংকৰদেৱৰ জীয়ৰী-নাতিৰ ফালৰ পৰা বঢ়া "প্ৰভুৰ জীউধৰা ভাল" মহাপুৰুষীয়া চাৰি সত্ৰ-নৰোৱা, কোৱামৰা, দীঘলী আৰু চামুগুৰি সত্ৰ । পুৰুষানুক্ৰমে অহা বুলি ধৰা এই থ'লটিৰ নাম পুৰুষ সংহতি ।

পুৰুষোত্তম আৰু চতুৰ্ভূজ দুয়োজনাই বাৰজনকৈ ধৰ্মাচাৰ্য্য পাতি ধৰ্ম সংস্কৃতিৰ প্ৰচাৰৰ বাবে বিভিন্ন ঠাইলৈ পঠিওৱা কাৰ্য্যই এই সংহতিৰ সত্ৰৰ সংখ্যাধিক্যৰ কাৰণ হয় । সেই অনুক্ৰমে দামোদৰ আতাক যেতিয়া চতুৰ্ভূজ ঠাকুৰে পোষ্যপুত্ৰ গ্ৰহণ কৰি "ধৰ্ম সত্ৰভাগৱত সহিতে আমাৰ, আজি ধৰি দামোদৰ জানা অধিকাৰ" বুলি সমস্ত অৰ্পি বৈকুণ্ঠী হয় । তেতিয়া আতা দামোদৰেও পূৰ্বৰ মতে আৰু কেইগৰাকী মানলোকক ধৰ্মাচাৰ্য্য পাতে । এই সকলোবোৰে ঠাল-ঠেঙুলি বৃদ্ধি হৈ অনেক সত্ৰ হয় ।

মথুৰা দাস বুঢ়া আতা আৰু গোপাল মিশ্ৰৰ লগত চতুৰ্ভূজ ঠাকুৰৰ মনোমালিন্য

হোৱাৰ পৰাই মথুৰা দাসৰ সহযোগীসকল ফালৰি কাটি যায় আৰু পিছত নিকা বা নিষ্ঠা সংহতিৰ সৃষ্টি হয়। ইসকলৰ লগত কমলাবাৰীত বদলা পদ্মআতা আৰু ৰামচৰণ ঠাকুৰৰ বংশৰ পৰা বঢ়া ডুই এখনি সত্রও যোগ হয়। নিকা সংহতিৰ ঘাই সত্র বৰপেটা, মধুপুৰ আৰু কমলাবাৰী।

পিছলৈ গোপাল আতাৰ লগত গুৰু নাতি দুজনাৰ কিবা কাৰণত মনোমালিন্য হয়। গোপাল আতাৰ সঙ্গৰ ভকতে গোপালক "মহাপুৰুষ" বোলা কথাত গুৰু নাতি দুজন অসন্তুষ্ট হয় আৰু পূৰ্বে কিবা কথাত মাধৱদেৱেও গোপালক এৰা বুলি কয়। গোপাল আতাৰ লগত পিছলৈ হেঙুলিয়া যদুমনি লগ লাগে। অনিৰুদ্ধদেৱৰ পৰা বঢ়া সত্ৰসমূহো ইয়াৰ লগতে এক হৈ বেলেগ পন্থাৰ দৰে হয়। গোপাল আতাৰ মূল সত্র কালজাৰৰ নামেৰে এই সংহতিৰ নাম হয় 'কাল-সংহতি।

এনেদৰেই বিভিন্ন সময়ত সত্ৰৰ সংহতি বিভাজন হৈ সিবিলাকৰ বিস্তাৰ হ'বলৈ ধৰিলে।

পৰ্য্যবেক্ষকৰ হিচাপত ১৭৬১ চন মানৰ পৰাই মহাপুৰুষীয়া ধৰ্মৰ বিশুদ্ধ পৰম্পৰা সুৰক্ষিত হৈ থকাটো অসন্তৱ হৈ আহিছে। এই ক্ষেত্ৰত পোন প্ৰথমতে অৰিহনা যোগালে মোৱামৰীয়া বিদ্রোহ, গৌৰীসিংহৰ শাসন কালত হোৱা আকাল আৰু মানৰ আক্ৰমণে। তাৰো আগতে জয়ধ্বজ সিংহই (১৬৪৮—১৬৬৩) প্ৰথম নিৰঞ্জন বাপুত শৰণ লৈ তেওঁক আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ পাতিলে। কোচবিহাৰৰ পৰা বনমালী গোঁসাইক আনি জখলাবন্ধা সত্র পাতি গোঁসাই পাতিছিল। পিছে কি হ'ব ? প্রতিক্রিয়াশীল আৰু আধ্যাত্মিক শক্তিশূন্য জয়ধ্বজ সিংহই বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি ৰাজ্যত জনসাধাৰণৰ সাংস্কৃতিক জীৱন গঢ় দিব নোৱাৰিলে। বৰং দুৰ্বল ৰজাৰ প্রতিক্রিয়াশীল গুৰুৰ ছত্ৰছায়াত আশ্ৰয় লোৱা নিম্ন সম্প্ৰদায়ৰ লোক সকলে কৰ্মহীন জীৱন-যাপনৰ এটা সুযোগ পালে। সেয়েহে গদাধৰ সিংহই (১৬৮১—১৬৯৪) অসমত ইতিপূৰ্বে শংকৰদেৱৰ মহাপুৰুষীয়া ধৰ্মৰ বহল প্ৰচাৰ হৈছিল যদিও গোঁসাই মহন্ত আদি ব্ৰাহ্মণ ধৰ্মগুৰু সকলৰ প্ৰতি অনুদাৰ নীতি গ্ৰহণ কৰি কঠোৰ ভাৱে দমন কৰি ৰাষ্ট্ৰৰ শক্তি জাগ্ৰত কৰাৰ চেষ্টা কৰিছিল। অৱশ্যে প্ৰতাপী সত্ৰাধিকাৰসকলে সেই সময়ত নিজ নিজ সত্ৰবিলাকক একোখন স্বাধীন ৰাজ্যৰ দৰে কৰি পেলাইছিল। তদুপৰি কেইবাজনো সত্ৰাধিকাৰে গদাধৰ সিংহক তেওঁৰ নিৰ্বাসন কালত চিনিব নোৱাৰি বেয়া ব্যৱহাৰ কৰিছিল। ইপিনে উদাসীন ভকতৰ ভাওত ভুৱা ভকতৰ সংখ্যাও বাঢ়ি গৈছিল। ১৬৯৬—১৭১৪ এই কাল ছোৱাত ৰুদ্ৰসিংহই পুনৰ বৈষ্ণৱ মহন্ত সকলক অ'ৰ ত'ৰ পৰা বিচাৰি আনি সত্রত বহুৱাই সত্ৰাধিকাৰ পাতিলে। লগতে আউনিআটীৰ সত্ৰাধিকাৰ কেশৱদেৱ বাপুৰ ওচৰত শৰণও ল'লে। ৰুদ্ৰসিংহৰ পিছতে শিৱসিংহই কামাখ্যাক স্বীকৃতি দি কৃষ্ণকান্ত ন্যায়বাগীশৰ ওচৰত শৰণ লৈ ঘোৰ শাক্তপন্থী হয়। এই আচৰণ বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ দিনত আৰু প্ৰকট হৈ পৰে। তেওঁৰ সন্মতি সাপেক্ষে গোপাল আতা পন্থী মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মগুৰু সকলক শাক্ত মতৰ ওচৰত সেও মনাবলৈ চেষ্টা কৰাৰ ফল-শ্ৰুতিতেই জন্ম হৈছিল মোৱামৰীয়া বিদ্ৰোহ। ক্ৰমে আহি পৰিল মানৰ আক্ৰমণ।

দেখা যায় ১৮ শতিকাত বংগৰ শাক্ত-গুৰুৰ প্ৰভাৱেৰে প্ৰভাৱিত আহোম ৰজাসকলে মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ওপৰত অত্যাচাৰ চলোৱাৰ পাছতো নাম মাত্ৰ হ'লেও শংকৰী আদৰ্শ বৰ্তি থাকিল।

বৃটিছৰ শৰণাৰ্থী হোৱাৰ দিনৰে পৰা শংকৰী ঐতিহ্যৰ বিৰুদ্ধে এটা নতুন আক্ৰমণ আৰম্ভ হ'ল। ধৰ্মীয় আক্ৰমণ নহৈও ই

শংকৰী ঐতিহ্যৰ সামাজিক ন্যায়ৰ আদৰ্শটোত আঘাত হানিলে। ঠিক সেই সময়তে বিষ্ণু আৰু জ্যোতিয়ে শংকৰী ঐতিহ্যৰ জয়ধ্বনিৰে অসমবাসীক উদ্দীপ্ত কৰিবলৈ চেষ্টা কৰিছিল। জ্যোতিপ্ৰসাদে শংকৰক "গুৰু" বুলি ঘোষণা কৰিলে । বেজবৰুৱাই শংকৰক সমাজজাত কৰিলে । বিষ্ণুৰাভাইও ক'লে, "শংকৰদেৱ অসমৰ গুৰু "। সকলোৱে উপলব্ধি কৰিলে সুখ সমৃদ্ধিৰ স্বাৰ্থত সামাজিক অন্যায়ৰ প্ৰতিৰোধ কৰিবলৈ আৰু স্থায়ী শান্তিৰ পৰিৱেশ সৃষ্টি কৰিবলৈ শংকৰী চিন্তাৰ প্ৰয়োজনীয়তা আছে।

কিন্তু শংকৰী আদৰ্শৰ বিপৰ্য্যয় আৰু প্ৰকট হৈ পৰিল আহোম যুগতকৈ এই যুগতহে। "আসাম বান্ধৱ" পত্ৰিকাত দুৰ্গোৎসৱক অসমৰ জাতীয় উৎসৱ বুলি প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰিছে। আনহাতে দামোদৰীয়া আৰু হৰিদেৱী পন্থাৰ লোক সকলে দামোদৰদেৱ আৰু হৰিদেৱৰ স্থান শংকৰদেৱ আৰু মাধৱদেৱৰ শাৰীতে বুলি প্ৰচাৰ কৰিয়েই আছে। জাতি-অজাতি বিচাৰ, আচাৰ প্ৰধান নৈষ্ঠিকতা আৰু ভকতীয়া ভণ্ডামিৰ কেৰোণে এই ধৰ্মৰ ভিতৰখন খুলি খুলি খালে । সত্ৰীয়া সংস্কৃতিৰ নামত জাত্যাভিমানত ওফন্দি থকা গুৰুসকলে বহুত বঙলুৰা আৰ্হি সামৰি লৈ মহাপুৰুষীয়া সংস্কৃতিৰ লগতে অসমৰ সংস্কৃতিকে বিকৃত ৰূপ দিছে । শ্ৰীমন্ত শংকৰৰ নেতৃত্বত প্ৰচাৰিত ভক্তিধৰ্মই ঈশ্বৰ প্ৰেমৰ যোগেৰে মানৱ প্ৰেমৰো প্ৰকাশ কৰিব খুজিছিল। কালক্ৰমত পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাৰ অন্তৰ্নিহিত বিৰোধবোৰৰ সংগ্ৰামে সেই বাস্তৱৰ ৰূপান্তৰ ঘটাইছে। ধৰ্ম একেটাই যদিও, প্ৰত্যেকে বেলেগ বেলেগ ধৰণে ব্যাখ্যা কৰাত যোৱা ৫০টা মান বছৰত ধৰ্মৰ নামত ৬/৭ টা অনুষ্ঠান উপৰ্য্যুপৰি গঠন হৈ পৰিল । আগৰ চাৰি সংহতিৰ শাখা-প্ৰশাখাৰ উপৰিও নতুনকৈ শ্ৰেণী বিভাজন হৈছে। এই নতুন বিভাজনৰ ক্ষেত্ৰত ব্ৰাহ্মণ বিৰোধী সাম্প্ৰদায়িক মনোভাৱো ক্ৰমে বৃদ্ধি পাই আহিছে । শংকৰদেৱৰ সামাজিক সমন্বয় আদৰ্শৰ বিপৰীতে বৰ্তমান শিক্ষিত লোকৰ নেতৃত্বত বিভাজনৰ আদৰ্শহে ভয়াবহ ৰূপত আগবাঢ়িছে । এনে আদৰ্শই ব্যক্তিগত আৰু সামাজিক জীৱনক পথভ্ৰষ্ট কৰাৰ লগতে ৰাষ্ট্ৰীয় জীৱনৰ আদৰ্শকো অন্ধকাৰ ভৱিষ্যতৰ ফালে ঠেলি দিছে । বৈষ্ণৱ আদৰ্শৰে বিধৌত হৈও এতিয়া সমাজত শাক্ত, বৈষ্ণৱ আনকি জড়বাদী ব্যৱস্থাও নিৰ্বিবাদে বৰ্তি আছে । পৰাগ চলিহাদেৱে "অসমীয়া সংস্কৃতিৰ সুভাগু" নামৰ গ্ৰন্থত লিখিছে "গুৰুৱো গুৰু পৰম গুৰু থকা দেশখনতে অসমীয়া সহস্ৰজনে গুৰুৰ উপৰি গুৰু ভজি অসমীয়া সংস্কৃতিৰ ঘাই শিপাকে কাটিছে বুলিলে ভুল কোৱা হ'ব জানো?" লগু ভগু হ'ল সংহতি। অনাখৰিয়েও ধৰ্মৰ ভাৱ প্ৰকাশিছে—

"ভকতি ভোমাই মাই,
গুৰু আশাধাৰী
শিষ কপতীয়া
জীৱৰো তৰণি নাই।"

সন্দেহ নাই অসমত আজি বিৰাজ কৰিছে একতাৰ বিপৰীতে ভিন্নতাই । ধৰ্মৰ নামত চৌপাশে আজি বিশৃংখলতাৰ মহাসমাৰোহ ।

অসমীয়াৰ সামাজিক জীৱনৰ ধ্বজা স্বৰূপ সত্ৰসভা বিলাকো শ্ৰীমন্ত শংকৰদেৱৰ উদ্দেশ্যৰ পৰা অদৃশ্য কাৰণ বা প্ৰভাৱত ফালৰি কাটি হয় নিষ্ক্ৰিয় নহয় মৌন হৈ পৰিল । চান্দসাইৰ বংশধৰ সকলকো শৰণ নিদিয়া হ'ল । আমাৰ সত্ৰসমূহৰ আটাইতকৈ ডাঙৰ বিসংগতি হৈছে গুৰু সম্বন্ধীয় অস্থিৰতা, বঙলুৱা আদৰ্শৰ আমদানি আৰু অন্ধবিশ্বাস ভিত্তিক অনুদাৰতা । নামঘৰবোৰ জহি খহি গৈছে । কোনো কোনো ঠাইত আকৌ ধনী দুখীয়াৰ দুটা নামঘৰ হৈছে। সকলো কথাতে নাম প্ৰসংগতকৈ মাহ-চাউলৰ প্ৰতিহে মানুহৰ আকৰ্ষণ তীব্ৰ হ'ল। ড° হীৰেণ গোহাঁয়ে কৈছে, "মাহ-চাউলৰ লোভে এটা ধৰ্ম বচাই ৰাখিব নোৱাৰে" ।

যুগৰ বলি হোৱা অসমীয়া সমাজত আজি একতা নাই। দুষ্কৃতিকাৰীয়ে বিভেদৰ কঠীয়া সিঁচি ভায়ে ভায়ে খৰিয়াল লগাই সমাজ ব্যৱস্থা লণ্ড—ভণ্ড কৰা ইয়াৰেই স্পষ্ট নিদৰ্শন। হাজাৰ হাজাৰ বছৰ অসমতে বাস কৰা নানা ভাষা-ভাষী, জাতি-উপজাতিয়ে মুখেৰে ৰাম নামৰ মৌ বৰষাই, ছাৰ মৰা গেৰুৱা ৰঙৰ আঁৰ লৈ; প্ৰয়োজন হ'লে বিৰাট একো-ডাল মনিছাল গুটিৰ মালা পিন্ধি জপ কৰি বিড়াল—তপস্বী হৈ, দিনত ব্ৰহ্মচাৰী ৰাতি অত্যাচাৰীৰ বেশেৰে অসমক গৰকি পেলোৱাৰ প্ৰচেষ্টা ১৮৩৭ চনৰ পৰাই চলি আহিছে । যোৱা পাঁচশ বছৰে যি সকল অসমীয়াই শংকৰ আদৰ্শক নপতা নভঙাকৈ শুদ্ধ-অশুদ্ধকৈ জীয়াই ৰাখিছিল, সেই সৰ্বহাৰা কৃষক-বনুৱা, হালোৱা চহুৱাসকল আজি পিছ হুঁহকিবলৈ বাধ্য। "জীৱন সিন্ধুৰ প্ৰতি বিন্দুত উঠিছে জোৱাৰ ভাঙি পাৰাপাৰ"। এনে সংকটপূৰ্ণ পৰি-স্থিতিত ঈশ্বৰক "পতিত পাৱন" বুলি ৰাওচি জুৰিলেও অসমত বৰ্তমানে বিৰাজ কৰা জাতি-ভেদ, উচ্চ-নীচ, অস্পৃশ্যতা আদি থাকিবই। এনেকি তাত্ত্বিক দিশৰ পৰা চাবলৈ গ'লেও শংকৰী আদৰ্শক যদি জীৱনৰ সঞ্জীৱনী সুধা আকৰ বুলি ধৰা হয় তেন্তে দেখাযাব এই ধৰ্মৰ প্ৰাসংগিকতাও দ্ৰুত গতিত হ্ৰাস পাই আহিছে। নিৰপেক্ষ পৰ্যবেক্ষকেও ইয়াক চিঞৰি চিঞৰি কৈ আছে। বিজ্ঞানৰ পিঠিত উঠি অহা আধুনিকতাৰ প্ৰভাৱত নিস্তৰংগ অসমীয়া সমাজ আজি বিলীয়মান । অসমীয়া মানুহক মোহাচ্ছন্ন কৰি ৰাখিব পৰা অনন্য শক্তি আছিল কেৱল শংকৰী আদৰ্শ । সাম্প্ৰতিক অসমত সেই অনন্য শক্তিৰ ৰেহ-ৰূপ যিকণ আছেগৈ তাতো লেতেৰা প্ৰসাধনৰ প্ৰলেপ । সেই একেখন অসমীয়া সমাজত সুন্দৰ ভকতি ৰসৰ অস্তিত্ব এতিয়াও আছে, যি অতীততো আছিল। কিন্তু সুদূৰ পাঁচ শতাব্দীৰ যাত্ৰাৰ প্ৰান্তত সেই ভকতি ৰসৰ মানুহক কেন্দ্ৰীভূত কৰি ৰাখিব পৰা ক্ষমতা নাই। শিৱনাথ বৰ্মনৰ পৰা ধাৰ কৰি এনেদৰে ক'ব পাৰি, "অপ্ৰিয় হ'লেও সঁচা, আজিৰ বুজন সংখ্যক অসমীয়াৰ বাবেই নাম কীৰ্ত্তনৰ নিৰ্ভেজাল জগতখন বাস্তৱ অনুপ্ৰেৰণাৰ উৎস নহয়, ই এচাম মানুহৰ আচাৰ সৰ্বস্বান্ত নামান্তৰ, নহ'লে এচাম নগৰকেন্দ্ৰিক মানুহক আজৰি পৰত চিন্তা বিলাসৰ সুবিধা দিয়া অতীতৰ এক সুমধুৰ সোঁৱৰণ মাত্ৰ । অপ্ৰিয় হ'লেও সঁচা, আজিৰ যন্ত্ৰণাক্লিষ্ট অসমীয়া মধ্যবিত্তৰ বহুতেই মোক্ষৰ সন্ধান কৰে মহাপুৰু-ষীয়া ধৰ্মত নহয়, কোনোবা আধুনিক "ঠাকুৰ" বা "বাবা"ৰ চৰণতহে। আজিৰ ইন্দ্ৰিয়বিলাসী চহুৰীয়া মধ্যবিত্তক আকৰ্ষণ কৰে নামঘৰতকৈ নৈশ ক্লাৱে, বৰগীততকৈ "বিবিধ-ভাৰতী"য়ে, ভাওনাতকৈ চিনেমাই । সত্ৰ আৰু নামঘৰ তেওঁলোকৰবাবে পৰ্য্যবেক্ষকৰ পৰ্য্যবেক্ষনীয় স্থানৰ বাহিৰে খুউব বেছি একো নহয় ।"

ই শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ অৱহেলিত ৰূপৰ বাস্তৱ দলিল মাত্ৰ (ধৰ্মৰ সংঘাতত ইয়াৰো অৱিহনা উল্লেখনীয় বাবেই উন্নুকিয়াই থোৱা হ'ল)।

শংকৰী আদৰ্শৰ পাৰ্থিৱ উৎপাদন আৰু পাৰ্থিৱ সম্পৰ্কাৱলীৰ বিকাশ ঘটাই সাম্প্ৰতিক অসমীয়াই আৰ্থ—সামাজিক পটভূমিত ইয়াৰ-চিন্তা আৰু চিন্তাসমূহৰ পৰিৱৰ্তন ঘটাইছে।

শংকৰদেৱৰ ধৰ্ম সংস্কৃতিত বিভাজন আৰু অনৈক্য—আমাৰ বাবে এতিয়া বৰ ডাঙৰ সমস্যা। একবিংশ শতাব্দীলৈ আৰু কেইটা প্ৰহৰ? আমি যদি এতিয়াই এই বৃহৎ সমস্যা সমাধানৰ উপায় অৱলম্বন নকৰো তেন্তে এক বিংশ শতিকাত শংকৰদেৱ নেথাকিব, বৈষ্ণৱ ধৰ্ম নেথাকিব। জন্মজন্মান্তৰৰ চিনাকি সত্ৰীয়া সংস্কৃতি অসমীয়া মানুহে নিচিনা হ'ব। সেয়েহে আকৌ এবাৰ প্ৰতিপন্ন কৰিব লাগিব, শংকৰ-দেৱ কেৱল ধৰ্ম প্ৰচাৰক নহয়, জনগণৰ বাবে এক উন্নত, সুখী, সমৃদ্ধ, সংস্কৃত জীৱনযাত্ৰাৰ স্ৰষ্টা ।

"ধৰ্মৰ স্বৰূপ কি" ? সমস্যা সমাধানৰ বাবে ই হ'ব লাগিব প্ৰথম পদক্ষেপ । "অসমীয়া কাব্য সাহিত্য আৰু জাতীয় জীৱনত প্ৰগতিবাদী চিন্তা" শীৰ্ষক পুথিত দীনেশ্বৰ ভট্টাচাৰ্য্যদেৱে লিখিছে—"ধৰ্মই ব্যক্তিক প্ৰগতিবাদী নকৰে-বুলি যি সকল লোকে ভাৱে প্ৰকৃততে তেওঁলোকে প্ৰগতি-বাদৰ অৰ্থই নুবুজে। ধৰ্ম হৈছে জীৱনৰ এটা ৰূপ । কৰ্তব্যই ধৰ্ম বুলি ভাৰতীয় জাতিক সোঁৱৰাই দিয়া, ভাৰতীয় জাতিৰ জীৱন যুদ্ধত ৰথৰ সাৰথি কৃষ্ণই কৰ্তব্যৰ সন্মুখত "ক্ষুদ্ৰং হৃদয় দৌৰল্যং ত্যজ্যাউত্তিষ্ঠ পৰন্তপ" বুলি বৈদিক ধৰ্মৰ মৰ্মবাণী ভাৰতীয় জাতিক শুনাই আধ্যাত্মিক-শক্তি জাগ্ৰত কৰিহে অৰ্জুনৰ ৰথৰ সাৰথি হৈছে । প্ৰগতিবাদৰ অৰ্থ হৈছে ব্যক্তিৰ হৃদয়ৰ কৰ্তব্য বিমুখিতা আঁতৰাই ন্যায় নীতিৰ হকে প্ৰাণ ত্যাগ কৰিবলৈ শিকোৱা । এই প্ৰগতিবাদ ভাৰতীয় বৈদিক ধৰ্মৰ তাৎপৰ্য্য। যন্ত্ৰৰ উপাসনাই প্ৰগতিবাদৰ চিন নহয়" । কিন্তু আধুনিকতাৰ আঘাতত আমি পাহৰি পেলাইছো ধৰ্মৰ প্ৰকৃত অৰ্থ কি। আমাক এতিয়া উপযুক্ত গৱেষণা লাগে, আলোচনা লাগে, পৰামৰ্শ লাগে। বুদ্ধিজীৱী-সকলে শংকৰী আদৰ্শৰ দোষ-গুণ বিচাৰ কৰাতকৈ এই আদৰ্শৰ অন্তৰ্নিহিত চৰম সত্যটি জনসাধাৰণৰ আগত ফঁহিয়াই দেখুৱাব লাগে ।

আমাৰ জনসাধাৰণৰ ধাৰণা আৰু বিশ্বাস যে বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্য ভক্তি ধৰ্ম প্ৰতিষ্ঠা কৰাহে। কিন্তু ভক্তিৰ লগত যে সজ আচৰণ, সৎ চৰিত্ৰ, সৎ উদ্দেশ্য আদিৰ অংগাংগী-ভাৱে জৰিত সেই কথালৈ চকু দিয়া নহয় ।

শ্ৰুতি-স্মৃতি নিৰ্দেশিত পথ উলংঘা কৰি স্বেচ্ছাভাৱে প্ৰৱৰ্তিলে সামাজিক শৃংখলা, সংযম আৰু একতা নাথাকে। গতিকে আমি প্ৰত্যেকেই শ্ৰুতি-স্মৃতিৰ প্ৰতি সজাগ হোৱা বাঞ্চনীয় ।

মৌখিক ভক্ত দেখুৱাই সামাজিক নীতি-নিয়ম আচাৰ-বিধি উলংঘা কৰা, ঘোৰ সংসাৰলিপ্ত ভণ্ড ভক্তও আমাৰ মাজত আছে। আটাইতকৈ বিপদ এই শ্ৰেণীটোৰ পৰাহে । তেওঁলোকে কি সাব্যস্ত কৰিছে ? তেওঁ লোকৰ উদ্দেশ্যইবা ক'ত ? ধৰ্ম সংঘাটত এইসকল ভক্তয়েই (?) আটাইতকৈ বেছি অৰিহনা যোগাইছে। সেয়েহে প্ৰতিজন ভক্তকেই লগতে প্ৰতিজন নাগৰিককও এতিয়া আত্ম সমালোচনাৰ প্ৰয়োজন ।

ব্যৱহাৰ বিসংগতি দূৰ কৰিবৰ বাবে নিৰ্গুণ আৰু সগুণৰ মাজতও সংগতি স্থাপন কৰিব লাগিব । সগুণৰ মাজেদিহে নিৰ্গুণৰ ফালে আগবাঢ়িব পাৰি। নামঘোষাত আছে—

"শুক নিগদতি পৰীক্ষিত যদি আমি
নিৰ্গুণতো স্থিত
তথাপি উত্তৰ শ্লোকৰ মহিমা গুণে ।
কৰিলেক মোৰ বৈশ্যচিত্ত ভাগৱত শাস্ত্ৰ
বিপৰীত
পৰম যতনে পঢ়িলো মই আপুনে ॥" ৬৪৯

ভক্তিৰ চৰম আদৰ্শ হৈছে ইশ্বৰোপলব্ধি । স্বৰ্গসুখ বা লীন মুক্তিও নহয় । সেয়েহে আমি স্বৰ্গসুখ বা' লীন মুক্তিৰ বাবেই বৈষ্ণৱ ধৰ্মক আৰাধনা কৰিলে নহ'ব । লগতে স্বৰ্গসুখ বা লীনমুক্তিয়েই আমাৰ চৰম উদ্দেশ্য হ'লেও নহ'ব ।

প্ৰসংগক্ৰমে নৈতিক আদৰ্শৰ প্ৰশংসা, সমাজ বিৰোধী কাৰ্য্যৰ নিন্দা, চাৰিত্ৰিক সৎ গুণাৱলীৰ গুণানুকীৰ্তন ভালেমান কাহিনীৰ ঠায়ে ঠায়ে উপস্থাপন কৰি সামাজিক আৰু বৈয়াক্তিক চৰিত্ৰ নিৰ্মল কৰাৰ প্ৰচেষ্টাও লক্ষ্য কৰা যায় । অসমীয়া সমাজক নিকা কৰাত এই নৈতিক উপদেশবোৰৰ মূল্যও কম নহয়।

শংকৰদেৱে সাত্বিক প্ৰমূল্যসমূহৰ দ্বাৰা তেওঁৰ যুগৰ অসমীয়া সমাজত প্ৰচলিত অন্যায় আৰু অবিচাৰ সমূহৰ এক নিষ্ক্ৰিয় প্ৰতিৰোধ বিচাৰিছিল । বৰ্তমানে সিবোৰ ৰাজসিক বা

তামসিক শাৰীলৈ আহিল । আজিৰ যুগৰ অসমীয়া সমাজতও প্ৰচলিত অন্যায় অবিচাৰ সমূহৰ নিষ্ক্ৰিয় প্ৰতিৰোধৰ বাবে এই প্ৰমূল্য সমূহৰ প্ৰয়োজন নিশ্চয় আছে ।

আমাৰ বেছিভাগ অসমীয়া (প্ৰায় সকলো)ৰ অভিযোগটো হ'ল—শংকৰী আদৰ্শত থকা সীমাবদ্ধতা । সাম্প্ৰতিক অসমৰ আৰ্থ-সামাজিক পটভূমিত এই আদৰ্শৰ পৰ-স্পৰাৰ লগতে সীমাবদ্ধতাও লক্ষ্যনীয় বিষয়। বিজ্ঞানে আজি পৃথিৱীৰ ব্যাসাৰ্দ্ধ কমাই অনাৰ লগে লগে ভিন্ন দেশসমূহৰ মাজত এটা ওচৰ সম্বন্ধ আহি পৰিছে । ভিন্ন দেশৰ সভ্যতা সংস্কৃতিৰ সৈতে যোগাযোগ স্থাপনৰ সুযোগ আহিছে । আমাৰ অসমও ইয়াৰ ব্যতিক্ৰম নহয় । ডঃ হীৰেন গোহাঁয়ে "কীৰ্তনৰ ৰস বিচাৰ" গ্ৰন্থৰ পাতনিত লিখিছে—"শংকৰদেৱৰ লগতে শ্বেক্সপীয়েৰ, টলষ্টয়, ফ্ৰয়েড, মাক্স' আদি দেশান্তৰৰ ব্যক্তি সকলৰ লগতো আত্মীয়তাৰ সম্পৰ্ক স্থাপন কৰাত তেওঁলোক আজি তৎপৰ" । অৱশ্যে নিজৰটো নেওচি আনৰটো গ্ৰহণ কৰাৰ কোনো অৰ্থই নাই । আমাৰ বহুতেই হয়তো নেজানে ইটালীৰ নৱন্যাস যুগৰ পণ্ডিত সকলে **Universal man** ৰ সকলো গুণ আমাৰ শংকৰদেৱৰ গাতহে দেখা পাইছিল।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম আৰু সংস্কৃতি সমাজ সংগঠনৰ অনিবাৰ্য্য অৱলম্বন। সেয়েহে সাম্প্ৰতিক অসমত সৃষ্টি হোৱা ধৰ্ম সংকট নিমূ'ল কৰিবলৈ প্ৰতিজন অসমীয়াৰেই উপযুক্ত পদক্ষেপৰ প্ৰয়োজন আছে । ●

# ডাঙ্কেল প্ৰস্তাৱ আৰু
# ভাৰতৰ অৰ্থনৈতিক সাৰ্বভৌমত্বৰ প্ৰত্যাহ্বান

মদন মোহন চৌধুৰী

তৃতীয় বিশ্বৰ অন্যতম প্ৰগতিশীল দেশ ভাৰতবৰ্ষ। দেশৰ সংবিধান সমাজবাদী আদৰ্শ গ্ৰহণৰ জড়িয়তে নাগৰিকক ন্যায়, সমতা আৰু স্বতন্ত্ৰতা দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ যদিও সাম্প্ৰতিক কালত ভাৰতবৰ্ষৰ অৰ্থনৈতিক নীতি, শিল্পনীতি, শিক্ষানীতি আদি ইয়াৰ বিপৰীত দিশলৈ যোৱাৰ লক্ষণহে স্পষ্ট হৈ পৰিছে। সেয়াই নহয়, সমালোচক সকলৰ মতে বৰ্তমানৰ অৰ্থনৈতিক নীতিয়ে আনকি ভাৰতবৰ্ষৰ অৰ্থনৈতিক সাৰ্বভৌমত্বৰ প্ৰতি এক প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে আৰু এই প্ৰত্যাহ্বান আহিছে বিশ্ববেঙ্ক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা ভাণ্ডাৰ আৰু কুখ্যাত ডাঙ্কেল প্ৰস্তাৱৰ মাধ্যমেৰে। পুঁজিবাদী দুনিয়াৰ মহানায়ক আমেৰিকাৰ নিৰ্দেশত কাম কৰা এই তিনি প্ৰতিষ্ঠানৰ শেষৰটোৰ সম্পৰ্কে এটি সম্যক আলোচনা কৰাই এই প্ৰবন্ধৰ উদ্দেশ্য।

## ডাঙ্কেল প্ৰস্তাৱ কি ?

আৰ্থাৰ ডাঙ্কেল চাহাব হ'ল গ্যাট (GATT : General Agreement on Tariff and Trade) নামৰ আন্তৰ্জাতিক পণ্যবাণিজ্য সম্পৰ্কীয় বিষয়ৰ সংস্থাটোৰ চেক্ৰেটাৰী জেনেৰেল। সংস্থাৰ নিৰ্দেশত ডাঙ্কেল চাহাবে প্ৰণয়ণ কৰা আঁচনিখনেই ডাঙ্কেল প্ৰস্তাৱ। মূলতঃ আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত সাম্ৰাজ্যবাদী আধিপত্য আৰু ইয়াৰ জড়িয়তে বিশেষকৈ তৃতীয়বিশ্বৰ দেশবিলাকক শোষণ আৰু দমন কৰিবলৈকেই গ্যাটৰ সৃষ্টি। কোনো এখন দেশে বিশ্ববেঙ্ক নাইবা আন্তৰ্জাতিক মুদ্ৰা-ভাণ্ডাৰৰ পৰা ঋণ গ্ৰহণ নকৰা পৰ্য্যন্ত সেই দেশৰ আভ্যন্তৰীণ অৰ্থনীতিত হস্তক্ষেপ কৰাৰ ক্ষেত্ৰত সাম্ৰাজ্যবাদী শক্তিৰ সন্মুখত দেখা দিয়া অসুবিধা আঁতৰোৱাৰ উদ্দেশ্যেই এই সংস্থাক ব্যৱহাৰ কৰিবলৈ বিচৰা হৈছে। বিশেষকৈ আশীৰ দশকৰ পিছত এই সংস্থাৰ কৰ্মপৰিসৰ যথেষ্ট ব্যাপক কৰি এটি অতি শক্তিশালী সংস্থা হিচাবে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

## ডাঙ্কেল প্ৰস্তাৱত কি আছে ?

চাবিশ চল্লিশ পৃষ্ঠাজোৰা এই প্ৰস্তাৱৰ পটভূমি তৈয়াৰ হৈছিল গ্যাটৰ ১৯৮৬ চনত উৰুগুৱেত অনুষ্ঠিত অষ্টম ৰাউণ্ড বৈঠকত। সেই সময়চোৱা আছিল সাম্ৰাজ্যবাদী সকলৰ 'বজাৰ মণ্ডা'ৰ সময়। সেয়ে বিশ্বৰ প্ৰধান পুঁজিপতি দেশ কেইখনৰ লোলুপ দৃষ্টি পৰিছিল তৃতীয় বিশ্বৰ উন্নয়নশীল দেশ সমূহৰ বৃহৎ বজাৰৰ ওপৰত। যি কোনো প্ৰকাৰে এই বজাৰ দখল কৰাৰ অভিপ্ৰায়েৰেই যুগুতোৱা হৈছে এই ডাঙ্কেল আঁচনি। প্ৰধানকৈ এই আঁচনিত সন্নিবিষ্ট বিষয়কেইটা হ'ল— (১) বাণিজ্য সংক্ৰান্ত মেধাস্বত্ব, (২) বাণিজ্য

সংক্ৰান্ত বিনিয়োগ আৰু গ্যাটৰ নিয়মকানুন (৩) বাণিজ্য সংক্ৰান্ত পৰিসেৱা (৪) কৃষি-ক্ষেত্ৰ (৫) বস্ত্ৰশিল্প আৰু (৬) বহুজাতিক বাণিজ্যিক সংস্থা। এই বিষয় সমূহৰ এটা থ্‌লমূল আলোচনাই আঁচনিখন সম্পৰ্কে এটি ধাৰণা দিব পাৰিব।

স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ বিজ্ঞানী আৰু প্ৰযুক্তিবিদসকলৰ অক্লান্ত পৰিশ্ৰমৰ ফলত, বিশেষকৈ ১৯৭০ চনৰ পেটেণ্ট আইন গ্ৰহণৰ পিচত মৌলিক গবেষণাৰ কামকাজৰ যথেষ্ট উন্নতি হৈছে। ঔষধ, সাৰ, খাদ্য, কীটনাশক ঔষধ উৎপাদনৰ বাবে প্ৰয়োজনীয় ৰাসায়নিক দ্ৰব্য ইত্যাদিৰ ক্ষেত্ৰত লাভকৰা গবেষণা-লব্ধ ফলে ভাৰতবৰ্ষৰ প্ৰগতিত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ১৯৭০ চনৰ পেটেণ্ট আইনে গবেষণা আৰু প্ৰযুক্তি-বিদ্যা প্ৰয়োগৰ ক্ষেত্ৰত থকা বাধা আঁতৰো-ৱাৰ লগতে কোনো বিষয়ৰ ওপৰত পেটেণ্ট গ্ৰহণ কৰি অন্য দেশে শোষণ কৰাৰ সাম্ৰাজ্য-বাদী অপকৌশলকও মাৰাত্মকভাবে সংকুচিত কৰি ৰাখিছে। সেয়ে ডাঙ্কেল আঁচনিৰ মেধা-স্বত্ব সংক্ৰান্ত প্ৰস্তাৱিত এই পেটেণ্ট আইন-খনৰ মূল ধাৰাসমূহ সম্পূৰ্ণভাবে বাতিল কৰিব বিচৰা হৈছে। অৰ্থাৎ ভাৰতবৰ্ষৰ নিচিনা তৃতীয়বিশ্বৰ উন্নয়নশীল দেশ বিলাকৰ আত্ম-নিৰ্ভৰশীল বিকাশৰ ধাৰাত প্ৰচণ্ড আঘাট হানি পুনৰ পৰাধীনতাৰ পৰ্যায়লৈকে লৈ যোৱাৰ আঁচনি তৈয়াৰ কৰিছে।

দ্বিতীয়তে, ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশ বিলাকত বাণিজ্যিক পৰিসেৱাবোৰ যেনে বেংক, বীমা, টেলিকম্যুনিকেচন, পৰিবহন, শিক্ষা, আদি ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত ৰাখে। বহু-জাতিক নিগমবোৰক এইবোৰ নিয়ন্ত্ৰণ কৰাৰ পৰা বিৰত ৰাখিবলৈ বাধা নিষেধ আৰোপ কৰে। কিয়নো এই পৰিসেৱা প্ৰতিষ্ঠানৰ জৰিয়তে মাত্ৰ মুনাফা লাভৰ লক্ষ্যকেই সাৰোগত নকৰি জনকল্যাণমূলক আঁচনি সমূহো ৰূপায়িত কৰে। ডাঙ্কেল প্ৰস্তাৱ অনুসাৰে এই বাধা নিষেধবোৰ প্ৰত্যাহাৰ কৰিব লাগে আৰু বহুজাতিক নিগমবোৰক বাণিজ্যিক পৰিসেৱাৰ অবাধ অনুপ্ৰবেশত সুবিধা দিব লাগে।

তৃতীয়তে, উন্নয়নশীল দেশ বিলাকত আভ্যন্তৰীণ বজাৰৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্ৰণ শিথিল কৰি দিয়া আৰু ক্ষেত্ৰবিশেষে সম্পূৰ্ণ প্ৰত্যাহাৰ কৰা ডাঙ্কেলৰ অন্যতম প্ৰস্তাৱ। অৰ্থাৎ আমাৰ দেশত সুলভমূল্যৰ দোকানৰ জৰিয়তে গৰীব জনসাধাৰণলৈ নিয়ন্ত্ৰিত মূল্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ যোগান ধৰা ব্যৱস্থা নাইকিয়া কৰি সকলো সামগ্ৰী মুক্তবজাৰলৈ হস্তান্তৰ কৰা লগতে কোৱা হৈছে যে দেশত উৎপাদন বৃদ্ধি কৰি বিদেশৰ পৰা হোৱা আমদানি কোনোপধ্যেই হ্ৰাসকৰা নচলিব।

চতুৰ্থতে, ভাৰতবৰ্ষ মূলতঃ কৃষিপ্ৰধান দেশ হোৱা হেতুকে, দেশৰ অধিকাংশ মানুহ কৃষিজীৱী হোৱা বাবে স্বাভাৱিকতে কৃষিৰ উন্নয়নৰ ওপৰত দেশৰ উন্নয়ন নিৰ্ভৰশীল। সেয়ে কৃষিজাত সামগ্ৰীৰ ক্ষেত্ৰত চৰকাৰী ভৰ্তুকি দি উৎপাদন বৃদ্ধি কৰাত দেশে কৃষক-সকলক উৎসাহিত কৰাৰ লগতে অৰ্থনৈতিক সাহায্যও আগবঢ়ায়। উন্নতমানৰ বীজ, সাৰ, প্ৰযুক্তিবিদ্যা, বিজুলী, পানী আদি নিয়ন্ত্ৰিত মূল্যত যোগান ধৰি আত্মনিৰ্ভৰতাৰ পথত যথেষ্ট অগ্ৰসৰ হব পাৰিছে। কিন্তু ডাঙ্কেল প্ৰস্তাৱত কোৱা হৈছে যে এই ৰেহাই সাম-গ্ৰিক প্ৰকৃত মূল্যৰ দহ শতাংশতকৈ কোনো-পধ্যে বেচি হব নোৱাৰে। লগতে কিন্তু কোৱা হৈছে যে উন্নত দেশ বিলাকৰ ক্ষেত্ৰত প্ৰচলিত ভৰতুকি ব্যৱস্থা চলি থাকিব। ইয়াৰোপৰি পেটেণ্ট আইন অনুসাৰে উন্নয়নশীল দেশ বিলাকে উন্নত বীজ আদি বিদেশৰ পৰা অত্যাধিক মূল্যত ক্ৰয় কৰিব লাগিব।

পঞ্চমতে, ডাঙ্কেল প্ৰস্তাৱত এটি বহুবধি বাণিজ্যিক সংস্থা' **(Multilateral Trade Organisation)** গঠন কৰি আন্তৰ্জাতিক বাণিজ্য নিয়ন্ত্ৰণ কৰা হৈছে । বিশ্বৰ বিভিন্ন দেশৰ মাজত বৰ্তমান চলি থকা দ্বিপাক্ষিক, ত্ৰিপাক্ষিক চুক্তিসমূহ গ্যাট নিয়ন্ত্ৰণভুক্ত কৰাৰ আঁচনি লোৱা হৈছে । অৰ্থাৎ আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত এই সংস্থাই হব সৰ্বময় কৰ্তৃত্বৰঅধিকাৰী ।

লগতে এই আঁচনিৰ অন্যতম মাৰাত্মক চৰ্ত হ'ল যে ডাঙ্কেল প্ৰস্তাৱ হয় সম্পূৰ্ণ ভাবে মানি লব লাগিব নহলে সম্পূৰ্ণভাবে অগ্ৰাহ্য কৰিব লাগিব । ইয়াত এৰা ধৰা, বুজাপৰাৰ প্ৰশ্ন উঠিব নোৱাৰে ।

**ডাঙ্কেল প্ৰস্তাৱ আৰু ভাৰত চৰকাৰৰ ভূমিকা**

ঋণৰ ক্ষেত্ৰত বিশ্ববেঙ্ক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰে আৰোপ কৰা চৰ্তসমূহ মানিবলৈ গৈ ভাৰতবৰ্ষ প্ৰকাৰন্তৰে 'ঋণ ফান্দ'ত সোমাই পৰিছে আৰু এতিয়া এই দুই সংস্থাৰ হেঁচাতেই ডাঙ্কেল প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ অগ্ৰসৰ হৈছে। ডাঙ্কেল প্ৰস্তাৱে "ভাৰতৰ অৰ্থনীতিত বিৰূপ ক্ৰিয়া নকৰে" 'কৃষি উন্নতিৰ ক্ষেত্ৰত যথেষ্ট সহায়কহে হব' 'প্ৰস্তাৱৰ অ-গ্ৰহণযোগ্য অংশ বাদ দিয়া হব' ইত্যাদি যুক্তিপ্ৰদৰ্শনেৰে জনমত গঠন কৰিবলৈও চেষ্টা কৰিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় চৰকাৰৰ নতুন অৰ্থনীতি, শিল্পনীতি আৰু শিক্ষানীতিত ইতিমধ্যে ইয়াৰ প্ৰভাৱ পৰিছে । জনগণৰ দাবীৰ বিপৰীতে গণবন্টন ব্যৱস্থা সঙ্কুচিত কৰা হৈছে । দেশত হেজাৰ হেজাৰ কল-কাৰখানা বন্ধ হৈ গৈছে, বিদায় নীতিৰে লাখ লাখ কৰ্মচাৰীক কৰ্মচ্যুত কৰা হৈছে, ৰাষ্ট্ৰায়ত্ব খণ্ডৰ শিল্পসমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে, দ্ৰব্যমূল্য অ-নিয়ন্ত্ৰিত হৈ বৃদ্ধি পাই আছে। দেশৰ ৰপ্তানি সঙ্কুচিত আৰু আমদানি বৃদ্ধি পাব ধৰিছে, কৃষিৰ ক্ষেত্ৰত আগবঢ়োৱা ভৰতুকি ব্যৱস্থা সঙ্কুচিত কৰা হৈছে. বহুজাতিক নিগমবোৰে বাধাহীন ভাবে বজাৰ দখল কৰি লুণ্ঠন আৰম্ভ কৰিছে । 'ইষ্টইণ্ডিয়া কোম্পানী নামৰ এটা মাত্ৰ বিদেশী কোম্পানীয়ে ভাৰতবৰ্ষৰ বজাৰ দখল কৰি দেশৰ সাৰ্ব্বভৌমত্ব খৰ্ব কৰিব পাৰিছিল আৰু এতিয়া তাতকৈ বহুগুণে শক্তিশালী অনেক বহুজাতিক নিগম আহি ভাৰতবৰ্ষৰ অৰ্থনীতিত বিনাবাধাই সোমাই পৰিছেহি । সেয়ে আজি পুনৰ ভাৰতবৰ্ষৰ অৰ্থনৈতিক সাৰ্বভৌমত্ব প্ৰত্যাহ্বানৰ সমুখীন হৈছে । নহলে জানো সাতসাগৰ তেৰ নদীৰ সিপাৰৰ পৰা কোনো ভদ্ৰমহিলা আহি আমাৰ দেশৰ মাটিতে ৰঙা চকু দেখুৱাই ধমক মাৰিবহি পাৰে যে' 'আমাৰ কথামতে নচলিলে ৩০১ ধাৰা প্ৰয়োগেৰে তোমালোকক সেও মনাবলৈ বাধ্য কৰাম ।'' নহলে জানো প্ৰযুক্তিবিদ্যা গ্ৰহণৰ ক্ষেত্ৰত কোনো বন্ধু ৰাষ্ট্ৰৰ লগত থকা দ্বি-পাক্ষিক চুক্তি কোনোবাই ৰঙা চকু দেখুৱাই প্ৰত্যাহাৰ কৰাব পাৰে ?

দৰাচলতে বিশ্বৰ উন্নত পুঁজিপতি দেশ কেইখনে পাৰম্পৰিক বুজাপৰাৰে বিশ্বৰ বজাৰ নিজৰ আয়ত্বত ৰখাৰ কৌশলেৰে জি-৭ৰ নিচিনা সামূহিক স্বাৰ্থৰক্ষাকাৰী অনুষ্ঠান গঢ়িলেও পুঁজিপতি দেশবোৰেই চৰমসংকটৰ সন্মুখীন হৈছে । ফলত এই দেশবোৰে অনুন্নত আৰু উন্নয়নশীল দেশবোৰ কুক্ষিগত কৰিবলৈ নিৰ্লৰ্জ্জ ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে । সেয়ে ইয়াৰ বিৰুদ্ধে ব্যাপক জনমত গঢ়ি তোলাৰ প্ৰয়োজন। বিশ্ববেঙ্ক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ হেঁচাত নতি স্বীকাৰ কৰি কেন্দ্ৰীয় চৰকাৰে যাতে ডাঙ্কেল প্ৰস্তাৱ গ্ৰহণ নকৰে তাৰবাবেও প্ৰৱল জনমত গঢ়ি তুলিব লাগিব । অন্যথাই আমাৰ দেশ কৃষি, শিল্প, বাণিজ্য, প্ৰযুক্তিবিদ্যা, গৱেষণা, ঔষধ, কীটনাশক, ৰাসায়নিক দ্ৰব্য প্ৰস্তুতি, শিক্ষা আদি সকলোক্ষেত্ৰতে আত্মনিৰ্ভৰশীল হোৱাৰ পৰিবৰ্ত্তে বৰ্তমানে লাভ কৰা অগ্ৰগতিও স্তব্ধ হবলৈ বাধ্য । ●

# ছাত্ৰ, বিপ্লৱ আৰু অন্যান্য

মনোৰঞ্জন সোণোৱাল
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

বিশ্বৰ যিকোনো বিপ্লৱতে ছাত্ৰসকলৰ ভূমিকা উল্লেখযোগ্য। যদিও আমি শিক্ষা প্ৰাথমিক পৰ্য্যায়ৰ পৰা শিকি আহিছোঁ ছাত্ৰৰ অধ্যয়ণেই তপস্যা। অৱশে এই অধ্যয়ণ যে কেৱল সীমিত পৰিসৰৰ পাঠ্যপুথিতে সীমাবদ্ধ থাকিব লাগিব তাৰ কোনো নিৰ্দেশনা নাই।

ছাত্ৰসকল সমাজৰ অংশ; ই কোনো অন্য শ্ৰেণীৰ জীৱ নহয়। গতিকে প্ৰচলিত সমাজ ব্যৱস্থাৰ সকলো প্ৰভাৱ ছাত্ৰসকলৰ মাজতো বিদ্যমান। কিন্তু আটাইতকৈ ডাঙৰ কথা হ'ল ছাত্ৰই অধ্যয়ণ কৰাটো, ভৱিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাটো আৰু ভৱিষ্যত সমাজত নিজকে মানুহ হিচাপে পৰিচয় দিয়াৰ অৰ্হতা অৰ্জন কৰি লোৱাটো। কিন্তু আজি দেখা গৈছে বিভিন্ন কাৰণত ছাত্ৰসমাজ প্ৰায় ব্যৰ্থ আৰু বিপথগামী হৈছে আৰু আজিৰ দুৰ্নীতিগ্ৰস্ত সমাজৰ প্ৰায় সকলোবিলাক কেৰোণে ছাত্ৰসকলকো আক্ৰমণ কৰিছে স্বাভাৱিকতে ইয়াৰ কাৰণসমূহ বিশ্লেষণ কৰিবলৈ গ'লে সমগ্ৰ সমাজ, ৰাজনীতি তথা অৰ্থনীতি সকলো দিশ ছুই যাবই লাগিব, যিবিলাক প্ৰচলিত ঘটনা আৰু ক্ৰিয়াকাণ্ডই ছাত্ৰসকলৰ ওপৰত ঋণাত্মক প্ৰভাৱ বিস্তাৰ কৰিছে।

আমাৰ সকলোৰে এক বদ্ধমূল ধাৰণা আছিল যে শিক্ষানুষ্ঠান সমূহেই আটাইতকৈ পবিত্ৰ অনুষ্ঠান, যি অনুষ্ঠানে এচাম যুৱক-যুৱতী তথা কিশোৰ-কিশোৰীক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তোলে; এচাম জ্ঞানান্বেষীক জ্ঞানপুষ্ট কৰি তোলে আৰু সমাজত সমন্বয় প্ৰতিষ্ঠা কৰাত আনুষ্ঠানিক ভূমিকা পালন কৰে। শিক্ষানুষ্ঠান সমূহত বৰ্তমান চলিত ঘটনাৱলীয়ে কিন্তু আজি চিন্তাশীললোকক স্বাভাৱিকতে চিন্তান্বিত কৰি তুলিছে। ছাত্ৰসকলৰ উশৃংখলতা, অসৎ উপায়েৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ মানসিকতা আদি সমগ্ৰ দুৰ্নীতিমূলক কাৰ্যাৱলীৰ অংশীদাৰ হৈছে ছাত্ৰ-ছাত্ৰীসকল। (এই আলোচনাত প্ৰকৃত জ্ঞানান্বেষী সৎ ছাত্ৰ-ছাত্ৰীসকলক বাদ দিয়া হৈছে।) এই প্ৰসংগৰ প্ৰকৃত সদোত্তৰ পাবলৈ হ'লে স্বাভাৱিকতে শিক্ষা ব্যৱস্থাৰ ওপৰত চলি থকা বিৰ্তকিত আলোচনাসমূহকো লব লাগিব। "নকল—এটা সামাজিক সমস্যা," বুলি কোৱাৰ লগে লগে যি পদ্ধতিয়ে এই সমস্যা বহন কৰিছে তাৰো ব্যাপক আৰু সমাধানমূলক আলোচনা আৰু বিতৰ্কৰ প্ৰয়োজনীয়তা আহি পৰে। লগে লগে শিক্ষাবিভাগ সমূহৰ উৰ্দ্ধতম পৰ্য্যায়ত চলি থকা দুৰ্নীতিমূলক কাৰ্যকলাপ, পৰীক্ষাৰ ক্ষেত্ৰত অনিয়ম শিক্ষাদানৰ ক্ষেত্ৰত থকা আসোঁৱাহ সকলোখিনিৰ উপৰিও শিক্ষানুষ্ঠানসমূহত যি ৰাজনৈতিক আৰু প্ৰতিক্ৰিয়াশীল চক্ৰই গোপনে সক্ৰিয়ভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে তাৰো পৰ্যালোচনাৰ প্ৰয়োজন। বহুতো কাৰণত আজি নিষ্ঠাবান ছাত্ৰ-ছাত্ৰীৰ মাজত হতাশাই গা কৰি উঠিছে

আৰু দুস্কৃতিৰ কোবাল-সোঁতত পৰি নিজৰ অস্তিত্ব হেৰুৱাই হাহাঁকাৰ কৰিব লগা হৈছে। গতিকে ছাত্ৰ-ছাত্ৰী সকলৰ এচামৰ মনত বিক্ষোভৰ ভাৱ উদয় হৈছে; বিক্ষোভমূলক আচৰণ প্ৰদৰ্শন কৰিছে; কিন্তু সেয়া হ'লেও শৈক্ষিক বাতাবৰণৰ কোনো যোগাত্মক পৰিবৰ্তন দৃষ্টি গোচৰ হোৱা নাই। এই বিফলতাৰ মূলতে যি অদৃশ্য কাৰণ সেয়া ছাত্ৰসকলৰ একাংশই উপলব্ধি কৰিব পাৰিলেও প্ৰতিকাৰৰ কোনো ব্যৱস্থা নাই। অৱশেষত মৌনতা অৱলম্বন কৰিবলৈ তেওঁলোক বাধ্য হৈছে।

বিগত অসম আন্দোলনে ছাত্ৰ-ছাত্ৰীসকলৰ যি এক মেৰুদণ্ডহীন বিপ্লৱৰ মানসিকতা সৃষ্টি কৰি গ'ল সি বৰ্তমানলৈকে প্ৰতিক্ৰিয়া কৰি আছে আৰু যি এক বাতাবৰণ আমাৰ চৌপাশে গঢ়ি উঠিল সেই প্ৰতিক্ৰিয়াশীল বিপ্লৱ অদূৰ ভৱিষ্যতলৈকে চলি থকাৰ আশংকা আছে। ইয়াৰ প্ৰতিকাৰৰ চিন্তা এতিয়া কোনে কৰিব সেয়াহে আজিৰ চিন্তাৰ মূল বিষয়।

আমাৰ বিপ্লৱী ছাত্ৰ-ছাত্ৰী অধিকাংশৰ ক্ষেত্ৰতে বিপ্লৱ আৰু প্ৰগতিৰ যি ধাৰণা আছে সি আমাৰ বাবে শংকাৰ কাৰণ হৈ পৰিছে। অসম আন্দোলন এক প্ৰতিক্ৰিয়াশীল আন্দোলন আৰু ই এক ক্ষুদ্ৰ গণ্ডীৰ জাতীয়তাবাদী আবেগক উচটনি দি প্ৰকৃত বিপ্লৱৰ দৃষ্টি বিভ্ৰম ঘটোৱাৰ এক প্ৰয়াসহে আছিল, আজিও বহু তথাকথিত "অসমীয়া" মানসিকতাৰ ছাত্ৰই বুজিবলৈ চেষ্টা কৰা নাই। ছাত্ৰসমাজৰ এই প্ৰচলিত বিপ্লৱৰ সহজাত প্ৰবৃত্তিক উচটনি দিয়া লোকৰ অভাৱ নাই; ছাত্ৰসকলৰ মাজতে আজি প্ৰতিক্ৰিয়াশীল বিপ্লৱী, স্বাৰ্থান্ধ, লোভী আৰু ধূৰ্ত প্ৰকৃতিৰ যুৱক দেখা যায়, যিসকলে কেৱল নিজৰ অৰ্থনৈতিক লাভালাভৰ বাহিৰে আন কোনো কথাৰ প্ৰতি সচেতন নহয়। গতিকে এনে একশ্ৰেণী ছাত্ৰই আজি বেছিভাগ ছাত্ৰআন্দোলন বা বিক্ষোভ পৰিচালনা কৰিছে যি প্ৰকৃততে ধূৰ্ত লুণ্ঠনকাৰী শ্ৰেণীৰ অন্তৰ্ভূ'ক্ত বা সেই শ্ৰেণীৰদ্বাৰা পৰিচালিত। আনহাতে যিসকল সেই শ্ৰেণীৰ অন্তৰ্ভূ'ক্ত নহয় সিও শেষত আত্মসমৰ্পণ কৰিছে সেই শ্ৰেণীৰ ওচৰত।

আমাৰ ছাত্ৰ-ছাত্ৰী তথা বিগত অসম আন্দোলনৰ এটা শ্লগানৰ মূল বক্তব্য আছিল অসমক শোষণ কৰা হৈছে। এয়া সঁচা কথা যে অসম শোষিত, কিন্তু শোষণৰ বিপক্ষে সোচ্চাৰ সেই বিপ্লৱীসকলে শোষণ প্ৰতিৰোধ কৰা নাছিল, নিজকে প্ৰতিষ্ঠিত কৰাতহে ব্যস্ত হৈ পৰিছিল। আমাৰ বিপ্লৱীসকলে শোষণৰ বাবে ভাৰত চৰকাৰক দোষাৰোপ কৰি তীব্ৰ আন্দোলন গঢ়ি তোলাৰ সময়ত এই কথা হয়তো ভাবিব পৰা নাছিল যে "* আজি ভাৰতবৰ্ষৰ হৰ্তা-কৰ্তা বিধাতা হ'ল প্ৰচুৰ ধন-সম্পত্তিৰ মালিক টাটা-বিৰলা প্ৰমুখ ধনকুবেৰ গোষ্ঠী আৰু সিহঁতৰ তাবেদাৰ ৰাষ্ট্ৰ।" অসমীয়া মানুহৰ দুৰ্দশাৰ কাৰণ হিচাপে দ্বিতীয়তে চিহ্নিত কৰা হৈছিল "বহিৰাগতৰ" ষড়যন্ত্ৰ" ক। এনে সময়তে অসমৰ দৰিদ্ৰশ্ৰেণীৰ মানুহখিনিৰ লগত বহিৰাগত দৰিদ্ৰ শ্ৰেণীৰ সংঘাট চলি থকাত আমাৰ বুৰ্জোৱা নেতাসকলে এই পুঁজিপতিসকলৰ পৰা সকুসুৰা সুবিধা আদায় কৰি তেনেকৈয়ে চলি থাকিল। আমাৰ যুৱসমাজে বিপ্লৱৰ নামত যি নেতিবাচক দিশ অনুসৰণ কৰি আগবাঢ়ি গ'ল ইয়াৰ সফলতা হৈ পৰিল সুদূৰ পৰাহত। আমাৰ বিপ্লৱী যুৱছাত্ৰৰ ব্যক্তিত্বকে ই পঙ্গু কৰি পেলালে। "** ব্যক্তিত্বৰ পঙ্গুকৰণেই মোৰ বোধেৰে পুঁজিবাদৰ আটাইতকৈ দাৰুণ দুস্কৃতি। ই আমাৰ সমগ্ৰ শিক্ষাব্যৱস্থাটোকে ক্ষতিগ্ৰস্ত কৰিছে; মাত্ৰাধিক প্ৰতিদ্বন্দিতা মনোবৃত্তি এটা ছাত্ৰ-ছাত্ৰীৰ মনত কুই দি

---

* ড° হীৰেণ গোঁহাই, সাহিত্য আৰু চেতনা।

** এলবাৰ্ট আইনষ্টাইন, সমাজবাদ কিয়?

ভৱিষ্যত উন্নতিৰ প্ৰস্তুতি স্বৰূপে আক্ৰোহী সাফল্যক ভজনা কৰাৰ প্ৰশিক্ষণ দিছে ”। এনেদৰে ছাত্ৰ-ছাত্ৰীসকলৰ বিপ্লৱৰ গতিপথক দুটা দিশৰ পৰা বিচ্যুত কৰি এফালেদি অসামাজিক প্ৰবৃত্তিৰ আৰু আনফালেদি প্ৰতি-ক্ৰিয়াশীল আৰু স্বাৰ্থবাদী কৰি তোলা হৈছে।

আচলতে এই সকলোবোৰৰ মূলতে আমাৰ বিপ্লৱী মনোভাবাপন্ন ছাত্ৰ-ছাত্ৰীসকলৰ বিপ্লৱৰ সম্পৰ্কে অপৰিপক্ক আৰু তুলুঙা ধাৰণা, নৈতিক দৃঢ়তা, সততা আৰু সাহসৰ অভাৱ আৰু এই প্ৰতিক্ৰিয়াশীল চক্ৰান্তসমূহৰ বিষয়ে নিতান্ত অজ্ঞতা। যুৱছাত্ৰ মানেই প্ৰগতিশীল হ'ব নোৱাৰে; এয়া আমাক বাস্তৱে নিভুঁলভাৱে দেখুৱাই দিলে। কিন্তু এই সকলোবোৰৰ পৰা হোৱা আটাইতকৈ ডাঙৰ আৰু সাধিব নোৱাৰা ক্ষতিটো হ'ল আমাৰ শৈক্ষিক অৱস্থাৰ নিকৰুণ বিফলতা। ছাত্ৰসকল আকৌ পিচুৱাই গ'ল বহুদূৰ-বহুত পাছলৈ। বৌদ্ধিক দিশত আজি আমাৰ ছাত্ৰসমাজে এবাৰ পুনৰ বিবে-চনা কৰিবৰ হ'ল এতিয়া কি বিপ্লৱ কৰাটো উপযুক্ত হ'ব।

লগতে সামান্যভাৱে আলোকপাত কৰাতো যুগুত হ'ব যে বৰ্তমান অসমৰ বুকুত দ্বিতীয় পৰ্য্যায়ত আলফাৰ উত্থানে বহুতো ছাত্ৰৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু বহুতো জড়িত হৈ পৰিছে। কিন্তু বিপ্লৱৰ আদিপাঠ-কেই যি হৃদয়ংগম কৰিব নোৱাৰে সি তেনে বিপ্লৱত জপিয়াই পৰাতো সমিচীন নহয়। 'সমাজবাদ' গঠনৰ উদ্দেশ্য আৰু অসমীয়া জাতীয়তাবাদৰ যি অস্পষ্ট ব্যাখ্যা সি আজিও জনগণৰ বাবে অবোধ্য হৈ থকাৰ বাবে আৰু একাংশ 'মূলস্মৃতি'ৰ লগত মিলি যোৱাৰ পাছত এনে এক বৃহৎ উদ্দেশ্য আগত ৰাখি পৰি-চালনা কৰা বিপ্লৱৰ ফলাফল সময়েহে নিৰ্ণয় কৰিব। আজি বিশ্বৰ বুকুত প্ৰান্তে প্ৰান্তে চলি থকা সন্ত্ৰাসবাদী কাৰ্যকলাপসমূহৰ চৰিত্ৰ বিশ্লেষণ কৰিলে দেখা যায় যে বেছিভাগেই পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিৰ দ্বাৰা পৰিচালিত আৰু তৃতীয় বিশ্বৰ দেশসমূহতহে এনে অশান্তি অধিক হৈছে। শীতল যুদ্ধ অৱসান আৰু ছোভিয়েটৰ পতনৰ পাছত এতিয়া সাম্ৰাজ্যবাদৰ চকু এই তৃতীয় বিশ্বৰ দেশসমূহত প্ৰতিস্থাপিত হৈছে। অন্যহাতেদি একচেতিয়া পুঁজিৰ গৰাকী এই শক্তিসমূহে তৃতীয় বিশ্বৰ দেশসমূহৰ বাবে যি অৰ্থনৈতিক নীতি গ্ৰহণ কৰিছে; স্বাভাৱিকতে আজি বিপ্লৱৰ চিন্তাও নতুনকৈ আৰু ব্যাপকভাৱে নকৰিলে মুক্তিৰ মৰীচিকা খেদি দিক্‌হাৰাহে হ'ব লাগিব। গতিকে যিসকলে প্ৰকৃতাৰ্থত বিপ্লৱ কৰিবলৈ আগবাঢ়ি গৈছে তেওঁলোকেও বিশ্বৰ ৰাজনৈতিক সন্ত্ৰাসবাদ আৰু ছদ্মবেশী সমাজবাদী বিপ্লৱীসকলৰ পৰা সতৰ্ক থাকিব লাগিব। "*তেওঁলোকৰ স্থান বিশেষে সমাজ-বাদী ৰূপ ধাৰণ কৰে।" গতিকে আজি এই বিপ্লৱবোসময়ত স্বনিয়ন্ত্ৰণৰ কথা ভবাৰ লগে লগে বিশ্বৰ সেই বৃহৎ শক্তিসমূহ আৰু সিবিলা-কৰ ক্ৰুৰতাৰ বিষয়ে বিতংভাৱে নজনাকৈ বিপ্লৱৰ পথ ললে অৱশেষত ই কি ৰূপ লয় চিন্তাৰ বিষয়। সেই বৃহৎ শক্তিসমূহৰ বাবে "**হিংসা উগ্ৰতা জীৱনৰ এক স্বাভাৱিক অংগ হৈ পৰিছে, পশ্চিমীয়ালোকৰ মানসি-কতাৰ মাজত দৃঢ়ভাৱে ইয়াক ৰোপন কৰা হৈছে।" আজি এই বিপ্লৱৰ পথত ভৰি দিয়াৰ লগে লগে এই সকলো দিশসমূহ চালি জাৰি চাবই লাগিব। অন্যথাই পিছলৈ নিজেই দিক্‌ভ্ৰান্ত হ'ব লাগিব।

দেশৰ স্বনিয়ন্ত্ৰণৰ চাবিকাঠি হ'ল উচ্চস্তৰৰ বৌদ্ধিক বিকাশ। ইয়াৰ অবিহনে স্বনিয়ন্ত্ৰণ অৰ্থহীন। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে বিপ্লৱ কৰিব লাগিব অধ্যয়ণ, জ্ঞান আহৰণ আৰু সকলো স্তৰৰ বৌদ্ধিক বিকাশ আৰু পাৰদৰ্শিতাৰ মাজেদি। ছাত্ৰ-ছাত্ৰীসকলে

*চি, আই, এ,ৰ কাৰ্য্যকলাপ,
**ৰাজনৈতিক সন্ত্ৰাসবাদ : হেম শৰ্ম্মা।

বিপ্লৱ কৰক দেশৰ সমগ্ৰ জনগণক শিক্ষিত কৰি তোলাৰ বাবে। বিপ্লৱ কৰক আত্ম-বিকাশ আৰু বৌদ্ধিক প্ৰতিবন্ধকতা দূৰীকৰণৰ বাবে। বিশ্বৰ বৌদ্ধিক বিকাশ আৰু অগ্ৰগতিৰ লগত সমানে ফেৰ মাৰিব নোৱাৰিলে এসময়ত আমাৰ অস্তিত্বকে হেৰুৱাব লাগিব। আমি অধ্যয়ণ কৰিব লাগিব, কেৱল পাঠ্যপুথিয়েই নহয় বিশ্বৰ সমগ্ৰ ইতিহাস আৰু তাৰ পাছতে বাচি লব লাগিব জীৱন ধাৰণৰ পথ আৰু স্বনিয়ন্ত্ৰণৰ উপায়। আমাৰ শিক্ষাক উৎপাদন-মুখী কৰি তোলাৰ বাবে আমি বিপ্লৱ কৰিব লাগিব ; যি প্ৰকৃততে আমাক ভৱিষ্যত জীৱন ধাৰণৰ প্ৰৱল সংকটৰ পৰা পৰিত্ৰাণ কৰিব পাৰে। "*সমাজবাদৰ আচল আৰু নিভাঁজ লক্ষ্য যিহেতু লুণ্ঠণ পৰ্যায় অতিক্ৰম কৰি আগুৱাই যোৱা.........।" যিহেতু সেই পৰ্যায় এতিয়াও আহি পোৱা নাই, গতিকে এতিয়া আমাৰ বিপ্লৱী ছাত্ৰ বন্ধুসকলৰ বাবেও বৌদ্ধিক অনুশীলনৰহে সময়। ❁

*এলবাৰ্ট আইনষ্টাইন, সমাজবাদ কিয় ?

# প্ৰসংগ ঃ ড্ৰাগছ, নিচাযুক্ত দ্ৰব্য আদি ০০০

অনন্ত কুমাৰ দত্ত
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

[ "ভাবিলে পৰিহাস যেন লাগে, বিংশ শতিকাৰ শেষোৰ্দ্ধত বিজ্ঞানে যেনেকৈ অলৌকিকতা লাভ কৰিছে, তেনেদৰে ড্ৰাগছ নামৰ বিভীষিকাই মানৱ সমাজ বিশেষকৈ, যুৱ জগতত এটা ভয়ংকৰ ৰুগ্ন মানসিকতাৰ সৃষ্টি কৰিছে, যি সকলোৰে কাৰণে এটা ডাঙৰ প্ৰত্যাহ্বান স্বৰূপে পৰিগণিত হৈছে।"—সমকাল ]

নিচাযুক্ত দ্ৰব্য বা ড্ৰাগছৰ প্ৰচলন আৰু সেৱনৰ প্ৰতি বৃদ্ধি পাব ধৰা আসক্তিয়ে আজি বিশ্ববাসীক চিন্তাগ্ৰস্ত কৰি তুলিছে। একবিংশ শতিকাত খোজ পেলোৱাৰ প্ৰাগ-মুহূৰ্ত্তত ই এক ভয়ংকৰ সামাজিক ব্যাধিৰূপে পৰিলক্ষিত হৈছে। ড্ৰাগছৰ অবৈধ চোৰাং ব্যৱসায় আৰু প্ৰচলন ক্ৰমাগত ভাৱে বৃদ্ধি পোৱা আৰু ইয়াৰ সৈতে জড়িত এইড্‌ছৰ নিচিনা দুৰাৰোগ্য ব্যাধিৰ প্ৰসাৰে আমাৰ সামাজিক জীৱনত যি প্ৰলয়ংকাৰী ধুমুহাৰ সৃষ্টি কৰিছে, তাক কোৱাৰ কোনো প্ৰয়োজন নাই। অসাৱধানতাৰ ফলশ্ৰুতিত বিপথগামী একো একোজনৰ জীৱন ধ্বংসমুখী হোৱাৰ লগতে সামাজিক আৰু জাতীয় জীৱনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হোৱা দেখা যায়। এনেবোৰ জীৱন ধ্বংসী দ্ৰব্য সেৱনত আসক্ত হৈ ক'তজনৰ সোণৰ সংসাৰ চাৰখাৰ হ'বলগীয়া হৈছে, ক'তজনৰ সুন্দৰ ভৱিষ্যত অকালতে মৰহি গৈছে, ক'তজনৰ প্ৰতিশ্ৰুতি আৰু উজ্জ্বল সম্ভাৱনা অসময়তে নিঃশেষ হৈ গৈছে, সেই পৰিসংখ্যা গণনা কৰাটো এক ধৃষ্টতা মাথোন।

ড্ৰাগছ আসক্তি এটা আন্তৰ্জাতিক ব্যাধি সঁচা কথা। কিন্তু পাঁচ হেজাৰ বছৰীয়া ঐতিহ্যমণ্ডিত কৃষ্টি-সংস্কৃতি আৰু সভ্যতাৰ ভেটিত আধুনিক জ্ঞান-বিজ্ঞানত বিশ্বৰ সকলোৰে লগত ফেৰ মাৰিবলৈ সক্ষম হোৱা ভাৰতবৰ্ষ, যদি ক্ৰমাৎ বাঢ়ি অহা ড্ৰাগছ আসক্তিৰ মানসিকতাৰ আগত মূৰ দোৱাবলগীয়া অৱস্থা হয়, তেন্তে একালত সভ্যতাৰ উচ্চ শিখৰত বিৰাজমান কৰা আমাৰ পৰম্পৰা, ধূলিসাৎ হৈ পৰিব। আমাৰ দেশৰ নিচিনা এখন সু-প্ৰাচীন মহান দেশৰ ভৱিষ্যত বংশধৰ সকল তথা যুৱ সমাজ, ইয়াৰ নিষ্ঠুৰ কবলত কিয় পৰিছে বা পৰিবলগীয়া হৈছে; সেইটো বিচাৰ-বিশ্লেষণ আৰু সমাধানৰ পথৰ ইংগিত দিব পাৰিব মাথো সমাজ বিজ্ঞানীসকলেহে। কি হৈছে, কিহৰ কাৰণে আমাৰ উঠি অহা যুৱশক্তিয়ে এই আত্মঘাটী নিচাৰ কৱলত পৰি এটা জীৱন বা এটা পৰিয়াল তথা সমাজ ধ্বংস কৰিবলৈ উদ্যত হৈছে?

তেওঁলোকে কি পোৱা নাই ; কিহৰ অভাৱ তেওঁলোকৰ ; যাক অন্য সৎউপায়েৰে পূৰণ কৰিব নোৱাৰি ; ড্ৰাগছৰ আশ্ৰয়ত সেই অভাৱ পূৰণ কৰাৰ প্ৰৱণতা বাঢ়ি আহিছে ? এই সকলোবিলাকৰ কাৰণ আৰু ইয়াৰ সমাধান, আমি ইয়াত আপোনাসবৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিম ।

বৰ্তমান আমাৰ দেশৰ যুৱক-যুৱতী-সকলৰ জীৱনলৈ কালান্তক ধুমুহাস্বৰূপে আগমন হোৱা ড্ৰাগছ হ'ল মূলতঃ ঔষধ । শৰীৰটো সুস্থ আৰু সবল কৰাত বিশেষ ভূমিকা লোৱা, এইবোৰ ঔষধৰ প্ৰয়োগে দেহ-মনত এক ৰাগী লগায় । সেয়েহে, এই-বোৰক মাদক দ্ৰব্য বোলে । ঔষধী মাদক পদাৰ্থবোৰৰ উৎপত্তি, উপযোগ, অপপ্ৰয়োগ আদিৰ বিষয়ে, সকলোৰে সাধাৰণ অনু-সন্ধিৎসু মন থকাটো স্বাভাৱিক । ৰাসায়নিকেই হওক বা প্ৰাকৃতিকেই হওক, যি পদাৰ্থই জীৱিত প্ৰাণীৰ দেহত মাদকতা উৎপন্ন কৰি শাৰী-ৰিক মানসিক পৰিবৰ্ত্তন সাধন কৰে সেই পদাৰ্থকেই মাদক পদাৰ্থ আখ্যা দিয়া হয় । এনে পদাৰ্থ ৰাসায়নিক প্ৰকৃতি তত্বৰ পৰা গঠন প্ৰক্ৰিয়া সলনি হৈ অনুভূতি চেতনা, মানসিক তথা শাৰীৰিক ক্ষেত্ৰত ক্ৰিয়া কৰিলে তাক ঔষধী মাদক দ্ৰব্য বুলি শ্ৰেণীভুক্ত কৰা হয় ।

উৎপত্তি আৰু প্ৰভাৱৰ আধাৰত ভিত্তি কৰি, মাদক পদাৰ্থক তিনিভাগত ভগাব পাৰি ক) প্ৰাকৃতিক, খ) চেমি-চিনথেটি্ক আৰু গ) চিনথেটি্ক ।

**ক) প্ৰাকৃতিক ঃ** প্ৰাকৃতিক মাদক পদাৰ্থ সাধাৰণতে কৃষিৰ দ্বাৰা উৎপন্ন হয় । এই বিভাগত আফিং, কোকেন, ভাং, মেস্কেতাইন, চাইলোকেবিন আদি ধৰা হয় । কোনো কোনোৱে লাইচেঞ্চ লৈ ইয়াৰ খেতি কৰে ।

**খ) চেমি-চিনথেটি্ক ঃ** ইয়াৰ মূল আধাৰ প্ৰাকৃতিক হ'লেও; ইয়াক উৎপাদনৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰাই যত্ন ল'ব লাগে । মৰফিন, হেৰোইন, কোডিন আদি এই ভাগত পৰে ।

**গ) চিনথেটি্ক ঃ** ইয়াক ৰাসায়নিক প্ৰ-ক্ৰিয়াৰ দ্বাৰা প্ৰস্তুত কৰা হয় । বাৰবুয়ুচৰিত এমিফট'মিন, এল-এচ-ডি আদি এই শ্ৰেণীত পৰে ।

আকৌ, মাদক পদাৰ্থই শৰীৰত কৰা প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰি তিনিভাগত ভগাব পাৰি । যেনে— ১) অৱসাদক ২) উত্তেজক আৰু ৩) ভ্ৰান্তিমূলক ।

**ক) অৱসাদক ঃ** ইয়াৰ অন্তৰ্ভুক্ত আফিং, মৰফিন, হিৰ'ইন, কোডিন, বাৰবুয়ুচৰিত আৰু অন্য স্নায়ুৰ উত্তেজনা, উপশমক পদাৰ্থসমূহে উদাসীনতা, শিথিলতা, নিদ্ৰা, কথাৰ লাগ-বান্ধ নথকা আদি বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে ।

**খ) উত্তেজক ঃ** কোকেন, এমিফট'মিন আদি মাদক দ্ৰব্যই শৰীৰত উত্তেজনা আৰু স্ফুৰ্ত্তিৰ সৃষ্টি কৰে ।

**গ) ভ্ৰান্তিমূলক ঃ** মানসিকতাক, অবাস্তৱিক বস্তু তথা স্থিতিৰ অনুভূতি যোগায় । ইয়াৰ ভিতৰত নেস্কেটন, মৰফিং, প্লোৰিচিডছ, ডি-এম-চি, ডি-ই-চি, এন-এচ-চি তথা ডি-অ'-এম উল্লেখযোগ্য ।

ড্ৰাগছ কওঁতে সহজ যেন লাগিলেও ড্ৰাগছ তৈয়াৰী হওঁতে এটা জটিল প্ৰক্ৰিয়াৰ মাজেদি অতিক্ৰম কৰি আহিব লগীয়া হয় । কেঁচা আফিঙৰ পৰা হিৰ'ইন কেনেদৰে তৈয়াৰ কৰা হয়, তাৰ স্তৰবিলাক তলত দেখুৱাৰ প্ৰয়াস কৰা হৈছে ।

কেঁচা আফিং
( তিয়াই পৰিশোধন কৰি )
↓

↓

মৰফিনৰ আদি পৰ্ব

↓

এচেটেইলেচন, তপতাই আকৌ পৰিশোধন কৰা।

↓

সুৰাসাৰ, এঙাৰ আৰু এচিটু'নেৰে গৰম কৰি, আকৌ পৰিশোধন কৰা।

↓

তাৰপাছত শুকাই গুৰি কৰা

↓

খাঁটি হিৰ'ইন।

ওপৰত বিভক্ত কৰা মাদক দ্ৰব্যবোৰৰ ভাগবিলাকৰ তলত চমুকৈ আভাস দিয়া হৈছে।

**প্ৰাকৃতিক ঔষধী মাদকদ্ৰব্য ঃ**

**আফিং ঃ** ভাৰতত যথেষ্ট পৰিমাণে উৎপাদন হোৱা, চিকিৎসাসেৱা তথা ঔষধ নিৰ্মাণত ইয়াৰ ব্যৱহাৰ গুৰুত্বপূৰ্ণ। আফিং "পোপী" নামৰ এবিধ গছৰ পৰা সংগ্ৰহ কৰা হয়। ই প্ৰায় চাৰিফুট ওখ। গোটেই বিশ্বত ইয়াৰ বৈধ উৎপাদন বাৰ্ষিক প্ৰায় ১,২০০ টন; যদিও অবৈধভাৱে ইয়াৰ উৎপাদন বহু বেছি বুলি অনুমান কৰা হৈছে। ইয়াক পৰিষ্কৃত ৰূপত ঔষধ হিচাবে প্ৰয়োগ কৰা হয়। নিচাত অভ্যস্তসকলে, ইয়াক ধূমপান, তামোল আদি বিভিন্ন বস্তুৰ মাধ্যমেৰে সেৱন কৰে।

**মৰফিন্ ঃ** আফিঙক ৰাসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰা পৰিৱৰ্ত্তন কৰি মৰফিন প্ৰস্তুত কৰা হয়। ই বগা, হালধীয়া আৰু পাতল অথবা ক'লা বৰণৰ পাউদাৰ আৰু ক্ষীণ এচিডগোন্ধযুক্ত। ইয়াক কেপচুল আৰু টেবলেটৰ ৰূপত পোৱা যায়।

**হিৰ'ইন্ ঃ** মৰফিনক ৰাসায়নিক পৃৰিৱৰ্ত্তন ঘটাই হিৰ'ইন সৃষ্টি কৰা হয়। ই গন্ধহীন আৰু ইয়াক বগা, হালধীয়া, মটীয়া আৰু পাতল ক'লা ৰঙৰ পাউদাৰৰ ৰূপত পোৱা যায়। ইয়াৰ লগত চোৰাং বেপাৰীয়ে, কাষ্টিক চ'ডা, গ্লুক'জ, কুইনাইন আৰু চেনি মিহলাই 'হোৱাইট স্তফ', 'স্মেক' আৰু 'ব্ৰাউন চু'গাৰ' নামেৰে নামাকৰণ কৰি আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰচলন কৰে।

**কোডিন ঃ** মৰফিনক ৰাসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰা বিঘটন ঘটাই কোডিন প্ৰাপ্ত কৰা হয়। ইয়াক ইন্‌জেকচন অথবা মুখেৰে গ্ৰহণ কৰা হয়।

**কোকেন ঃ** কোকেন 'কোক' নামৰ গছৰ পৰা সংগ্ৰহ কৰা হয়। 'কোক' গছৰ পাতবিলাক 'হাইড্ৰ'ক্লৰিক' এচিড'ৰ সহায়ত ৰাসায়নিক প্ৰক্ৰিয়াৰে বিঘটন ঘটাই কোকেন সৃষ্টি কৰা হয়। ইয়াক আসক্তসকলে সেৱন অথবা ইনজেক্‌চনৰ দ্বাৰা পুচ্ কৰি গ্ৰহণ কৰে। ইয়াক স্নো, হেপ'ডষ্ট, স্পীড ব্লাছ, বৰলিচ গ'ল্ড আদি উপনামেৰে জনা যায়।

**গাঞ্জা ঃ** এবিধ জোপোহা গছৰ পৰা প্ৰাপ্ত এইবিধ দ্ৰব্যক ইণ্ডিয়ান হেম্প, কেনিবিচ, ষ্টাইবা, মেৰিজুৱেণা আদি উপনামেৰে জনাজাত। ইয়াৰ পৰা গাঞ্জা, ভাং, চৰচ মাদক দ্ৰব্য উৎপাদন কৰা হয়।

**ৰাসায়নিক চিনথেটিক মাদকদ্ৰব্য ঃ**

আফিঙৰ আধাৰত নিৰ্মিত কিছুমান ৰাসায়নিক চিনথেটিক মাদকদ্ৰব্য হ'ল ডেক্সট্ৰি, মোৰেমেড, মেথ'ডোনে, নোৰমিথেডীৰ, পেথিডোন, বাৰবুয়ুচৰেটচ, মেনডৰেক্স আদি। ইয়াক পৰীক্ষাগাৰত ৰাসায়নিক প্ৰক্ৰিয়া তথা ৰাসায়নিক তত্বৰ আধাৰত নিৰ্মাণ কৰা হয়। ইয়াক টেবলেট আৰু কেপচুলৰ পোৱা যায়।

চিকিৎসকৰ অনুমোদনক্ৰমে ইয়াক ফাৰ্মাচীৰ পৰা ক্ৰয় কৰিব পাৰি। আফিঙৰ পৰা নিৰ্মিত হোৱা সকলো চিনথেটিক মাদকদ্ৰব্য অৱসাদক আৰু ইয়াৰ ভিতৰত নিচাত অভ্যস্তসকলে বাৰবুয়ুৰেটচ অধিক অপপ্ৰয়োগ কৰে। ইয়াক মুখেৰে বা ইনজেক্চনৰ দ্বাৰা পুচ্ কৰি প্ৰয়োগ কৰা হয়।

### উত্তেজক চিনথেটিক মাদকদ্ৰব্য :

উত্তেজক চিনথেটিক মাদকদ্ৰব্যৰ ভিতৰত এমিফেট'মিন উল্লেখযোগ্য। কৃত্ৰিম উপায়েৰে প্ৰস্তুত কৰা এইবিধ মাদকদ্ৰব্য টেবলেট আৰু কেপচুলৰ ৰূপত পোৱা যায়। ইয়াৰ অপ-প্ৰয়োগ ছাত্ৰ-ছাত্ৰী, খেলুৱৈ, ড্ৰাইভাৰ আদিৰ মাজত অধিক দেখা যায়। এইবিধ দ্ৰব্যই আসক্তসকলৰ মনত স্ফুৰ্তি আৰু দৃঢ়তা উৎপন্ন কৰে। ই বেনিজ, পেপ্‌পিন্স. পিচেজ, হৰ্টচ, ক্ৰিষ্টল নামেৰেও জনাজাত।

### ভ্ৰান্তিমূলক চিনথেটিক মাদকদ্ৰব্য :

ভ্ৰান্তিমূলক চিনথেটিক মাদকদ্ৰব্যৰ ভিতৰত ডি, এম, চি ; ডি, ই, টি ; এল,এচ,ডি ; ডি, অ', এম আদি উল্লেখযোগ্য। বিশ্বৰ যিমানবোৰ অবৈধ পৰীক্ষাগাৰত মাদকদ্ৰব্য নিৰ্মিত হয়, তাৰ অধিকাংশই ৰাসায়নিক তত্বৰ আধাৰত নিৰ্মিত ভ্ৰান্তিমূলক কৃত্ৰিমভাৱে তৈয়াৰ কৰা মাদকদ্ৰব্য।

তেনে এবিধ অতি মাৰাত্মক চিনথেটিক দ্ৰব্য হ'ল এল, এচ, ডি। ৰাসায়নিক প্ৰক্ৰিয়াৰে নিৰ্মিত এইবিধ পদাৰ্থৰ বেছিভাগেই অবৈধ-ভাৱে উৎপাদন কৰে। ল'ৰেজিক এচিড, এৰাগোটেমাই টাৰটৰেট, নাইট্ৰ'জিন, ডাই-মেথেল ফ্ৰোৰমেড, ডাইথল ফোৰহেমাইড আদি ৰাসায়নিক তত্বৰ আধাৰত এল, এচ, ডি নিৰ্মিত হয়। ই গোন্ধহীন, স্বাদহীন আৰু ৰংবিহীন পদাৰ্থ। ইয়াক পাউদাৰ, টেবলেট আৰু তৰলৰূপত পোৱা যায়। ই ইমান শক্তিশালী যে ১ গ্ৰাম এল, এচ, ডিৰ পৰা দহহাজাৰ ডোজ তৈয়াৰ কৰিব পাৰি। ইয়াক সেৱন অথবা ইনজেক্চনৰ দ্বাৰা পুচ কৰি আমাৰ দেহত প্ৰবেশ কৰোৱা হয়।

যি সময়ত ড্ৰাগছ নামৰ মাৰাত্মক বিভীষিকাই সমগ্ৰ বিশ্বৰ যুৱশক্তিৰ ভেঁটি কঁপাই তুলিছে, সেইসময়ত ভাৰততো ড্ৰাগছ সেৱন এক গুৰুত্বপূৰ্ণ সমস্যাৰূপে থিয় দিছে। চোৰাং ড্ৰাগছ ব্যৱসায়ৰ দুটা মূলকেন্দ্ৰ ব্ৰহ্মদেশ আৰু থাইলেণ্ডক লৈ গঠিত 'সোণালী ত্ৰিভুজ' বা "গ'ল্ডেন ট্ৰায়েংগল" আৰু আফগানিস্তান ইৰাণ, ইৰাক আদি দেশক লৈ "সোণালী অৰ্দ্ধচন্দ্ৰ" বা "গ'ল্ডেন ক্ৰিচেণ্ট"ৰ মাজত আমাৰ দেশ অৱস্থিত হোৱা বাবে, ইয়াত ড্ৰাগছৰ চোৰাংব্যৱসায়ৰ কুদৃষ্টি পৰিছে। আনহাতে চুবুৰীয়া পাকিস্তানত অত্যধিক চোৰাং ব্যৱ-সায়ী থকাত আৰু পঞ্জাৱৰ সন্ত্ৰাসবাদীসকলৰ লগত সহযোগ থকাৰ কাৰণে, আমাৰ দেশ ড্ৰাগছৰ ৰম্যভূমিত পৰিণত হৈ পৰিছে। আমাৰ দেশৰ মহানগৰসমূহ ড্ৰাগছৰ কবলত পৰি অত্যন্ত ভুখলগাকৈ ক্ষতিগ্ৰস্ত হৈছে, যাৰ ফল আমি সৰ্বসাধাৰণ জনগণে ভোগ কৰিব লগা হৈছে।

এইবাৰ আমি প্ৰবেশ কৰো "ড্ৰাগছ সেৱী"ৰ জগতখনত, য'ত নেকি ড্ৰাগছ ভক্ত-সকলে ড্ৰাগছৰ মায়াজালত বন্দী হৈ মৃত্যুৰ ক্ষণ গণিব ধৰিছে। কোৱা বাহুল্য যে সাধাৰণ মানুহৰ দৈনন্দিন জীৱনধাৰাৰ সৈতে ড্ৰাগছ ভক্তসকলৰ জীৱনধাৰাৰ এক লেখত ল'বলগীয়া ব্যৱধান দেখিবলৈ পোৱা যায়। কোনো ড্ৰাগছ সেৱীৰ শৰীৰত কেতবোৰ লক্ষণে দেখা দিয়ে, যিবোৰে তেওঁক সাধাৰণ মানুহতকৈ পৃথকভাৱে চিনাক্ত কৰাত সহায় কৰে। সেই লেখতল'বলগীয়া লক্ষণবিলাক হ'ল —

(১) পঢ়া-শুনা আৰু দৈনন্দিন কাম-কাজৰ প্ৰতি মন-কাণ কমি যোৱা আৰু তুলনা-মূলকভাৱে বেয়া ফলাফল দেখুওৱা

(২) খেলা-ধূলা আৰু আন বাহিৰা কামৰ প্ৰতি আগ্ৰহ কমি যোৱা

(৩) সজাগ আৰু ফূৰ্তিমনৰ পৰা হঠাৎ বিষাদ আৰু ভাবুক প্ৰকৃতিৰ হৈ পৰা

(৪) একাকীত্বৰ প্ৰতি বাসনা ; 'বাথৰূম' আৰু 'টয়লেট'ত অত্যাধিক সময় কটোৱা

(৫) অদ্ভূত ভাৱধাৰাৰ প্ৰতি প্ৰভাৱিত হোৱা

(৬) ঘৰত কাগজৰ সৰু-সৰু টুকুৰা, কাৰ্ডবৰ্ডৰ টুকুৰা, পোৱা ফইল **(silver foil)** আদিৰ প্ৰাচুৰ্য্য

(৭) স্কুল-কলেজ বা অফিচ আদিত উপস্থিতি অনিয়মীয়া

(৮) ঘৰৰ পৰা মূল্যবান সা-সামগ্ৰী, অপ্ৰ-ত্যাশিতভাৱে অন্তৰ্ধান হোৱা

(৯) অকলশৰীয়াকৈ নিজানত থাকি সময় কটাই বহি থকা ইত্যাদি

এই ড্ৰাগছপ্ৰেমীসকলৰ মানসিক পৰিবৰ্তনৰ লগেলগে, কিছুমান শাৰীৰিক পৰিবৰ্তনো দেখিবলৈ পোৱা যায়। এই শাৰীৰিক পৰিবৰ্তনবোৰ তলত উল্লেখ কৰা হ'ল —

(১) চকু ৰঙা হোৱা আৰু চকুৰ গুৰি ফুলি উঠা

(২) কথা কওঁতে জিভা দোৰোল খোৱা

(৩) খোজ-কাটল থৰক-বৰক হোৱা

(৪) ভোক আৰু ওজন কমি যোৱা

(৫) উশাহ-নিশাহ আৰু পিন্ধি থকা কাপোৰ-কানিৰ পৰা অদ্ভুত গোন্ধ ওলোৱা

(৬) নিজৰ সাজ-পাৰ আৰু পৰিষ্কাৰ-পৰি-চ্ছন্নতা সম্পৰ্কে উদাসীনতা

(৭) ওকালি অহা আৰু বমি কৰা

(৮) শৰীৰত অসহ্য বিষ হোৱা

(৯) শৰীৰটো বৰকৈ ঘমা

(১০) শৰীৰত অসংখ্য বেজীৰ খোচ থাকিলে

ওপৰৰ লক্ষণবিলাক যদি কোনো এজন মানুহৰ গাত পৰিস্ফুত হৈ উঠে, তেন্তে আমি তেওঁক এজন "ড্ৰাগছ এডিক্ট" বুলি জানিব লাগিব।

যোৱা তিনি-চাৰি দশকৰ পৰা সমাজত দেখা দিয়া ড্ৰাগছ সেৱনৰ প্ৰৱণতাই আমাৰ বাবে ভাবুকিস্বৰূপ হৈ পৰিছে। ড্ৰাগছ সেৱনৰ প্ৰৱণতাই আজি গোটেই বিশ্বৰ যুৱ চামটোকহে বেছিকৈ আকৃষ্ট কৰা দেখা গৈছে। ড্ৰাগছ সেৱন এটা বদ অভ্যাস। ড্ৰাগছ কোনো বেমাৰৰ ঔষধ বা পৰিত্ৰাণৰ উপায় নহয়। মনৰ উৎসুকতা বা ক্ষন্তেকীয়া আনন্দ লাভৰ বাবে, প্ৰথমতে ড্ৰাগছ সেৱন কৰা দেখা যায়, যদিও পিছত ই সেৱনকাৰীৰ বাবে এটা এৰাব নোৱাৰা অভ্যাসত পৰিণত হয়। 'ড্ৰাগছ নিৰ্ভৰশীল' ব্যক্তিসকলৰ শাৰীৰিক আৰু মানসিক অৱস্থাই তেওঁলোকৰ চৰিত্ৰৰ এনে কিছুমান ব্যৱহাৰ আনি দিয়ে, যাৰফলত প্ৰত্যেকদিনে বা কিছুদিনৰ অন্তৰে অন্তৰে ড্ৰাগছ নাখালে উন্মাদপ্ৰায় হৈ পৰে। ইয়াৰ কাৰণ

হ'ল, ড্ৰাগছ নিৰ্ভৰশীল ব্যক্তিসকলৰ দেহত থকা জীৱিত কণা আৰু ড্ৰাগছৰ মাজত হোৱা প্ৰতিক্ৰিয়া। বিবিধ মাদক দ্ৰব্যৰ ভিতৰত 'স্মেক' লোৱা মানুহৰ সংখ্যাই অত্যাধিক। কাৰণ ইয়াক অতি সহজেই ক্ৰয় কৰিব পাৰি। 'স্মেক' ইমানেই মাৰাত্মক যে কেৱল ৩/৪ দিন সেৱন কৰাৰ পিছতে ই মানুহক বশ কৰি পেলায়। বৰ্তমান ভাৰতবৰ্ষত নিচাৰ জগতত সকলোতকৈ বেচি ভয়ানক ৰূপ ধাৰণ কৰিছে এই 'স্মেক' নামৰ নিচাটোৱে। ব্ৰহ্মদেশৰ পৰা মনিপুৰ হৈ অসমত সোমাই গোটেই পূৱ-প্ৰান্ততে ই বিস্তাৰ লাভ কৰিছে। অসমৰ উঠি অহা ডেকাচামৰ এক বৃহৎ সংখ্যকে এই স্মেকৰ কৱলত পৰি ককবকাই ফুৰিছে। ই আমাৰ দেহৰ হাওঁফাওঁ, হৃদপিণ্ড, কিডনি, প্লীহা আৰু মাংসপেশীত কেন্দ্ৰীভূত হৈ, অংগবোৰক ক্ৰমাগতভাৱে অকামিলা কৰে।

এফালে যেনেকৈ, মাদকদ্ৰব্য ঔষধৰ ৰূপত আধুনিক চিকিৎসা বিজ্ঞানক প্ৰভাৱিত কৰিছে; আনফালে ইয়াৰ অভ্যাসবশতঃ উপযোগে আমাৰ মাজত সংকটৰ সৃষ্টি কৰিছে। শল্য ক্ৰিয়া আৰু মনঃ চিকিৎসাৰ বাহিৰেও কেন্সাৰ, হৃদৰোগ তথা মগজু আদিৰ ৰোগতো চিকিৎসাৰ বাবে কিছুমান ড্ৰাগছ অতীৱ প্ৰয়োজনীয়। ঔষধৰ ৰূপত গোটেই বিশ্বতে অতীৱ প্ৰয়োজন থকা এই ড্ৰাগছসমূহৰ অবাঞ্চনীয় উপযোগে মানৱজাতিক ধ্বংসৰ মুখলৈ ঠেলি নিছে। জাতিসংঘৰ এখনি ঘোষণাপত্ৰত কোৱা হৈছে — "চিকিৎসা বিজ্ঞানত ড্ৰাগছৰ ব্যৱহাৰ অপৰিহাৰ্য্য, কিন্তু ইয়াৰ প্ৰতি থকা আসক্তি মানৱজাতিৰ কাৰণে এটা অৰ্থনৈতিক আৰু সামাজিক অভিশাপ।"

এতিয়া এই ড্ৰাগছ সেৱনকাৰীসকলক কেনেকৈনো চিকিৎসা কৰা হয় তাৰ থূলমূল আভাস এটা দাঙি ধৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিম। এই ড্ৰাগছ সেৱনকাৰীসকলক চিকিৎসা কৰোতে মূলতঃ তিনিপ্ৰকাৰৰ ব্যৱস্থা লোৱা হয়। প্ৰাথমিক পৰ্য্যায়ত ড্ৰাগছ সেৱন কৰাটো বন্ধ কৰোৱা আৰু তাৰপাছত চিকিৎসা বিজ্ঞানৰ দ্বাৰা দেহৰপৰা অপসাৰিত কৰা বা বিশেষ এন্টিট'টৰ দ্বাৰা শৰীৰত জমা হৈ থকা অতিৰিক্ত ড্ৰাগছসমূহ নিউট্ৰেলাইজ কৰা হয়। এই চিকিৎসা পদ্ধতিত দেখা দিয়া অসুবিধাটো হ'ল ড্ৰাগছ এৰাৰ পিছত দেখা দিয়া চিনড্ৰ'ম। ড্ৰাগছ সেৱনকাৰীসকলে হঠাতে ড্ৰাগছ এৰি দিলে দেখা দিয়া লক্ষণসমূহ হ'ল— অস্থিৰতা, উদ্বিগ্নতা, ওঁঠ আৰু পেটৰ বিষভাৱ আৰু ডায়েৰীয়া হোৱা ইত্যাদি। ইয়াৰ চিকিৎসা হয় বিভিন্ন ধৰণৰ ট্ৰেনকুইলিজাৰ, চাইক'ট্ৰ'পিক, ঔষধৰ দ্বাৰা; যেনে— ক্ল'ৰ'প্ৰ'মেজিন, থিৰ'-জিজিন, ফিচেপ'ট'ন, মেথ'দম ইত্যাদি।

এই দৰবসমূহে মানসিক দুঃচিন্তা, অস্থিৰতা আদি কমায়। মানসিক অৱস্থা আৰু বুদ্ধি উন্নত কৰাৰ কাৰণে কিছুমান ঔষধ ব্যৱহাৰ কৰা হয়। প্ৰথম পৰ্য্যায়ৰ চিকিৎসা হ'ল — "ডেট'ক্সিফিকেচন" আৰু দ্বিতীয় পৰ্যায়ৰ চিকিৎসা হ'ল — "উইথড্ৰ'ৱেল চিম্‌টম"। ইয়াৰ পাছত চাইক'মেট্ৰিৰ সহায়ত কোনধৰণৰ চাইকিয়াট্ৰিক চিকিৎসা কৰিবলগা হয়, সেইটো নিৰ্ধাৰণ কৰা হয়। ব্যক্তিগত চাইক'থেৰাপি, যৌথ চাইকথেৰাপি, ব্যৱহাৰিক চাইক'থেৰাপিয়ে ড্ৰাগছ সেৱনকাৰীৰ মনৰ পৰা ভ্ৰান্তি আঁতৰাই নৈতিক মূল্যবোধৰ জন্ম দিব পাৰে আৰু ড্ৰাগছ সেৱন কৰাটো যে এটি কু-অভ্যাস এই ধাৰণাটো চাইক'থেৰাপিৰ দ্বাৰাই ড্ৰাগছ সেৱনকাৰীৰ মনত সুমুৱাই দিব পাৰি। ইয়াৰ লগতে ডাঃ ভিক্তৰ ফেংকল'চৰ ল'গ'থেৰাপি অতি দৰকাৰী। ল'গ'থেৰাপিৰ মূল সূত্ৰ হ'ল ইয়াৰ দ্বাৰা ড্ৰাগছ সেৱনকাৰীৰ মনত হেৰুৱা সময় আৰু ধন আদিৰ বিষয়ে সচেতন কৰা হয়। ড্ৰাগছ সেৱনকাৰীসকলে সাধাৰণতে একগোট হৈ থাকিবলৈ ভাল পায় গতিকে চিকিৎসাৰ পাছত ড্ৰাগছ সেৱন-কাৰীক পূৰ্বৰ লগ-সংগবোৰৰ পৰা আঁতৰাই

ৰাখিব লাগিব আৰু সমাজৰ মূল সুঁতিৰ লগত তেওঁলোকক মিলি যাব পৰাকৈ, সমাজে এক দৃঢ় পদক্ষেপ গ্ৰহণ কৰাটো বাঞ্চনীয়।

ড্ৰাগছে খেলুৱৈৰ জীৱনতো প্ৰবেশ কৰি একো একোজন মহান খেলুৱৈৰ জীৱন কলংকিত কৰিছে। আৰ্জেন্টিনাৰ ফুটবলৰ যাদুকৰ ডিয়েগো মাৰাডোনাই ড্ৰাগছ সেৱন-কৰি আৰু ড্ৰাগছৰ চোৰাং বেপাৰৰ লগত জড়িত থাকি খেলজগতখনৰ পৰা কেইবছৰমান নিষিদ্ধ হৈছিল। জাৰ্মানিৰ দৌৰৱাণী কেথ্ ৰিণ ক্ৰাবে আৰু তেওঁৰ সহযোগীসকলে ড্ৰাগছ সেৱন কৰি, বৰ্তমানলৈকে খেলজগতৰ পৰা নিষিদ্ধ হৈ আছে। তাৰ পাছত আহোঁ, ১৯৮৮ চনৰ চিউল অলিম্পিকত ১০০ মিটাৰ দৌৰত 'ষ্টেৰইড' ড্ৰাগছ সেৱন কৰা কানাডাৰ দৌৰ-বিদ বেন জনচন। এওঁক আকৌ ড্ৰাগছ সেৱনৰ বাবে চিৰজীৱন নিষিদ্ধ ঘোষণা কৰিছে।

ড্ৰাগছৰ কৰালগ্ৰাসৰ পৰা সমাজক ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে ভালেমান ব্যৱস্থা হাতত লৈছে; আইন প্ৰণয়ন কৰিছে। ইয়াৰ বাবে মৃত্যুদণ্ড পৰ্যন্ত শাস্তিৰ বিধানো আছে। কিছুদিনৰ আগতে চৰকাৰে ড্ৰাগছ সেৱনকাৰী সকলক সহায় কৰাৰ বাবে স্বয়ংসেৱী সংস্থা-বোৰক অধিক ফলপ্ৰসূ কৰি তুলিবলৈ জন-সাধাৰণক আহ্বান জনাইছে বুলি কাকত-পত্ৰ ৰেডিঅ', টি ভি আদি যোগে প্ৰচাৰিত হৈছিল। বহুতো সংস্থা গঢ় লৈ উঠিছে যিয়ে ড্ৰাগছসেৱীসকলৰ বাবে মুক্তচিত্তে চিন্তা কৰিছে। দিল্লীত ড্ৰাগছ নিবাৰণী কেন্দ্ৰ 'জাগৃতি', 'নৱজ্যোতি', 'অভয়', 'আসিয়ানা' 'ৰোশনী', 'জীৱনজ্যোতি', 'হলি-ফেমিলি' আদিয়েই প্ৰধান।

বিশ্বৰ স্বাস্থ্যসংস্থাই ড্ৰাগছ সেৱনৰ অপকাৰিতা আৰু ভয়াবহতাৰ কথা আৰু লগেলগে ইয়াৰ বাবে ল'বলগা সাৱধানতাৰ কথাও জনসাধাৰণক সঁকিয়াই দিছে। ড্ৰাগছ যে মাৰাত্মক 'এইডচ' ৰোগৰ কাৰণ তাত বিজ্ঞানীসকলেও মত পোষণ কৰিছে। ড্ৰাগছৰ প্ৰচলন তথা চোৰাং ব্যৱসায় ৰোধ কৰাৰ কাৰণে চৰকাৰে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিছে। সংসদত অনুমোদিত 'নাৰকোটিক ড্ৰাগছ আৰু চাইক'ট্ৰপিক চাবটেঞ্চ আইন, ১৯৮৫'ত **(Narcotic Drugs and Psychotropic Subtance Act, 1985)**, ড্ৰাগছৰ চোৰাং ব্যৱসায়ৰ কাৰণে দহৰ পৰা বিশ বছৰ পৰ্য্যন্ত সশ্ৰম কাৰাদণ্ড আৰু ১-২ লাখ পৰ্য্যন্ত জৰিমণাৰ ব্যৱস্থা কৰা হৈছে। ইৰাণ, ইৰাক আদি দেশসমূহত ড্ৰাগছৰ চোৰাং ব্যৱসায়ীসকলক আৰু ড্ৰাগছ সেৱনকাৰীসকলক ধৰা পেলালে লগেলগে মৃত্যুদণ্ড দিয়াৰ বিধান আছে। আমাৰ দেশত কিন্তু, এই বিধানৰ উল্লেখ থাকিলেও, ইয়াক প্ৰয়োগৰ ক্ষেত্ৰত, কাৰ্যকৰী নহয়। আমাৰ দেশতো তেনে ব্যৱস্থা যদি কাৰ্য-কৰী হোৱাকৈ প্ৰণয়ন কৰে, তেন্তে ই চোৰাং ব্যৱসায়ক ৰোধ কৰাত, এক উল্লেখযোগ্য পদক্ষেপ হ'ব। ইয়াৰ বাবে সকলো লোকৰে সহায়-সহযোগ অতীব প্ৰয়োজনীয়।

বাটে-ঘাটে আমি কেতিয়াবা শুনো যে ড্ৰাগছৰ বিৰুদ্ধে এতিয়া সমগ্ৰ বিশ্বত সোচ্চাৰ প্ৰতিবাদ হৈছে। বৰ্ত্তমান যুগত ডাঙৰ ব্যৱসায় মানেই হ'ল ড্ৰাগছৰ চোৰাং ব্যৱসায়। সহজ পথত বেছি আয় মানেই ড্ৰাগছ, সেয়েহে, আজি অপৰাধ মানে চুৰি, ডকাইতি, ধৰ্ষণ, খুন হ'ল লাপি-লুপা অপৰাধ।

ভাৰতবৰ্ষৰ দৰে অৰ্থনৈতিকভাৱে পিছ পৰা দেশবিলাকৰ এতিয়া চলচ্চিত্ৰৰ মূল বিষয়েই হৈছে 'ড্ৰাগছ'। চোৰাং কাৰবাৰী-সকলৰ কাৰবাৰ গোটেই বিশ্বত এনেদৰে বিয়পি আছে যে তাক নিৰ্মূল কৰিব পৰাটো তেনেই সহজ নহয়। এতিয়া প্ৰশ্ন হয়, এই মাদক পদাৰ্থবিলাকৰ অপপ্ৰয়োগক বাধা দিব পৰা যাবনে? একে আষাৰে ক'বলৈ গ'লে নহ'ব কিয়নো মানৱৰ কল্যাণমূলক বিভিন্ন ঔষধপাতি, বিভিন্ন ড্ৰাগছবিলাকৰ পৰাই প্ৰস্তুত হয়। ইয়াৰ

অপপ্ৰয়োগক বাধা দিবলৈ সামাজিক জাগৰণ গঢ়ি তোলাৰ বাদে অন্য উপায় নাই।

এতিয়া আমি আহোঁ এটি গুৰুত্বপূৰ্ণ প্ৰশ্নলৈ— কিহৰ বাবে একো একোজন যুৱক-যুৱতী ড্ৰাগছৰ চিকাৰ হ'বলগীয়া হয়? আমি এই বিষয়টোলৈ কিয় চিন্তা নকৰো? তেওঁলোক জানো আমাৰ মাজৰে এজন নহয়? এই আটাইবিলাক কথা দকৈ চিন্তা কৰিলে কিছু কথাৰ উমান পোৱা যায় যে— এওঁলোকৰ এনে অধঃপতনৰ বাবে ঘৰখনকে দায়ী কৰিলে নহ'ব। পিতৃ-মাতৃয়ে সন্তানক এটা নিৰ্দিষ্ট সময়লৈকেহে শাসনৰ অধীনত ৰাখিব পাৰে। সন্তান-সন্ততিয়ে ডাঙৰ হৈ অহাৰ লগেলগে নিজৰ দায়িত্ব নিজেই বুজিব পৰা হৈ উঠে। উন্নতিৰ জখলাত খোজ পেলাই দোপত-দোপে আগবাঢ়ি যোৱা যুৱক-যুৱতী-সকলক জানো তেওঁলোকৰ পিতৃ-মাতৃয়ে অনবৰতে কাঢ়া শাসনত ৰাখে? অথচ একেখন সমাজতে একেটা পৰিবেশত বসবাস কৰা এচাম যুৱক-যুৱতী তিল তিল কৈ ধ্বংসৰ মুখলৈ আগুৱাই গৈছে। ড্ৰাগছে এওঁলোককনো কি দিছে, যিটো সমাজে বা ঘৰখনে দিব পৰা নাই। দৰাচলতে, এওঁলোক একপ্ৰকাৰ মানসিক ৰোগৰ চিকাৰ। এই অসুস্থ মানসিকতাৰ যুৱক-যুৱতীসকল সৰহভাগেই ভদ্ৰ তথা চহকী ঘৰৰ সন্তান। অসমীয়াত এষাৰ প্ৰবাদ আছে যে, "সু-সংগ লয় যি, ভাল মানুহ হয় সি।" এওঁলোকে আচলতে সংগী নিৰ্বাচনত ভুল কৰে। ভাল যুৱক-যুৱতী এজনো কুসংগত পৰি অধঃপতনে যোৱাৰ উদাহৰণো আছে। এইদৰেই তেওঁলোকে কুসংগত পৰি ড্ৰাগছৰ দৰে কালনাগ-ৰূপী দ্ৰব্যতো মুখ দিবলৈ ধৰে। এবাৰ আৰম্ভণি মানেই হৈ গ'ল এক শীতল আত্মহত্যা।

এইসকল ধ্বংসমুখী যুৱক-যুৱতী নিজৰ পৰিয়াল তথা বংশ মৰ্য্যদাৰ প্ৰতি তিলমানো দায়বদ্ধ নহয়। ভৱিষ্যতৰ জীৱন সম্পৰ্কে এওঁলোক বৰ চিন্তিত নহয়, অন্ততঃ মাক-দেউতাকৰ উপাৰ্জনত আশ্ৰিত হৈ সুখে-সন্তোষে জীয়াই থকা দিনকেইটা। নিজৰ সম্পৰ্কে এওঁলোকৰ সঠিক ধাৰণাৰ অভাৱ পৰিলক্ষিত হোৱা দেখা যায়। এওঁলোকৰ আত্মবিশ্বাস জীৱন-যাপনৰ যি পদ্ধতি আদি একেবাৰেই নাথাকে, যিয়ে নিজকে ধ্বংস কৰাৰ লগতে পৰিয়াল তথা সমাজৰ গতিশীল চক্ৰত ব্যাঘাত জন্মায়। আমি সকলোৱেই ড্ৰাগছৰ বিৰুদ্ধে যুঁজিবলৈ ৰণনীতি প্ৰস্তুত কৰি আমাৰ মাজৰ পৰা 'ড্ৰাগছ' নামৰ প্ৰলয়ংকাৰী কালশত্ৰুটোক একাষৰীয়া কৰো আহক। অন্যথা ড্ৰাগছ নামৰ মাৰাত্মক বিভীষিকাৰ কৱলৰ পৰা বিশ্বৰ যুৱশক্তি ৰক্ষা কৰাটো দুঃসাধ্য হৈ পৰিব। এনে এক ভয়াবহ পৰিস্থিতিত মাদক দ্ৰব্যৰ বিৰুদ্ধে এক বলিষ্ঠ জনমত গঢ়ি তোলাৰ অৰ্থে সমাজৰ বুদ্ধিজীৱি, চিন্তাবিদ আৰু এই বিষয়ৰ বিশেষজ্ঞসকলে, বিশেষভাৱে চিন্তা কৰাৰ সময় সমাগত বুলি ভাবোঁ। নহ'লে সঁচাকৈয়ে প্ৰতিষ্ঠিত হ'ব সমাজ বিজ্ঞানীসকলে কোৱা এক নিৰ্মম সত্য, "ড্ৰাগছৰ কৱলত পৃথিৱী হৈ পৰিব 'নীৰৱ হিৰ'চিমা' **(Silent Hiroshima)**।

বিঃ দ্ৰঃ — প্ৰবন্ধটো ৰচনা কৰোঁতে একাধিক আলোচনী, বাতৰিকাকত আদিৰ ছাঁ লোৱা হৈছে — **লিখক**।

# ভাৰতীয় ভাষাৰ ভিতৰত নেপালী ভাষা

**দেবীচৰণ ছেড়াই**
প্ৰবক্তা, নেপালী বিভাগ

নেপালী ভাষাৰ পুৰণি নাম খছ্ ভাষা আছিল। খছ্ ভাষাৰ লোক ভাৰতৰ বিভিন্ন প্ৰান্তত থকাৰ বাবে ভাৰততো এই ভাষাৰ বিস্তৃতি দেখা গৈছিল। তেতিয়াৰ খছ্ লোক সকলেই নেপালী লোক বুলি কোৱা প্ৰমাণ ভাষাবিদসকলে স্বীকাৰ কৰিছে। নেপালী ভাষাৰ লোক বিশেষকৈ পাহাৰীয়া অঞ্চলবোৰত বসবাস কৰাৰ বাবে এই লোকসকলক পাহাৰীয়া আৰু এওঁলোকৰ ভাষাক পাহাৰীয়া ভাষা কোৱা হৈছিল। ইয়াৰ উপৰিও এই ভাষা পৰ্বতীয়া, গিৰিৰাজ আৰু দেশভাষা নামেৰেও জনাজাত আছিল। নেপালৰ গোৰ্খা ৰাজ্যৰ ৰজা পৃথ্বী নাৰায়ণ শ্বাহৰ প্ৰভুত্ব নেপালৰ প্ৰায়বোৰ ঠাইতে হোৱাৰ বাবে এই ভাষাক গোৰ্খা ভাষা নামেৰেও জনা গৈছিল। ১৭৬৮ চনত পৃথ্বী নাৰায়ণ শ্বাহে গোটেই নেপাল একীকৰণ কৰি বৃহৎ নেপাল গঠন কৰাৰ পিছৰ পৰা 'গোৰ্খা ভাষা' 'নেপালী ভাষা' হিচাবে জনাজাত হৈছিল।

নেপালী শব্দটোৰ উদ্ভৱ নেপালৰ পৰা হোৱা কথা স্বীকাৰ কৰিব পাৰি। চীন, তিব্বতী পৰিয়ালৰ ভাষাত নেপাল শব্দৰ অৰ্থ এনেদৰে পোৱা যায়— 'নে' মানে পবিত্ৰ আৰু 'পাল' মানে ভেৰাৰ নোম পোৱা ঠাই। গতিকে ভেৰাৰ নোম পোৱা পবিত্ৰ ঠাইক নেপাল বুলি কোৱা চীন-তিব্বতী ভাষাৰ কথাটোক প্ৰায়বোৰ ভাষাবিদে স্বীকাৰ কৰি আহিছে। নেপালত বসবাস কৰা লোকক কালক্ৰমত নেপালী বুলি কোৱা হয়। নেপালত বাস কৰা লোকৰ ভাষাক নেপালী ভাষা কোৱা হৈছিল যদিও এই ভাষাৰ লোক নেপালত মাত্ৰ বসবাস নকৰি ভাৰত, ভূটান আৰু ব্ৰহ্মদেশতো বসবাস কৰা দেখা যায়। ভাৰতত নেপালী ভাষাৰ নাম পোনপ্ৰথমে ১৮২০ চনত এটন চাহাবৰ নেপালী ব্যাকৰণত দেখা গৈছিল। নেপালী ভাষাক বিভিন্ন নামেৰে জনা গৈছিল বুলি ওপৰত উল্লেখ কৰি অহা হৈছে। খ্ৰীষ্টপূৰ্ব ৫ম শতাব্দীৰ আগৰ পৰাই নেপালীৰ পূৰ্বৰূপ খছ্ শব্দৰ প্ৰয়োগ শিলালেখ আৰু পুৰাণবোৰত পোৱা যায়।

ভাৰতবৰ্ষত কেতিয়াৰ পৰা নেপালী লোকৰ বসবাস আছিল সেই কথাৰ সঠিক বিৱৰণ পোৱা কঠিন যদিও ১৭৭১ চনত ৰোমৰ পৰা প্ৰকাশিত **John Christopherus Amazuddi** ৰ **Cassiao Beligatte's Indian**

**Paleographical Accounts** ত নেপালী বঙালী আৰু তেলেগু ভাষাৰ নাম অন্তৰ্ভূক্ত হোৱা পোৱা যায়। ভাৰতীয় দৰ্শন আৰু পুৰাণ-বোৰতো (খছ্ শব্দৰ দ্বাৰা) নেপালীলোকৰ কথা পোৱা যায়। তাৰ পৰাই বুজিব পাৰি যে নেপালীলোক সকলো ভাৰতীয়লোকৰ মাজৰে এটা জাতিৰ লোক আৰু নেপালী ভাষাও ভাৰতীয় ভাষাৰ ভিতৰৰে এটা ভাষা। নেপালী ভাষাৰ উৎপত্তিৰ বিষয়ে জানিবলৈ হ'লে পৃথিবীৰ ভাষা পৰিয়ালৰ তালিকা বা ভাষা পৰিয়ালৰ কথা জনা উচিত হ'ব। ভাষাবিদসকলে পৃথিবীৰ ভাষাবোৰক বিভিন্ন বাৰটা ভাগত ভাগ কৰিছে। সেই ভাগবোৰৰ এটা ভাগ হ'ল **Indo-European** পৰিয়াল। এই পৰিয়ালৰে এটা ভাগক ভাৰতীয় আৰ্য্য ভাষা নামেৰে জনা যায়। ইয়াৰ ওপৰিও **Indo-European** ভাষা পৰিয়ালৰ আন কেইবা-টাও ভাগ আছে। ভাষাৰ ক্ৰমবিকাশৰ ফলত ভাৰতীয় আৰ্য্য ভাষাত অপভ্ৰংশ ভাষাৰ সৃষ্টি হয়। এই অপভ্ৰংশ ভাষাৰ ভিতৰত খছ্ আৰু শৌৰসেনী অপভ্ৰংশও পৰে। কিছুসংখ্যক ভাষাবিদৰ মতে নেপালী ভাষা শৌৰসেনী অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা বুলি কোৱা পোৱা গ'লেও কিছুসংখ্যকে এইষাৰ কথাক স্বীকাৰ নকৰি খছ অপভ্ৰংশৰ পৰাহে নেপালী ভাষাৰ উৎপত্তি বুলি স্বীকাৰ কৰে। ইয়াৰ পৰা বুজিব পাৰি যে নেপালী ভাষাৰ উৎপত্তিৰ বিষয়ত ভাষাবিদসকলো একমত নহয়। আচলতে নেপালীভাষী লোকসকলৰ ভিতৰত এই দুয়োটা অপভ্ৰংশ ভাষাৰ পৰা উদ্ভৱ হোৱা ভাষা কোৱা লোক থকা কথা ভাষা-বিদসকলে স্বীকাৰ কৰিব লাগিছিল। তাৰ কাৰণ হ'ল কণৌজী ভাষা কোৱা ব্ৰাহ্মণসকলৰ ভাষা শৌৰসেনী অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা আৰু এই কণৌজীয়া ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক-সকলৰ কিছুসংখ্যক নেপালী লোক। খছ্ ব্ৰাহ্মণ আৰু কণৌজীয়া ব্ৰাহ্মণ দুয়োটা সম্প্ৰদায়ৰ লোকৰ কিছুসংখ্যক নেপালৰ বাসীন্দা হোৱাৰ বাবে দুয়ো সম্প্ৰদায়ৰ ভাষা নেপালী। ভাৰতীয় আৰ্য্য ভাষাৰ যি ঠালৰ পৰা নেপালী ভাষাৰ উৎপত্তি সেই একে ঠালৰ পৰা ভাৰতৰ অন্য বিভিন্ন ভাষাৰ উৎপত্তি বুলি স্বীকাৰ কৰা হয়। ইয়াৰ পৰা বুজিব পাৰি যে নেপালী ভাষাও ভাৰতীয় ভাষাৰ এটা ঠাল।

ভাৰতীয় আৰ্য্য ভাষাই বৈদিক, সংস্কৃত আৰু প্ৰাকৃত স্তৰক অতিক্ৰম কৰি অপভ্ৰংশ স্তৰত উপনিত হোৱা কথাটো স্বীকাৰ্য্য। কিন্তু নেপালত থকা লোকসকলে প্ৰথমে অপভ্ৰংশ ভাষাৰ ব্যৱহাৰ কৰিব নোৱাৰাৰ প্ৰধান কাৰণ হিচাপে ৰজা-মহাৰজাৰ অধীনৰ কথা উনুকিয়াব পাৰি। নেপালৰ ৰজা মহাৰজাই প্ৰথমে সংস্কৃতজ্ঞ পণ্ডিতসকলকহে শিক্ষা লোৱা আৰু দিয়া বিষয়ত অধিকাৰ দিছিল বাবে সংস্কৃত ভাষাৰ বাদে অন্য ভাষা গা কৰি উঠিব পৰা নাছিল। তাৰোপৰি সৰ্বসাধাৰণ প্ৰজা শিক্ষা লোৱাৰ পৰা বঞ্চিত আছিল। এইবিলাক কাৰণত সংস্কৃত ভাষাৰ বাদে অন্য ভাষাৰ বিকাশ হ'ব পৰা নাছিল। নেপালী ভাষাই নেপালী সাহিত্যৰ স্তৰ পাব পৰা নাছিল। এই ব্যৱস্থা ১৯ শতাব্দীলৈকে আছিল যদিও কিছুসংখ্যক লোক নেপালী ভাষাৰ বিকাশত উঠিপৰি লাগিছিল। ১৫৯৩ চনৰ পৰাই নেপালী ভাষাৰ গ্ৰন্থ লিখাৰ কাম আৰম্ভ হোৱা কথাটো **Khanda Khadya** গ্ৰন্থৰ বাবে স্বীকাৰ কৰিব পাৰি। ১৬০২ চনৰ **Swasthani Brata Katha** আৰু ১৬৪৪ চনৰ **Baz Parikshya** ক নেপালী গদ্য সাহিত্যৰ প্ৰাৰম্ভিক ৰূপ হিচাপে গ্ৰহণ কৰা হয়। ইয়াৰ পিছত ভাৰতত হে নেপালী সাহিত্যৰ উত্থান হয়। জে, এ, এটনে ১৮২০ চনত কলিকতাৰ পৰা নেপালী ভাষাৰ ব্যাকৰণ প্ৰকাশ কৰে। ১৮২১ চনত দাৰ্জিলিঙৰ পৰা নেপালী ভাষাত বাইবেল ৰচনা কৰি উলিয়ায়। এনেদৰে ভাৰতত নেপালী ভাষাৰ উৎকৃষ্ট গ্ৰন্থসমূহ ৰচনা হোৱাৰ পিছত ১৮৫২-৫৩ চনত নেপালী আদিকবি ভানুভক্ত আচাৰ্য্যই বাল্মিকী

ৰামায়ণৰ সাতোটা কাণ্ড নেপালীত অনুবাদ কৰি উলিওৱাৰ পিছৰ পৰা নেপালৰ লোক-সকলে নেপালী ভাষাতো লিখিব পৰা কথাটো স্বীকাৰ কৰি সংস্কৃত ভাষাৰ সলনি নেপালী ভাষাত লিখিবলৈ নেপালী সাহিত্যৰ বিকাশৰ সূত্ৰপাত কৰে।

ভাৰতত ১৯৩১ চনত নেপালী অভিধান উলিয়ায় টাৰ্ণাৰ চাহাবে। ইংৰাজ চাহাবে নেপালী ভাষাৰ বিকাশৰ বাবে অভিধান, ব্যাকৰণ আদি উলিওৱাৰ পিছত নেপালী-সকলেও ভাষা সাহিত্যৰ বিকাশৰ বাবে যথেষ্ট চেষ্টা কৰে। ১৯০৫ চনত বেণাৰসৰ পৰা 'সুন্দৰী' আৰু ১৯০৬ চনত 'মাধবী' নামৰ আলোচনী প্ৰকাশিত হয়। এই আলোচনীবোৰত উৎকৃষ্ট সাহিত্যৰ চানেকী পোৱা যায়।

উপৰোক্ত কথাৰ ওপৰত দৃষ্টি ৰাখি ভাৰতীয় নেপালীসকলে ভাৰত চৰকাৰৰ ওচৰত নেপালী ভাষাক সাংবিধানিক মান্যতা দিবৰ বাবে পোনপ্ৰথমে ১৯৫৬ চনত আবেদন জনাইছিল। ডেৰাডুনৰ পৰা প্ৰকাশিত **'Jagrata Gorkha'** নামৰ আলোচনীৰ সম্পাদক আনন্দসিং থাপাই ১৯৫৬ চনত নেপালী ভাষাক সাংবিধানিক মান্যতা দিবৰ বাবে আবেদন কৰিছিল। সেই একে সময়তে ডাঃ সুনিতীকুমাৰ চট্টোপাধ্যায়ে কাৰ্য্যালয় ভাষা আয়োগৰ বিৱৰণত নেপালী আৰু সিন্ধি ভাষাৰ নামো অন্তৰ্ভূক্ত কৰিছিল। সেই বিৱৰণৰ যোগেদি চৰকাৰে ১৯৬৭ চনত সিন্ধি ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভূক্ত কৰিছিল যদিও নেপালী ভাষাৰ ওপৰত কোনো বিবেচনা কৰা নাছিল। ইয়াৰ পিছত ১৯৬৯, ১৯৭১ বছৰবোৰতো তেতিয়াৰ প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ ওচৰত নেপালী ভাষাক সাংবিধানিক মান্যতা দিয়াৰ বাবে আবেদন কৰা সত্বেও চৰকাৰে কোনো কাণষাৰ নিদিছিল। ভাৰত চৰকাৰৰ অধীনত থকা কেইখনমান ৰাজ্যই কিন্তু বিংশ শতিকাৰ আৰম্ভণিতে নেপালী ভাষাক মান্যতা দিছিল। এলাহাবাদ বিশ্ববিদ্যালয় আৰু কলিকতা বিশ্ববিদ্যালয়ে ১৯১১ আৰু ১৯২১ চনৰ পৰাই নেপালী ভাষাক **Vernacular Subject** হিচাপে অধ্যয়ন কৰিব পৰা সুবিধা কৰি আছিল। ইয়াৰ ওপৰিও নেপালী ভাষাৰ ওপৰত চিন্তা-চৰ্চা কৰি ভাৰতৰ বিভিন্ন দহখন বিশ্ববিদ্যালয়ে স্নাতক শ্ৰেণীলৈকে নেপালী ভাষা পঢ়িব পৰা ব্যৱস্থা কৰিছিল। সেই বিশ্ববিদ্যালয়সমূহ হ'ল — (১) বেনাৰস বিশ্ববিদ্যালয়, (২) উত্তৰ বঙ্গ বিশ্ববিদ্যালয়, (৩) উত্তৰ-পূৱ পাৰ্বত্য বিশ্ববিদ্যালয়, (৪) গুৱাহাটী বিশ্ববিদ্যালয়, (৫) ত্ৰিপুৰা বিশ্ববিদ্যালয়, (৬) বাঙ্গালোৰ বিশ্ববিদ্যালয়, (৭) পাটনা বিশ্ববিদ্যালয়, (৮) ভাগলপুৰ বিশ্ববিদ্যালয়, (৯) দিল্লী বিশ্ববিদ্যা-লয় আৰু (১০) ডিব্ৰুগড় বিশ্ববিদ্যালয়। উত্তৰবঙ্গ বিশ্ববিদ্যালয় আৰু বেণাৰস হিন্দু বিশ্ববিদ্যালয়ে নেপালী ভাষাৰ অধ্যয়ণৰ ব্যৱস্থা স্নাতকোত্তৰ শ্ৰেণীলৈকে কৰাৰ ওপৰিও **Ph.D.** ডিগ্ৰী দিয়াৰ ব্যৱস্থাও কৰি আহিছে। কিন্তু অসমত সেই ব্যৱস্থা আজিলৈকে হ'ব পৰা নাই।

ভাৰতৰ সাহিত্য চৰ্চাৰ উৎকৃষ্ট সংস্থা "ভাৰতীয় সাহিত্য একাডেমী"য়ে ১৯৭৫ চনৰ পৰাই নেপালী ভাষাক ভাৰতৰ অন্যান্য ভাষাৰ সমানেই মান্যতা দি আহিছে।

ভাৰতৰ সংবিধানত নেপালী ভাষাক সামৰি লোৱাৰ উদ্দেশ্যেৰে ভাৰতৰ বহু ৰাজ-নৈতিক দল, ৰাজ্য চৰকাৰ আৰু শিক্ষানুষ্ঠান-সমূহে যথেষ্ট অৰিহণা যোগাই অহা কথা স্বীকাৰ্য্য। বিভিন্ন সংঘ, সংস্থা, ৰাজ্য চৰকাৰ, শিক্ষানুষ্ঠান আৰু ৰাজনৈতিক দলবোৰৰ হেঁচা আৰু আগ্ৰহৰ ওপৰত চকু ৰাখি ভাৰত চৰকাৰে ১৯৯২ চনৰ আগষ্ট মাহৰ ২০ তাৰিখে নেপালী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভূক্ত কৰি ভাৰতীয় ভাষাৰ সীমা বৃদ্ধি কৰাৰ ওপৰিও ভাৰতীয় নেপালীসকলৰ ৩৭ বছৰীয়া

শীতল যুদ্ধৰ অন্ত পেলালে । নেপালী ভাষাক ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰিবৰ বাবে চিকিমৰ মাননীয় মুখ্যমন্ত্ৰী, সংসদ সদস্যা মাননীয়া শ্ৰীমতী ভণ্ডাৰী আৰু অসমৰ নেপালীলোকসকলে অৱলম্বন কৰা পথ চিৰ-স্মৰণীয় । ১৯৯২ চনৰ পৰা নেপালী ভাষা ভাৰতীয় ভাষাৰ এটা অঙ্গ হিচাপে সাঙুৰি লোৱাৰ পিছৰ পৰাই ১ কোটিৰো অধিক ভাৰতীয় নেপালীসকলৰ ওপৰত চৰকাৰৰ দৃষ্টি নিক্ষেপ হৈছে ।

গতিবোধক হিচাপে থকা গোৰ্খা ভাষাই নেপালী ভাষাক গণতান্ত্ৰিক অধিকাৰ পোৱাৰ পৰা বিৰত ৰাখিব নোৱাৰাত নেপালী ভাষা ভাৰতীয় ভাষা হিচাপে স্বীকৃত হৈছে ।

"শিক্ষা অকল মানসিক বা বুদ্ধি জ্ঞান চৰ্চাত আবদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা নৈতিক আৰু দৈনিক জীৱনৰ লাগতিয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্যবোৰৰ সহায়ক হ'ব লাগে ।" — লক্ষ্মীনাথ বেজবৰুৱা

# জ্যোতিপ্ৰসাদৰ লভিতাত নাৰী চৰিত্ৰ

**সংগীতা বৰুৱা**
স্নাতক ১ম বাৰ্ষিক (কলা)

কুৰি শতিকাৰ আগভাগত জন্ম গ্ৰহণ কৰা যি কেজনা ক্ষণজন্মা পুৰুষে অসমৰ সাংস্কৃতিক জীৱনত নৱজাগৰণৰ সূচনা কৰিছিল আৰু অসমৰ পুনৰুজ্জীৱনৰ বাবে যুৱশক্তি, নাৰীশক্তি আদিক উদ্দীপিত কৰিব পাৰিছিল, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আছিল সেইসকলৰ উজ্জ্বল জ্যোতিষ্কৰ মাজৰ পুৰতি তৰা স্বৰূপ। ১৯০৩ চনত তামোলবাৰী চাহ বাগিচাত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদ আছিল অসমৰ কলা জগতৰ চিৰস্মৰণীয় ব্যক্তি। ৰূপকোঁৱৰে জ্যোতিৰ জেউতি বিলাই দিছিল-গীতিকাৰ ৰূপে, সুৰকাৰ ৰূপে, কবি ৰূপে আৰু নাট্যকাৰ ৰূপে।

জ্যোতিপ্ৰসাদৰ "নাট্য পৰিক্ৰমা অতীন্দ্ৰিয় এক জগতৰ স্বপ্নাকীৰ্ণ ৰূপৰ সৃষ্টিৰ পৰা মাটিৰ পৃথিবীৰ সুখ-দুখৰ খবৰ লোৱাৰ আৰু জুইৰ শিখাই পোহৰাই থোৱা আত্মাৰ নিৰল কন্দৰলৈ প্ৰত্যাবৰ্তনৰ কাহিনী।" অসমীয়া নাট্য সাহিত্যক চহকী কৰিবলৈ জ্যোতি প্ৰসাদে নাটকৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। অনেক পৰিশ্ৰম আৰু আন্তৰিকতাৰে তেওঁ কেইবাখনো নাটক লিখি এটা নতুন দিশ মুকলি কৰি গৈছে।

জ্যোতিপ্ৰসাদে ভাৱ আদৰ্শক লৈ ৰচনা কৰা বিভিন্ন নাৰী চৰিত্ৰসমূহত অধিক আগ্ৰহ প্ৰকাশ কৰিছে। নাটকসমূহৰ নামাকৰণো তেওঁ নাৰী চৰিত্ৰৰেই কৰিছে। তেওঁৰ নাটকসমূহ প্ৰকৃত অৰ্থত নায়িকা প্ৰধান; অৰ্থাৎ নায়িকাসকলেই হ'ল এই নাটকসমূহৰ মূল চালিকা শক্তি।

প্ৰকাশিত নাটকসমূহৰ ভিতৰত 'লভিতা' হ'ল অন্যতম। স্বাধীনোত্তৰ কালত ৰচনা কৰা 'লভিতা' জ্যোতিপ্ৰসাদৰ এখন গহীন সামাজিক নাটক। ইয়াৰ পটভূমি দ্বিতীয় মহাসমৰত গঢ় লৈ উঠা জাতীয় মুক্তি সংগ্ৰাম। এই নাটকৰ মুখ্য নায়িকাৰূপে লভিতা নামৰ এগৰাকী সাধাৰণ গাঁৱলীয়া ছোৱালী, যি গৰাকী অসাধাৰণ অসুৰনাশিনী শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰিছিল।

লভিতাৰ চৰিত্ৰ চিত্ৰণ আৰু সুন্দৰ। জ্যোতিপ্ৰসাদৰ এই নাটকখন জৰ্জ বাৰ্ণাডশ্বৰ 'চেইন্ট জোৱান' নাটকৰ লগত যথেষ্ট মিল আছে। জৰ্জ বাৰ্ণাডশ্বই নাটকৰ মুখ্য চৰিত্ৰ জোৱান অৱ আৰ্কৰ যিদৰে অংকিত কৰিছে,

জ্যোতিপ্ৰসাদেও 'লভিতা'ত লভিতাৰ চৰিত্ৰ একেদৰেই অংকিত কৰিছে। জোৱান অৱ আৰ্ক আৰু লভিতা দুয়োগৰাকী নাৰী চৰিত্ৰই স্বদেশ-প্ৰেমৰ চানেকি দাঙি ধৰিছিল। দুয়ো-জনীয়ে ইংৰাজ সৈনিকৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হৈছে। জোৱান অৱ আৰ্কে প্ৰতি গৰাকী ফৰাচী যোদ্ধাৰ মনত স্বদেশ প্ৰেমৰ অগনি জ্বলাই তুলিছে, ঠিক তেনেদৰেই লভিতাইও নাটকখনত সংশ্লিষ্ট প্ৰতিটো চৰিত্ৰৰ যোগে স্বদেশ প্ৰেমৰ ভাৱৰাশি জাগ্ৰত কৰিবলৈ প্ৰয়াস কৰিছিল। শান্তি ভঙ্গকাৰী মিলিটাৰীৰ অত্যাচাৰৰ আতিশয্যত লভিতাৰ সৰলতা আছত হৈ বিস্ফোৰিত হৈছে: "বুজিচ এইবোৰ উৎপাত দেখি দেখি কেঁচাইখাটী গোসানী হৈ সিহঁতৰ হাড়মূৰ চোবাই দিবৰ মন যায়। উস! এই সোণাময় দেশখনত কি যে ভূত-দানৱবোৰ ওলালহি।" এনেবোৰ উক্তিত শৃঙ্খলা বিহীন আক্ৰোস প্ৰকাশ পাইছে যদিও লভিতাৰ চৰিত্ৰত বিপ্লৱীমনৰ উন্মেষো পোৱা যায়। লভিতা মূলতঃ গান্ধীৰ অহিংস আন্দোলনৰ দ্বাৰা অনুপ্ৰাণিত বুলি কোৱাৰ থল আছে। কিয়নো লভিতাই এটা উক্তিত কৈছে: "গান্ধী মহাত্মাই কৈছে বোলে এইদৰে আমি স্বৰাজ লাগে বুলি সিহঁতৰ অত্যাচাৰবোৰ মূৰপাতি ল'লে স্বৰাজৰ বাবে সিহঁতৰ সৈতে ফেৰ পাতি, সিহঁতৰ আইন নামানি সিহঁতৰ সৈতে জুই পানী নুছুই থাকোতে থাকোতে পিছত গৈ সিহঁতে কেতিয়াও বৈচ মনাব নোৱাৰিলে আমাৰ কথা শুনিবগৈ।" নিজৰ দেশক শোষণমুক্ত কৰিবলৈ যাওঁতে লভিতাই দুয়োটা পৰ্য্যায়তেই সংগ্ৰাম কৰিবলগীয়া হৈছে। এফালে তেওঁ ৰণ কৰিবলগীয়া হৈছে গাঁও-বুঢ়াৰ দৰে সংৰক্ষণশীল আৰু সাম্ৰাজ্যবাদী শক্তিৰ আবেদাবসকলৰ বিৰুদ্ধে আৰু আন-ফালে সংগ্ৰাম কৰিবলগীয়া হৈছে— বিদেশী শোষণকাৰীৰ বিৰুদ্ধে। লভিতাই নিজৰ গাঁৰৰ গাঁওবুঢ়াজনক কৈছে — "ইংৰাজ চৰকাৰে যেনেকৈ ঢাহিমুহি খাইছে, সেইদৰে ইংৰাজ আমোলৰ গাঁওবুঢ়া হৈ তোমালোকেই ৰাইজক ঢাহিমুহি খাইছা। অৱশ্যেই ইংৰাজ যাব লাগিব। তাৰ লগতে এই ইংৰাজৰ লগত থকা ভূত-প্ৰেতসোপাও।" যি ডেকাৰ মনত বিপ্লৱৰ জুই জ্বলা নাই তেওঁক আজিৰ যুগৰ ডেকা বুলি লভিতাই মানি ল'ব খুজা নাই। লভিতাৰ এই বৈপ্লৱীক মানসিকতাৰ স্পষ্ট প্ৰতিফলন ঘটিছে লভিতাৰ মুখত দিয়া তেজস্বী সংলাপৰ মাধ্যমেদি— "যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়; দেশৰ চলি থকা অন্যায় নিয়ম কাৰণ, মূৰ্খ সমাজৰ, সঙ্কীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী নিমাখিতৰ ওপৰত অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ সম্পদ, আনকি নিজৰ জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে.........."। লভিতা নতুন অসমীয়া ডেকা-গাভৰুৰ আত্ম-বিশ্বাস, সমাজচেতনা আৰু উদাৰতাৰ সাৰ্থক প্ৰতিনিধি। লভিতা নিৰ্ভীকতা, সহনশীলতা চৰিত্ৰবল আৰু ত্যাগৰ জ্বলন্ত শিখাস্বৰূপ।

লভিতা নাটকত লভিতাৰ বাহিৰেও সোণ, ৰূপ আৰু হীৰা এই তিনিগৰাকী নাৰী চৰিত্ৰ হিচাপে অংকণ কৰিছে। এই তিনিও গৰাকী ফুলগুৰি গাঁৰৰ গাভৰু। সিহঁতৰ মনতো স্বদেশপ্ৰেমৰ ভাৱ ফুটি উঠা দেখা যায়। সিহঁতৰ কথোপকথনৰ মাজেদি ধেমেলীয়া ভাৱো পৰিলক্ষিত হোৱা দেখা যায়। স্বদেশ প্ৰেমৰ ভাৱ স্পষ্ট হৈছে— ৰূপৰ এটি কথোপ-কথনৰ বক্তব্যত— "সেইবোৰ দেখোন আমাৰ স্বৰাজ্য বিচৰা মানুহবোৰক চৰকাৰে ফাটেক দিছে,............ বন্দুকেৰে গুলিয়াই মাৰিছে। ক'তা— আমাৰ মানুহেনো কিটো কৰিব পাৰিছে? ঢাল নাই, তৰুৱাল নাই—ইফালে উত্তাৱল হৈ ফুৰিলে জানো সিহঁতে দেশ এৰিব।"

এনেদৰে নাট্যকাৰে আৰু বহুতো

হোজা গাঁৱলীয়া ছোৱালীৰ অন্তৰতো দেশ প্ৰেমৰ ভাৱ ৰূপন কৰা দেখিবলৈ পোৱা গৈছে। নাট্যকাৰে সাধাৰণ নাৰীৰ চৰিত্ৰসমূহো অৱজ্ঞা নকৰি বিশেষ গুৰুত্বসহকাৰে নাটকত স্থান দিছে। এজনী কোমল বয়সীয়া ছোৱালীৰ মুখতো নাট্যকাৰে বৈপ্লৱীক ভাষা দিছে— "চলাম, চলাম।…………হাজাৰবাৰ চলাম গৱৰ্ণমেণ্ট। আমাৰ দেশ……আমাৰ আকাশ সকলো আমাৰ……গাঁৱত ধান বানি আছিলো ……এতিয়া গৱৰ্ণমেণ্ট চলাম……বুজিচ— নেচোন চাওঁ—হাতৰ পৰা নিচান।"

সন্নিবিষ্ট অন্য এটি নাৰী চৰিত্ৰ— মৌজাদাৰিণী। এগৰাকী অত্যাচাৰী নাৰী হিচাপে নাট্যকাৰে অংকন কৰিছে। সোণচাকী আৰু হামদৈ নামৰ দুগৰাকী শুশ্ৰূষাকাৰিণীৰ প্ৰতিও নাট্যকাৰে সহানুভূতিৰে নাটকত উপস্থাপন কৰা দেখা গৈছে।

মুঠতে জ্যোতিপ্ৰসাদে নাৰী সমাজৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি জনচেতনা জগাই তুলিবলৈ প্ৰয়াস কৰিছে। দুষ্কৃতিস্বৰূপ সমাজৰ ৰীতি-নীতিয়ে জৰ্জৰিত কৰা নাৰীসকলৰ ব্যক্তিত্বক জাগ্ৰত কৰি নকৈ নিৰ্মাণ কৰিবলৈ কঠোৰ প্ৰচেষ্টা হাতত লৈছিল। সমাজ জীৱনত বৈপ্লৱিক বিৱৰ্তন আনিবলৈ যে নাৰী সত্তাৰ প্ৰয়োজন তাক তেওঁ গভীৰ ভাৱে হৃদয়ঙ্গম কৰিছিল। ৰূপকোঁৱৰৰ লভিতাত প্ৰগতিবাদী চৰিত্ৰ হিচাপে লভিতাৰ যোগেদি নাৰী সমাজৰ এক প্ৰগতিশীল ভাৱধাৰা ভাস্বৰিত হৈ উঠিছে। জ্যোতিপ্ৰসাদে নাৰীসত্তাৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি এক সংগ্ৰামী আৰু বিপ্লৱী চেতনাৰে উদ্বুদ্ধ নাৰীৰ প্ৰতিভূ বিচাৰিছিল, যি প্ৰতিফলিত হৈছে লভিতাৰ চৰিত্ৰৰ মাজেদি। "লভিতা সেই নতুন নাৰীৰ প্ৰথম তৰংগ।" জ্যোতিপ্ৰসাদে লভিতাৰ মাধ্যমেৰে সমাজত নতুন নাৰীৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে।

গল্প

# মাজনিশাৰ সাক্ষাৎকাৰ

**প্ৰফুল্ল কুমাৰ দাস**
স্নাতক ২য় বাৰ্ষিক (কলা)

মাজনিশাৰ সময়বোৰ তেতিয়া ঘড়ীৰ কাঁটাৰ আক্ৰমণত বাগৰি পৰিছিল…।

হঠাৎ মোৰ টোপনিত কোনোবা অচিন ব্যক্তিৰ কণ্ঠস্বৰত মই সাৰ পাই উঠিলো। চকুদুটা মেলি দেখিলো মোৰ বিচনাৰ সমুখত জাগ্ৰত প্ৰহৰীৰ দৰে থিয় দি আছে চাৰিজন অচিনাকী যুৱক। বাস্তৱৰ তেনে হেতালি খেলত মই তেতিয়া বিবেক হেৰুৱাই পেলাইছিলো। মাজৰাতিৰ তেনে অপ্ৰত্যাশিত উপহাৰত মোৰ চিন্তাৰণ্যৰ কপৌজনী তেতিয়া উৰিবলৈ পাহৰিছিল। এক শীতল শিহৰণ মোৰ সৰ্বশৰীৰত প্ৰবাহিত হৈছিল। থিয় দিছিল গাৰ নোমবোৰ। অনবৰতে চেলবেলাই থাকিব পৰা মোৰ অত্যুৎসাহী জিভাখন তেতিয়া নিথৰে পৰি ৰৈছিল। মুঠৰ ওপৰত মোৰ দেহৰ প্ৰতিটো অংগই মোৰ বিৰুদ্ধাচৰণ কৰি উঠিছিল …।

"আপুনি জিলা ছাত্ৰ সন্থাৰ সভাপতি পলাশৰঞ্জন তুৰৰা নহয় জানো?" মোৰ একেবাৰে সমুখত বৈ থকা যুৱকজনৰ প্ৰশ্নত মই ঠেৎমত খাই মোৰ জিভাৰ কছৰৎ আৰম্ভ কৰি দিলো — "হয়, ময়েই জিলা ছাত্ৰ সন্থাৰ সভাপতি পলাশৰঞ্জন তুৰৰা। কিন্তু আপোনালোক কোন"?

—"আমি আচলতে অসমৰে সন্তান"।
—"এয়াতো আপোনালোকৰ পৰিচয় নহ'ল।"
—"আমাৰ সবিশেষ পৰিচয় আপুনি সময়ত জানিব পাৰিব। সম্প্ৰতি আপোনাক আমাৰ লগত লৈ যাম।"
—"লৈ যাব? কিয়? আপোনালোকে মোৰ পৰা বিচাৰিছে কি?"
—"আপোনাৰ কিছু ত্যাগ।"
—"চাওক, মই যিকোনো ত্যাগ কৰিবলৈ সন্মত থাকিলেও এতিয়া এই ৰাতিখন মোৰ কেঁচা টোপনিকণ মই ত্যাগ কৰিব নোৱাৰো। আপোনালোক অহা বাটেৰে উভটি যোৱাটোহে ভাল হ'ব।"
—"আপুনি স্বইচ্ছাই আমাৰ লগত যাবলৈ সন্মত নহ'লে আমি অসম আৰু অসমীয়াৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আপোনাৰ ওপৰত বলপ্ৰয়োগ কৰিবলৈ বাধ্য হ'ম।"

সিহঁতৰ তথাকথিত 'দম'ত মোৰ থৰ

কাচুতি হেৰোৱাৰ উপক্ৰম হ'ল। এক কথাত মোৰ 'টেনচন' বাঢ়ি বাঢ়ি গৈ তেতিয়া একেবাৰে পানীত হাঁহ নচৰা পৰ্যায়ত থিতাপি লৈছিলগৈ। মইযে অপহৰণ হোৱাৰ পথত অৰ্থাৎ যমদূত যে সোঁশৰীৰে মোৰ সন্মুখত হাজিৰ হৈছেহি সেইটো মোক মোৰ লাওখোলাৰ অৱশিষ্ট ক্ষমতাসম্পন্ন মগজুকণে পলমকৈ হ'লেও জানিবলৈ দিলে। মই কিংকৰ্ত্তব্যবিমূঢ় হ'লো। অপহৰণ যে হ'ব লৈছোঁ সেইটো খাটাং বুলি ভাবি লোৱাৰ যথেষ্ট থল আছে। নহ'লেনো এই ৰাতিখন অসম আৰু অসমীয়াৰ স্বাৰ্থক দোহাই দি নিজৰ টোপনিক কবৰ দি ইহঁত চাৰিটাই মোক শোৱা পাটিৰ পৰা উঠাই নিয়াৰ বলিয়ালিখন কিয় কৰিব? বিষয়টোৰ সপক্ষত পতিয়ন যোৱাৰ লগেলগে মোৰ ভয়টোও ক্ৰমে বাঢ়ি আহিছিল। ভাবিলো বলপ্ৰয়োগৰ কথাটো উনুকিয়াইছে যেতিয়া মই নাইনুই কৰিলে উত্তম মাধ্যমৰ সোৱাদকণো যে ল'ব লগা নহ'ব তাৰো কোনো নিশ্চয়তা নাই। মুঠৰ ওপৰত "সন্দেহযুক্ত উগ্ৰপন্থীৰ হাতত জিলা ছাত্ৰসন্থাৰ সভাপতি নিহত" জাতীয় শিৰোনামাৰে মই যে পৰৱৰ্তী বাতৰিৰ প্ৰথম পৃষ্ঠাৰ বুকুলৈ ঢাপলি মেলিছো সেইটো নিশ্চিত হ'লো। এইদৰেই মই মোৰ সম্ভাব্য পৰিণতিৰ অদৃশ্য দিশকেইটাক পাগুলি পাগুলি ভাগৰি পৰিছিলো। অৱশেষত মই মোৰ জীৱন নদীৰ হতাশাৰ নাৱত পৰিত্ৰাণৰ বঠা মাৰিলো "চাওক আপোনালোকেতো জানেই—কাইলৈ ১০ জুন শ্বহীদ দিৱস। জিলা ছাত্ৰ সন্থাৰ সভাপতি হিচাবে জিলা ভিত্তিত অনুষ্ঠিত হ'ব লগা কাইলৈৰ কেন্দ্ৰীয় শ্বহীদ দিৱসত মোৰ উপস্থিতি অতি প্ৰয়োজন। গতিকে মই আপোনালোকৰ হাতে-ভৰিয়ে ধৰিছো, কাবৌ কৰিছো মোক যেন এই ৰাতিখন নলগা জেঙাৰ মাজলৈ লৈ নাযায়।"

মোৰ কথাত যেন সিহঁত কিছু বিৰক্ত হ'ল। এটাই দোখোজ আগবাঢ়ি আহি কৈ উঠিল—"চাওঁক ডুৱৰা আপুনি চালে-বেৰে কোবাই ফুৰি লাভ নাই। আমাৰ পলম হৈছে। সোনকালে বলক।" সিহঁতৰ এনে আকোৰগোজ সিদ্ধান্তত হঠাতে যেন মোৰ মনৰ সেই উদ্যমকণৰো মৃত্যু হ'ল। মোৰ সমস্ত বুদ্ধি পুৰি ছাঁই হৈ ৰ'ল। মই ভাবিলো মই ইহঁতৰ লগত ওলাই যোৱা মানে মোৰ সমাধি সজোৱাত মই সিহঁতক সহায় কৰি দিয়া। সেয়েহে মই বিবেকশূন্য ভাবে, সিহঁতৰ লগত নোযোৱাৰ সিদ্ধান্তৰে লাগ-বান্ধ নোহোৱা চিঞৰ কিছুমান আৰম্ভ কৰি দিলো। ফলশ্ৰুতি হিচাবে মোৰ অবিবেচক চিঞৰবোৰে সিহঁতক কিছু কঠোৰ কৰি তুলিলে। সিদ্ধান্ত দৃঢ় হৈ পৰা সিহত চাৰিওটা মোৰ কাষলৈ এখোজ দোখোজকৈ আগবাঢ়ি আহিল। এটা সময়ত সিহঁতে মোক বিচনাৰ পৰা টানি চোচোৰাই একেবাৰে পদূলি পোৱালেগৈ। মই 'ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে"ক সাৰোগত কৰি পৰিস্থিতিক হজম কৰাৰ চেষ্টা চলালো। মোৰ জীৱন বালিঘৰ আজি যে কালৰ ধুমুহাত উচ্ছন্ন হোৱাৰ পথত সি আকাশ বাণীৰ আগলিবতৰাৰ দৰেই মোৰ কৰ্ণপটত প্ৰতিধ্বনিত হ'ল। ইতিমধ্যে "বলক" বুলি যেতিয়া সিহঁত চাৰিটাই মোক লৈ পদযাত্ৰা আৰম্ভ কৰি দিলে তেতিয়া মই অবাক হ'লো। ভাবিছিলো ওচৰ-পাজৰে ক'ৰবাত ইয়ামাহা, মাৰুতি কিবা থাকিব আৰু তাতে উঠাই মোক লৈ যোৱা হ'ব কোনোবা অচিন ঠাইলৈ য'ত নেকি সমাপ্ত হ'ব মোৰ সমাধি পৰ্ব। কিন্তু মই ভবা মতে আৰম্ভণি নহ'ল। মাৰুতি ইয়ামাহা একো নাই। সিহঁতে খোজকাঢ়িলে, ময়ো খোজকাঢ়িলো। অৰ্থাৎ পদযাত্ৰাৰে অপহৰণ। মোৰ অপহৰণৰ ক্ষেত্ৰত এনে কৃপনালি কিয় কৰা হ'ল মই বুজিবলৈ টান পালো। নিশা তেতিয়া কিমান হৈছিলগৈ সেয়া অনুমান কৰাত মই ব্যৰ্থ হৈছিলো। কুঁৱলীৰে আছন্ন আকাশমাৰ্গত তেতিয়া তৰা এটিৰো কোনো অস্তিত্ব নাছিল। হয়তো কুঁৱলী প্ৰবাহৰ আক্ৰমণত সিহঁত পৰাজয়ৰ আঁৰবেৰত খোপনি লৈছিলগৈ। ইতিমধ্যে

মোৰ অণ্ঠকণ্ঠ শুকাই গৈছিল। মৰুভূমি সদৃশ হৈ পৰা মোৰ ডিঙিটো কেতিয়া ক'ত কিদৰে তিয়াই ল'ব পৰা যায় মই তাৰ চিন্তাৰে বাট বুলিছিলোঁ। ঘৰখনলৈ মোৰ হঠাৎ মনত পৰি গৈছিল। মাজনীৰ মুখখনো মোৰ মানস পটত জিলিকি উঠিছিল। এৰা মোৰ যদি মৃত্যু হয় সেই খবৰ ঘৰখনে পায় বা নাপায় তাৰো কোনো ঠিকনা নাই। ছাত্ৰ সন্থাৰ মোৰ সতীৰ্থ বন্ধুসকলে ছাগৈ মোৰ মৃত্যুত শোক সভা পাতি দিব···। হঠাৎ মোৰ খংটোৱে মোৰ মগজুত গোৰ সোধাইছিল। মোৰ সিহঁতক সুধি দিবৰ মন গৈছিল — "হেৰা ধুৰন্ধৰহঁত,— আপোনাসবে যাক অপহৰণ কৰিব লাগে তাক নকৰি এই অধমক কি অপৰাধত জগৰীয়া কৰিছে? মই বাৰু আপোনালোকৰ চকুৰ কুটা, দাঁতৰ হুল কেনেকৈ হ'লো? মইতো সম্পূৰ্ণ নিস্বাৰ্থভাৱে সদায়ে ছাত্ৰসমাজৰ হকে, ৰাইজৰহকে সেৱা কৰি আহিছোঁ। এজন ছাত্ৰনেতা হিচাবে মই কাহানিও ৰাজনীতিৰ আখৰা মঞ্চলৈ নতুবা দুৰ্নীতিৰ নৰ্দমালে নমা নাই। এনে ক্ষেত্ৰত চাউল উকলা সকলৰ তালিকাত মোৰ নামটো কিহৰ ভিত্তিত লিপিবদ্ধ হ'ল? অসমত দালাল আছে। কোটি টকাৰ উৎকোচ লওঁতা, দিওঁতা মানুহ আছে। বোৱাৰী-জীয়াৰী ধৰ্ষণ কৰোৱাব পৰা নেতা আছে। সাম্প্ৰদায়িক সংঘৰ্ষ লগাব পৰা, নিতৌ'ৰ্ষী অসমীয়াক গুলিয়াই মাৰি সন্ত্ৰাসবাদীৰ আখ্যা দিব পৰা চতুৰ ৰাজনীতি-বিদ আছে।—সেইবোৰৰ ডিঙিত নধৰেগৈ কিয়? পিছে মুখ খুলি একো নক'লো। হয়তো সেইদৰে কোৱাটো মোৰ পক্ষে মংগলজনক নাছিল বুলি মোৰ বিবেকে বুজি পাইছিল। ···হঠাৎ কাঁইটৰ গছ এজোপাত ভৰি দি মই চিৎকাৰ কৰি উঠিলো। কাঁইটৰ খোচত মোৰ ভৰিৰ পৰা তেজ বৈ পৰিছিল। যদিও সিহঁতৰ মোৰ তেনে দুৰৱস্থাৰ প্ৰতি কোনো সহানুভূতি নাছিল। সেইদৰেই মই গৈ আছো। সিহঁতে মোক কোনফালে কোনটো বাটেৰে ক'লৈ লৈ গৈছিল মই ভালদৰে তৎ ধৰিব পৰা নাছিলো। কিন্তু গৈ গৈ যেতিয়া চহৰখনৰ সংৰক্ষিত শ্মশানখনিৰ সমুখত হাজিৰ হ'লোগৈ তেতিয়াহে মোৰ চকু কপালত উঠিল। মোৰ তেতিয়া যিমান ভয় লাগিছিল তাতকৈ বেছি মই আচৰিতহে হৈছিলো। ভাবিলোঁ ইহঁতে বাৰু সচাই মোক মাৰি মেলি একেবাৰে কবৰেই দি যাব নেকি? নহ'লেনো মোক অতদূৰ চোচৰাই চোচৰাই আনি শ্মশানত কিয় থিয় কৰাব? ইতিমধ্যে শ্মশানখনৰ লোহাৰ প্ৰকাণ্ড গেটখন খোল খাই গৈছিল। মোক ভিতৰলৈ লৈ যাব খোজাত মই কন্দনামুৱা হৈ ক'লো— "চাওক এনেয়ে মই ভূত-প্ৰেতলৈ ভয় কৰোঁ। মোক এনে অগ্নি পৰীক্ষাত তুলি নধৰিব। মোৰ হাৰ্ট ফেইল হৈ যাব।" নাই—নুশুনে। লৈ গ'ল মোক শ্মশানৰ ভিতৰলৈ। মই চকুদুটা মুদি ভগৱানৰ নাম ল'লোঁ। ভগবানৰ ৰূপ এটা মোৰ দুচকুত থিয় কৰাই লৈ ক'লো, "হে প্ৰভু মই যেন ইয়াত থাকি যাবলগা নহয়। সিহঁতে মোক বলিৰ পাঠাৰ দৰে লৈ গৈছিল। হঠাৎ নাতিদূৰত শ্মশানৰ একোণৰ কোমল ঘাঁহনিৰ বুকুত কুঁৱলী প্ৰবাহৰ অবিৰত আক্ৰমণক কটাক্ষ কৰি দাড়ি-গোফেৰে পৰিপূৰ্ণ অন্য এজন ব্যক্তিক আপোনবিভোৰ ভাৱত অকলশৰে বহি থকা দেখি মই অবাক লাগিলো। মই মোক লৈ অহা যুৱককেইজনক সতৰ্ক কৰি চিঞৰি উঠিলো, "চাওক সেইটো ভূত বহি আছে।" মোৰ কথাত যুৱককেইজনে হাঁহি মাৰি ক'লে, "ইয়াত আপুনি ভয় কৰাৰ কোনো কাৰণ নাই। সেয়া আমাৰ দলপতিহে, ভূত নহয়।" উত্তৰ শুনি মই নিশ্চুপ হ'লো। মই গোটেইবোৰ সপোন সপোন যেন পালো। এটা সময়ত সিহঁতে মোক সিহঁতৰ দলপতিজনৰ ওচৰলৈ লৈ যোৱাত দলপতিজন থিয় হৈ সম্ভাষণৰ ভংগিত কৈ উঠিল— "আহক বন্ধু মই আপোনাৰ অপেক্ষাত বৈ আছো।" ইতিমধ্যে আৰু কেইবাজনো অচিনাকি যুৱক মোৰ চাৰিও-ফালে থিয় দিছিলহি। মই পিছে জীৱনৰ

বিয়লি বেলাৰ এনে বিপদসংকুল সন্ধিক্ষণত বন্ধুত্বৰ তেনে আহ্বানত আহ্লাদিত হোৱাৰ কোনো কাৰণ নেদেখিলো। কেইটিমান নিৰৱ মুহূৰ্তৰ অন্তত দলপতিজনে পুনৰ আৰম্ভ কৰিছিল । "আমাৰ সতীৰ্থ বন্ধুৱে আপোনাক ইয়ালৈ অনাৰ বাটত আপুনি হয়তো বহু কষ্ট পালে। তাৰ বাবে আমি আপোনাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। এতিয়া আহোঁ আমাৰ উদ্দেশ্যলৈ। আমি আপোনাক কেইটামান প্ৰশ্ন সুধিবলৈ ইয়ালৈ লৈ আনিছো। যথাযথ উত্তৰ পালে আপোনাক আমাৰ সতীৰ্থই ঘৰত থৈ আহিবগৈ।" ... মোক যেন কিবা কাৰণত বলিশালৰ পৰা মুকলি কৰি দিয়া হ'ল। জীয়াই থকাৰ মোৰ 'লাইচেন্স'খন যে "জিৰ' ভেলু' হৈ যোৱা নাই তাৰ আনন্দত মই একপ্ৰকাৰ অত্যুৎসাহীৰ দৰে কৈ উঠিলো— "সেইটোনো কি ডাঙৰ কথা— সোধক"।

"আমিও তাকেই আশা কৰিছো। বাৰু কওকচোন— খৰ্গেশ্বৰ তালুকদাৰ কোন?" দলপতিজনৰ প্ৰশ্নত মই ক্ষন্তেক বৈ উত্তৰ দিলো—"খৰ্গেশ্বৰ তালুকদাৰ অসমৰ অস্তিত্ব ৰক্ষা (?) আন্দোলনৰ প্ৰথম শ্বহীদ। —'৮৩ৰ ৰক্তাক্ত নিৰ্বাচনৰ প্ৰশাসনীয় বৰ্ব্বৰতাৰ জলন্ত নিদৰ্শন খৰ্গেশ্বৰ তালুকদাৰ।"

—সেই আন্দোলনত আৰু কিমানজন শ্বহীদ হৈছিল?

—সাতশৰো অধিক।

—অসমৰ হকে জীৱন দি সিহঁতে পালে কি?

—নিজাববীয়াকৈ একোটা শিলৰ সমাধি। পৰিয়ালে প্ৰতি ৩০,০০০ হাজাৰ টকা।

দলপতিজনে মোৰ উত্তৰত কেইটিমান মুহূৰ্ত নিৰৱে থাকি পুনৰ সুধিলে—"শেহতীয়াকৈ আলফাৰ সংগ্ৰামখনত কিমানজনে প্ৰাণ দিলে?"

—ক্ষমা কৰিব, সেই হিচাব মোৰ লগত নাই।

—আলফাৰ সৈনিক হিচাবে জীৱন দিয়া কেইজনমান বিপ্লৱীৰ নাম কওকচোন?

—মই উত্তৰত উদ্দিপ্ত হাজৰিকা, হীৰকজ্যোতি মহন্ত, মেঘ ফুকন, অনিৰ্বাণ হাজৰিকা আৰু অজিত মেধিৰ নাম ল'লো।

—হ'ব, আৰু সুধিবলগীয়া নাই।

মই ক'লো—"আপোনালোকে শ্বহীদৰ কেৱল কথাই যে সুধিলে?"

—এৰা, আপোনালোকে আমাক পাহৰি গৈছে নেকি তাকে জানিব বিচাৰিছিলো।

তাঁৰমানে আপোনালোক......?

—হয় আমিয়েই সেই শত-সহস্ৰ শ্বহীদৰ আত্মা...।

—আত্মা...? ? ? ...

০ ০ ০ ০ ০ ০ ০

—এই পলাশ, পলাশ...?

চকু দুটা মেলি দি দেখিলোঁ মায়ে মোৰ কোঠাটো সাৰি আনিছে। মই সাৰ পোৱা বুলি জানি মায়ে পুনৰ ক'লে, "ইমান দেৰিলৈকে শুই আছ শ্বহীদ দিৱসলৈ নাযাৱ নেকি?" মই পিছে মাৰ কথাৰ কোনো উত্তৰ নিদি সপোনটোলৈ মনত পেলালোঁ। ইতিমধ্যে মায়ে কোঠাৰ খিৰিকিকেইখন খুলি দিছিল। মই শুই শুইয়েই খোলা খিৰিকিৰে বাহিৰলৈ চাই পঠিয়ালোঁ। বাহিৰত তেতিয়া পুৱাৰ প্ৰোহৰ।

হেঁৰোৱা

# দিগন্তৰ

## মায়া

গোলাপ বৰুৱা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)

"অমিয়াৰ ঘৰখন চহৰৰ পৰা অলপ নিলগৰ, মধুপুৰ বুলি কোৱা গাওঁখনত। অমিয়াৰ পৰিয়ালত মাত্ৰ তিনিটা প্ৰাণী এজনী চাৰি বছৰীয়া ছোৱালী সাবিত্ৰী আৰু মাক-পুতেক (সূৰুয)। এই তিনিওটি প্ৰাণীকে এই সংসাৰত এৰি থৈ অমিয়াৰ গিৰীয়েকে ইহলীলা ত্যাগ কৰি গুচি যায়। অমিয়াৰ গিৰীয়েক ঢুকোৱা আজি এবছৰ হৈছে। সেয়ে অমিয়াই অসীম ধৈৰ্য্যৰে, সাহসেৰে গিৰীয়েকৰ ঠাই পূৰণ কৰিব লগীয়া হৈছে। তাই হাতৰ, কাণৰ অলঙ্কাৰ সোলোকাই পেলালে, কিন্তু তাই ভাগি নপৰিবৰ বাবে দৃঢ়সংকল্প কৰিলে। পিতৃহীনতাৰ দুখ অনুভৱ নকৰাকৈ ৰাখিবৰ কাৰণে অমিয়াই বুকুৰ সকলো মৰমেৰে সূৰুজ আৰু সাবিত্ৰীক আবৰি ৰাখিবলৈ যত্ন কৰিলে। পুৰণিৰ প্ৰতি শ্ৰদ্ধাশীল, বৰ্তমানৰ ওপৰত আস্থাশীল আৰু ভৱিষ্যতৰ প্ৰতি আশাবাদী কৰি অমিয়াই সূৰুযহঁতক ডাঙৰ-দীঘল কৰিছে। তাই ২৫/২৬ বছৰীয়া এজনী গাভৰু ছোৱালীয়ে ভাগ্যৰ আৰু প্ৰতিকূল প্ৰকৃতিৰ লগত যুঁজিবৰ কাৰণে নিজকে প্ৰস্তুত কৰিলে। তাই সূৰুযহঁতৰ অকল মাকেই নহয়, পিতৃও।

অমিয়াৰ অতীতৰ স্মৃতি বিলাক বাৰে বাৰে মনলৈ আহিবলৈ ধৰিছে। অমিয়াৰ এই অন্তৰৰ বেদনা কোনেও বুজিব নোৱাৰে। হয়তো তাইৰ স্বামী আজি যদি জীয়াই থাকিলহেঁতেন, তাইৰ ঘৰখনৰ অৱস্থা এনে নহলহেঁতেন। তায়ো কেতিয়াবা আত্মহত্যা কৰি এই সংসাৰৰ পৰা বিদায় লবলৈ ইচ্ছা কৰে। কিন্তু মৰে কেনেকৈ ? কণমানি ল'ৰা-ছোৱালী কেইটিক অকলশৰীয়া কৰি সিহঁতক মৃত্যুৰ মুখলৈ ঠেলি দিয়া হ'ব ! নাই মৰিব নোৱাৰি, নাই ...... নাই নোৱাৰি। সেয়েহে তাই পুনৰ সূৰুযহঁতৰ মুখলৈ চাই ঘূৰি আহে। তাই জীয়াই থাকিব, একমাত্ৰ সূৰুযহঁতৰ ভৱিষ্যতৰ কাৰণে। সূৰুযক তাই ডাঙৰ মানুহ কৰিব, এইয়ে তাইৰ মনৰ কল্পনা। বিভিন্ন দুঃচিন্তাৰ মাজেদি ৰাতিৰ এন্ধাৰ আঁতৰি যায়। পূব আকাশত ৰঙা সূৰুয দেৱতাই পৃথিৱীলৈ হাঁহি কঢ়িয়াই আনে।

আজি কালিকৈ সূৰুয ডাঙৰ হৈ আহিল। দৰিদ্ৰ পৰিয়ালৰ ডাঙৰ সন্তান সূৰুযে নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে এদিন বি, এ, পাছ কৰে।

মাক অমিয়াৰ বহুদিনৰ কষ্টৰ সাৰ্থক হ'ল। আনন্দতে পুতেকক সাৱটি ধৰিলে। কিন্তু সেই সুখ, সেই আনন্দ বেছিদিন নাথাকিল। সুৰুযৰ মন লাহে লাহে নিবনুৱাৰ ক'লা ডাৱৰে আগুৰি ধৰিলে। নানা ঠাইত আবেদন-নিবেদন কৰি বাচনি পৰীক্ষা দি সুৰুয ভাগৰি পৰিল। পুৱাতেই চাকৰিৰ সন্ধানত ওলাই যোৱা সুৰুয গধূলি ঘৰলৈ ঘূৰি আহে, এখন শুকান মুখ লৈ। মাকে আঠেবেথে খোৱাৰ যোগান ধৰে। সদায়েই পাই অহা মাকৰ এনে আদৰ-সাদৰ সহ্য নোহোৱা হয়। কিমান দিন আৰু মাকৰ আদৰ লব? কিমান আমনি দিব? নিজে নিজে সি ভাৱে। মাকৰ বাধ্য সুৰুয সময়ত চাকৰিৰ আশাত উদ্বিগ্ন হৈ পৰে। বাৰে বাৰে নিজকেই কয় — নাই নহব। মাৰ আদৰৰ পুত্ৰ, আলাসৰ লাৰু হৈ সুৰুযে আৰু মৰম নিবিচাৰে। সুৰুয আঁতৰি যাব, মাক আৰু ভনীয়েকৰ পৰা বহু দূৰলৈ। সি আৰু মাকক আমনি নিদিয়ে। বহুত চেষ্টা কৰিও সুৰুয বিফল হয়। সুৰুযে জানে সি গোপনে আঁতৰি যোৱা মানে তাৰ মাকৰ মৃত্যু হোৱা। হলেও সুৰুযে সকৰেপৰা দেখি অহা মাকৰ কষ্টক সহ্য কৰিব নোৱাৰা হ'ল। নোৱাৰা হ'ল নিষ্কৰ্মা হৈ জীৱন কটাব। শেষত সুৰুযে সংগোপনে গাত এটা চাৰ্ট, এটা মলিয়ন পাইজামাৰে জন্মভূমি মধুপুৰ এৰি চেনেহী মাকক আৰু ভনীক এৰি মহানগৰী গুৱাহাটী অভিমুখে গুছি গ'ল।

কোলাহল আৰু ব্যস্ততাপূৰ্ণ মহানগৰৰ বুকুত সুৰুযে নিজকে বিলাই দিয়া নাছিল। অথচ মানৱতাবোধক জীয়াই ৰাখিবলৈ সুৰুযে সংগ্ৰাম কৰিলে। সেই সংগ্ৰামত সুৰুযে অলপো সংকোচবোধ নকৰিলে। কাৰণ মহানগৰৰ বুকুত হয়তো তেনে বহুতো সুৰুযেই লুকাই আছে। কোনে জানে? কোনোবা ৰিক্সাৱালাই মদ খাই অচেতন হৈ পৰি থাকিলে, সুৰুযে তাৰ ৰিক্সা ভাৰা মাৰে। পুনৰ চেতনা লাভ কৰা ৰিক্সাৱালাক ৰিক্সাখন ঘূৰাই দিয়ে। ৰেলগাড়ী অহা সময়ত সুৰুয যায়গৈ মতীয়াৰপেৰে ৰেলষ্টেচনলৈ। এইদৰে সি জীৱিকাৰ উপায় উলিয়াই লয়। কিন্তু ··· ··· কিন্তু সেইদৰে আৰু সি কিমান দিন থাকিব — তাৰ মনটো নিজৰ ওপৰতে বিদ্ৰোহী হৈ পৰে। সি নিজকে ভাৱে ইমান পঢ়ি শুনি আজি গুৱাহাটীহেন মহানগৰীত এটা সাধাৰণ কুলীৰ কাম কৰিবলৈ তাক কিহে পাইছে?

এইদৰে মাহ বাগৰে, ছমাহ হয়, বিহু আহে, মৰমৰ সুৰুয বোপা পুনৰ ঘৰলৈ ঘূৰি আহে। মৰহি যোৱা ঘৰখনে জীৱন্তৰূপ লয়। হেৰোৱা সোণ, সুৰুযৰ আগমণে ঘৰখনক দি যায় বসন্তৰ আগজাননি। মাকে আঁকোৱালি ধৰে। ভনীয়েকৰ মুখতো হাঁহি ৰিৰিঙি উঠে। পুতেকৰ উপস্থিতিত মাকৰ মনলৈ আহে অতীতৰ জীৱনৰ প্ৰতিচ্ছবি। আগৰদৰে আলপৈচান ধৰি নানা প্ৰশ্ন পুতেকক সোধে। কলৈ গৈছিলা ইমান দিন? ক'ত আছিলা? ইত্যাদি ইত্যাদি। সুৰুযে মাকৰ বেদনা বুজাকৈ নাথাকি উত্তৰ দি যায় — "মা তুমি অমিয়া হৈ যি পুত্ৰ জনম দিলা, সেই পুত্ৰ সুৰুযে আজি ঘৰখনক অমিয়া ঢালিব পৰা নাই। হয়তো আৰু নোৱাৰিবও। কাৰণ মই এটা অপদাৰ্থ প্ৰাণী। চাকৰিৰ কাৰণেযে ক'ত কিমান ঘূৰিলো, তথাপিও চাকৰি এটা যোগাৰ কৰি ল'ব নোৱাৰিলো।" এই বুলি সুৰুযে বেজাৰত চকুলো টোকে। আৰু সুৰুযক শান্তনা দি অমিয়াই কবলৈ ধৰিলে — "নেকান্দিবি সুৰুয, দৰিদ্ৰ জীৱনৰ এয়ে ফল।"

গধূলি সাবিত্ৰীয়ে তাই কমৰ পৰা কিবা পোৰা পোৰা গোন্ধ পায়। সেই গোন্ধ ককায়েকৰ কমৰ ভিতৰৰ পৰাই যে আহিছে সেই কথা তাই সন্দেহ হ'ল। তাই ককায়েকৰ কমৰ দৰ্জাখনৰ ওচৰলৈ গৈ ককায়েকক চিঞৰি চিঞৰি মাতিলে। —

: ককাইদেউ দৰ্জ্জাখন খোলা, কিবা পোৰা পোৰা গোন্ধাইছে ।

মাকে জীয়েকৰ চিঞৰ শুনি তাইৰ ওচৰলৈ দৌৰি আহি শুধিলে —

: কি হৈছে ?

: জানো ককাইদেউৱে দৰ্জ্জাখন মাৰি কি কৰিছে । আৰু কিবা গোন্ধাইছে ।

শেষত সিহঁত দুয়ো লগলাগি দৰ্জ্জাখন ভাঙি সোমাই দেখিলে যে সূৰুয়ে তাৰ সমূহ "চাৰ্টিফিকেট" জুই লগাই পুৰি পেলাইছে ।

: এইয়া তুমি কি কৰিলা সোণ ! —"এই বুলি কৈ অমিয়াই কান্দিবলৈ ধৰিলে । ভনীয়েকে জ্বলি থকা চাৰ্টিফিকেটবিলাক নুমুৱাবলৈ যত্ন কৰিছে । সূৰুয়ে অতি কৰুণভাৱে ভনীয়েকক বাধা দি ক'লে —

: জ্বলিবলৈ দিয়া সাবিত্ৰী, জ্বলি জ্বলি সকলো শেষ হৈ যাওঁক । আজি সেইবোৰ মোৰ বাবে একেবাৰে অৰ্থহীন । এই বুলি কৈ সূৰুয়ে হুক্ হুকাই কান্দিবলৈ ধৰিলে । মাক, জীয়েক, পুতেক তিনিও জ্বলি থকা জুই কুৰাৰ ফালে চাই চাই কান্দি থাকিল । শেষ, সকলো শেষ ! সূৰুযৰ আশা ; ভৱিষ্যৰ সপোন সকলো শেষ । জ্বলি জ্বলি সকলো ধোৱা হৈ ওপৰলৈ উৰি গ'ল । সেই ধোৱা ; তথা মূল্যবান ধোৱা ; উৰি গ'ল বহু দূৰ দূৰদিগন্তলৈ .... .... ! □

" মই সমগ্ৰ মানৱ জাতিৰে মূল ঐক্যত বিশ্বাস কৰোঁ । যদি এজন মানুহৰ আধ্যাত্মিক উন্নতি হয়, তেন্তে গোটেই জগতৰ লাভ হয় । যদি এজনৰ অৱনতি হয়, গোটেই জগতৰে ক্ষতি হয় ।"

—মহামানৱ মহাত্মা গান্ধী

# এটা আগ্নেয়গিৰিৰ দৰে...................

মুকুট ফুকন
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

মৃদুল আহিছিল ; বহুত দিনৰ মূৰত আহিছিল । এনেদৰে আহিছিল যেন এজাক ধুমুহাৰ এক প্ৰতিনিধি। ধুমুহাৰ ৰূপত যেন মৃদুলে সমাজৰ দুৰ্নীতি-অনীতি শোষণ সকলো নিকা কৰি নিব। তাক দেখি চিনি পাবলৈ যথেষ্ট কষ্ট হৈছিল। বৰ্তমানৰ মৃদুল আৰু পাঁচবছৰৰ আগৰ মৃদুলৰ মাজত থকা পাৰ্থক্যখিনি বিচাৰি উলিয়াবলৈ টান। পাঁচ বছৰৰ আগৰ মৃদুলৰ মুখত সেই কমনীয়তা, মিঠা হাঁহিৰ ঠাইত দেখিলো নিষ্ঠুৰতা আৰু নিস্তেজ হাঁহি। আগৰ সেই চঞ্চলতাৰ ঠাইত গম্ভীৰতা বিৰাজমান । প্ৰথম অৱস্থাত তাৰ ওচৰত মই সহজ হ'ব পৰা নাছিলোঁ। কথাৰ মাজতে সি মোক প্ৰশ্ন কৰিছিল "সশস্ত্ৰ বিপ্লৱেৰেহে অসমৰ জনসাধাৰণৰ সমস্যা সমাধান কৰিব পৰা যাব"— তই বিশ্বাস কৰণে এই যুক্তি? মই সাজু নাছিলো এনেধৰণৰ প্ৰশ্নৰ সন্মুখীন হ'ম বুলি। লগেলগে একো প্ৰত্যুত্তৰ দিব নোৱাৰি ভেবা লাগি চাই আছিলোঁ— তাৰ মুখলৈ। মোৰ মনৰ অৱস্থা ধৰিব পাৰিয়েই হয়তো সি তাৰ ফালৰ পৰা উত্তৰ দি গৈছিল। এক দীঘলীয়া বক্তৃতাৰে সি কৈ গৈছিল, মই কেৱল নিৰৱে তলমূৰকৈ শুনি আছিলোঁ।

"জান বৰ্তমান সমাজ ব্যৱস্থাত ঘূণে ধৰিছে। সমাজৰ চুকে-কোণে দেখা দিছে বিভিন্ন সমস্যাই ; গা কৰি উঠিছে নিত্য নতুন সমস্যাই। অথচ সমস্যা সমাধানৰ নাম গোন্ধেই নাই। অসমৰ জনসাধাৰণৰ সমস্যা সমাধান কৰিবৰ বাবে জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ আছে। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা যায় জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰখনে সৰ্ব-সাধাৰণৰ সমস্যাৰ প্ৰতি কোনো গুৰুত্বই নিদিয়ে। জনসাধাৰণৰ ভোটেৰে মন্ত্ৰীত্বৰ সোৱাদ লোৱাতেই ব্যস্ত— চৰকাৰী প্ৰতিনিধি সকল। যিখন চৰকাৰক জনসাধাৰণে নিৰ্বাচিত কৰে, সেই চৰকাৰৰ ওচৰতে জনসাধাৰণে পুনৰ হাতযোৰ কৰিবলগা হয়। সমস্যাসমূহৰ সমাধানৰ বাবে আশ্ৰয় ল'বলগা হয় ধৰ্মঘট, অনশন আদিৰ দৰে পদক্ষেপ। তাকে কৰিবলৈ যাওঁতে সন্মুখীন হয় চৰকাৰী নিৰ্য্যাতন। ইয়াৰ পাছতো পাইনে বাৰু অসমৰ জনসাধাৰণৰ ন্যায্য প্ৰাপ্যখিনি? নাপায় সেয়ে মই কওঁ অসমৰ সমস্যাসমূহ সমাধানৰ বাবে হাতত অস্ত্ৰ তুলি ল'বই লাগিব। হাতত অস্ত্ৰ তুলি লৈ প্ৰত্যক্ষভাৱে আমি সমস্যা সমাধানৰ চেষ্টা কৰিব লাগিব।"

—"কিন্তু হাতত অস্ত্র তুলি ল'লেই সমস্যা সমাধান হ'ব জানো ? বিপ্লৱৰ একমাত্র পথ সশস্ত্র সংগ্রাম নেকি ?" — মৃদুল মাজতে বৈ যোৱাত মই প্রশ্ন কৰিছিলো। মোৰ মুখৰ পৰা ওলোৱা এনে বিৰোধাত্মক প্রশ্নৰ প্রতিক্রিয়া কি হ'ব ভাবি চিন্তিত হৈ পৰিছিলো। ভাবিছিলো মৃদুলে হয়তো সজোৰে প্রতিবাদ কৰি উঠিব। কিন্তু সি শান্তভাৱেৰে উত্তৰ দি গৈছিল —

—"তই ঠিকেই প্রশ্ন কৰিছ। স্বীকাৰ কৰিছোঁ সশস্ত্র সংগ্রামেই বিপ্লৱৰ একমাত্র পথ নহয়। বিপ্লৱৰ আন শান্তিপূর্ণ পথো আছে। কিন্তু বন্ধু অসমৰ জনসাধাৰণৰ বাবে আজি একমাত্র ভৰষাৰ স্থল—সশস্ত্র বিপ্লৱ। প্রায় ২২ বছৰ আগৰে পৰা আন্দোলন, বিপ্লৱৰ সৈতে জড়িত অসমৰ জনসাধাৰণে আজি উপলব্ধি কৰিব পাৰিছে শান্তিপূর্ণ বিপ্লৱৰ বিফলতা আৰু সশস্ত্র বিপ্লৱৰ প্রয়োজনীয়তা। ভাষা আন্দোলন আৰু বিদেশী বহিষ্কাৰ আন্দোলন জানো শান্তিপূর্ণ সংগ্রাম নাছিল ? কি পালে ? চৰকাৰ যন্ত্রই শান্তিপূর্ণ বিপ্লৱৰ মাজলৈ অশান্তিৰ বীজ সিঁচি ভাতৃঘাটী সংঘৰ্ষৰ 'সৃষ্টি কৰা নাছিল নে ? আন্দোলনকাৰীক বশ কৰিবৰ বাবে ভাৰতীয় সৈন্য মেলি দি শ শ যুৱক-যুৱতী ; বৃদ্ধ,বণিতাৰ প্রাণ লোৱা নাছিলনে ? কি নৈতিক অধিকাৰ আছিল চৰকাৰ যন্ত্রৰ এনে কাৰ্য্যৰ ?" উপৰা-উপৰিকৈ এনেবিলাক প্রশ্ন কৰি মৃদুল বৈ গৈছিল। মোলৈ একেথিৰে চাই কোৱা তাৰ চকুত দেখিছিলো অগ্নিৰ স্ফুলিংগ। উত্তৰৰ আশাতেই চাগৈ সি মোলৈ চাই কৈছিল। কিন্তু মোৰ ওচৰত সেই প্রশ্নবিলাকৰ উত্তৰ নাছিল। মই ভাবি আছিলো মৃদুলৰ মানসিকতাৰ কথা। এক পৰিবর্তিত সুৰত সি পুনৰ কৈ গৈছিল— "ইতিহাস মেলি চাবি ; দেখিবি— অসমৰ জনসাধাৰণে ন্যায্যতাৰ হকে যুগে যুগে চলাই অহা সংগ্রামৰ ফলস্বৰূপে পাই আহিছে কেৱল প্রৱঞ্চনা। নিৰৱ দর্শক হৈ আহিছে আলোচনা নামৰ এক ভেকো-ভাওনাৰ। পাই আহিছে সমস্যা সমাধানৰ নামত এক ভুৱা প্রতিশ্রুতি, প্রলোভন। শত শত শ্বহীদৰ ত্যাগক কলঙ্ক সানি অসমবাসীৰ শেষ আশাকনো চুৰমাৰ কৰি দিয়ে—এক ভুৱা চুক্তিৰে। ৰাজনীতিৰ মেৰপাকেৰে এচাম প্রকৃত সংগ্রামীক সলনি কৰা হ'ল—ভণ্ড দেশপ্রেমীকলৈ। ইয়াৰ পাছতো জানো শান্তিপূর্ণ সংগ্রামৰ ওপৰত আস্থা ৰাখিব পাৰি ?

কিন্তু মৃদুল তই ভবাৰ দৰে কৰিবলৈ গ'লে যে আমি দেশদ্রোহী, অপৰাধী হ'ম। ইয়াৰোপৰি জনসাধাৰণে জানো আমাক সমর্থন জনাব ? হয় নহয়ৰ এক দোমোজাৰ মাজত পৰি মই প্রশ্ন কৰিছিলো।

ঠিকেই বন্ধু, আজি যুক্তিৰ ভেটিত মুক্তিৰ হকে সংগ্রাম কৰিলে—চৰকাৰৰ চকুত সি সন্ত্রাসবাদ হয়। মুখাপিন্ধা শিয়ালজাকৰ বাবে হয় বিভীষিকা, সন্ত্রাস। কিন্তু অস্তিত্ব ৰক্ষাৰ বাবে সংগ্রাম কৰোঁতেই যদি সন্ত্রাসবাদ হয় তেন্তে তেনে সন্ত্রাসবাদৰ অন্য এক নাম হ'ব মানৱতাবাদ। যদি হাতত অস্ত্র তুলি ল'লেই সন্ত্রাসবাদ হয় তেন্তে অসমৰ মুক্তিকামী জনসাধাৰণৰ ওপৰত অবিৰতভাৱে চলি থকা শোষণ-অত্যাচাৰ-উৎপীড়ন কিয় নহয় সন্ত্রাসবাদ ? সেয়ে কওঁ অসমৰ সমস্যা সমাধানৰ বাবে এক পৰিকল্পিত, সু-সংগঠিত সশস্ত্র বিপ্লৱৰ নিতান্তই প্রয়োজন। এখন শোষণহীন, শ্রেণীহীন অসম গঢ়ি বিজ্ঞানসন্মত সমাজবাদ প্রতিষ্ঠা কৰিবলৈ সশস্ত্র বিপ্লৱৰ প্রয়োজনীয়তা আহি পৰিছে। অসমৰ জনসাধাৰণে আজি শান্তি বিচাৰে ; কিন্তু মৰিশালিৰ শান্তি নহয় ! মান মৰ্যদা, বিসর্জন দি ; ৰাষ্ট্রযন্ত্রৰ ওচৰত শিৰ নত কৰি, লুণ্ঠন প্রক্রিয়াতো নির্বিচাৰে মানি লোৱাৰ প্রতিশ্রুতিৰে আদায় কৰা শান্তি নহয়। আজি অসমৰ জনসাধাৰণে ন্যায্যতাৰ হকে মাতিলেই ৰাষ্ট্রদ্রোহ হয়—সেয়ে আমি ৰাষ্ট্রদ্রোহ মুকলিকৈ কৰিম — সশস্ত্র বিপ্লৱৰ

জড়িয়তে। বন্ধু, মাজনিশা কৰা চুক্তিৰে সোণৰ অসমৰ প্ৰতিশ্ৰুতি দিয়া এচাম বিপ্লৱীৰ প্ৰতাৰণা জানো অসমৰ জনসাধাৰণে পাহৰিব পাৰিব ?

মৃদুল বৈ গৈছিল । মৃদুলক মোৰ এক সুপ্ত আগ্নেয়গিৰিৰ দৰে লাগিছিল। খুব কঠোৰ দেখাইছিল তাৰ মুখখন। তাৰ বক্তব্যৰ ওপৰত প্ৰশ্ন কৰা বা উত্তৰ দিয়াৰ সাহস মোৰ নাছিল । এটা সময়ত সি নিৰৱে ওলাই গৈছিল। এৰি থৈ গৈছিল কিছুমান গভীৰ উপলব্ধি। এৰি থৈ গৈছিল কিছুমান উত্তৰহীন প্ৰশ্ন— কোন আগবাঢ়িছে সঠিক পথে ? মৃদুলৰ দৰে এচাম যুৱক নে আমাৰ দৰে এচাম যুৱক ? অযানিতে মৃদুলৰ পথ সঠিক যেন লাগিছিল; অথচ বাস্তৱক জানো নুই কৰিব পাৰিম ?

মৃদুল আহি গুচি গ'ল। এৰি গ'ল উপলব্ধি। মোৰ মুখৰ কমনীয়তা, মিঠা হাঁহি যেনে ক্ৰমাৎ নিষ্ঠুৰতা, শেতা হাঁহিলৈ ৰূপান্তৰ হৈ যাব ধৰিছে । নিজকে মৃদুলৰ সহযাত্ৰী যেন অনুভৱ কৰিবলৈ ধৰিলোঁ।

"ধন দেখি তোমাক সমাদৰ নকৰো, জয় দেখি আদৰ নকৰো, সিংহাসন দেখি তোমাক সন্মান নকৰো, বাহুবলৰ নিমিত্তে তোমাক সম্ভ্ৰম নকৰো, কেৱল মন দেখিয়ে তোমাৰ পূজা কৰিম । তুমি যদি নিজে অমানুহ হোৱা আৰু হাতত টাঙোন লৈ মোক শাস্তি দিবলৈ উদ্যত হোৱা, তথাপি দণ্ডভয়ত মই তোমাক দণ্ডৱৎ নকৰো। কিন্তু তুমি যদি পবিত্ৰ চিত্তে, সাধু স্বভাৱে ভিক্ষাৰ মোনা লৈ আহাঁ তেনেহ'লে দেখামাত্ৰেই তোমাৰ ভৰিত দীঘল দি পৰিম। যদি মানুহ হ'বলৈ ইচ্ছা কৰা তেনেহ'লে নিজ মনক পবিত্ৰ কৰা, সৰল হোৱা নিজে সৰু হ'লেই ডাঙৰ হ'ব পাৰিবা, নিজক ডাঙৰ বুলি ভাবিলে কেতিয়াও ডাঙৰ হ'ব নোৱাৰিবা।"

**ঈশ্বৰ চন্দ্ৰ গুপ্ত**

# ধূপ

কৈলাশ গৌতম
স্নাতক চূড়ান্ত বৰ্ষ (কলা)



বহল বিছনাখনত নমিতাই ওপৰলৈ মুখ কৰি পৰি ৰ'ল । তাই আজি কাপোৰ-যোৰ সলাই, মুখ হাত ধুই গাৰ জড়তাখিনিও গুচাব নুখুজিলে । খিৰিকিয়েদি দূৰ আকাশ-খনিলৈ চাই পঠিয়ালে নমিতাই । আৰু তেতিয়া, সিহঁতৰ শেৱালিজোপাৰ সিপাৰে পশ্চিমৰ আকাশখনিয়ে ৰং সলাই, সলাই অৱশেষত আকাশখনি, ডাৱৰখিনি ক'লা হব খুজিছে । আৰু দেৱালৰ সিপাৰত লাগি থকা বৰ্ঘাহঁতৰ তামোল কেইজোপাত টোকোৰা চৰাই-বোৰে এটি কোলাহলপূৰ্ণ সন্ধিয়াৰ সৃষ্টি কৰিছে। আৰু নমিতাইও বহল বিছনাখনত শুই শুই মনৰ কোলাহলবোৰ নিঃশেষ কৰি এটা স্থিৰ সিদ্ধান্তলৈ আহিব খুজিলে । আৰু তেতিয়াই সেই দিনটোৰ স্মৃতিয়ে তাইক বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে, যিদিনা নেকি তাই প্ৰথম চাকৰিত যোগদান কৰিবলৈ ওলাইছিল ।

ঘৰৰ সকলোৰে কি যে স্ফূৰ্তি নমিতা চাকৰিলৈ ওলাইছে । শিক্ষয়িত্ৰী স্থানীয় হাইস্কুলৰ । ঘৰৰ পৰা স্কুললৈ অলপ দূৰ হলেও নমিতাই অহাযোৱা কৰাৰ কথা চিন্তা নকৰে । আৰু এটা সময়ত মাকক (শাহুক) সেৱা কৰি বৰজনা-কৰ ল'ৰা ৰমেশক গালত আঙুলি তিনিটা লগাই মৰম কৰি স্কুললৈ গৈছিল । জোনাকী পৰুৱা জ্বলি উঠাৰ নিচিনাকৈ এক মুহূৰ্তৰ বাবে নমিতাৰ গালত এটোপাল চকু-পানী জিলিকি উঠিল । হাত তুখন দাঙি তাই জাক নিবেদিতাৰ শুভেচ্ছা গ্ৰহণ কৰিলে ।

তাৰ পাছত সেই স্কুলতে নমিতাই লগ পালে বহুতক । আৰু লগ পালে ৰাজীৱক ৰাজীৱ উপাধ্যায় । বি, এছ, চি, বিজ্ঞানৰ শিক্ষক । গহীণ গম্ভীৰ খোজেৰে ৰাজীৱৰ যেন অনবৰতে হাঁহো হাঁহো কৰি থকা এখন মুখ । স্কুলৰ সকলো সহকৰ্মীকে ভাল লগাৰ দৰে ভাল লাগিল তাইৰ ৰাজীৱকো । তাই ক্ৰমা-ন্বয়ে তুখবোৰ পাহৰি, এটা মুকলিমূৰীয়া মন লৈ জীয়াই থাকিব খুজিছিল । আৰু ঘৰখনেও তাইৰ পৰা এটা মুকলি হাঁহি বিচাৰিছিল । কিন্তু, কিন্তু········ ।

তাৰ পাছত দিন গ'ল, ৰাতি হ'ল,

আকৌ ৰাতি আকৌ দিন । লাহে লাহে নমিতাই অনুভৱ কৰিলে ৰাজীৱে যেন তাইক বহুত কিবা কিবি কব খোজে। কিন্তু নমিতাই তেওঁক এদিনো সুবিধা দিয়া নাই । নমিতাৰ জীৱনৰ প্ৰায়খিনি কথাই ৰাজীৱে জানিছিল । কিন্তু এদিনো কোৱা নাছিল নমিতাৰ সান্নিধ্য বিছাৰিছিল । তাৰ পাছত আশ্চৰ্যজনকভাৱে এদিন ৰাজীৱে কৈ পেলাইছিল— নমিতা, আমাৰ দুয়োৰে জীৱন যেন একেটা ধুমুহাতে বিধ্বস্ত হোৱা জীৱন । পাৰ্থক্য মাথো— তুমি নাৰী আৰু মই পুৰুষ । আমাৰ দুয়োৰে দুখময় জীৱনটো লগ লগাই, সুখবোৰ, স্ফূৰ্তি-বোৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰোনে পাৰ ভাঙি উপচি যোৱাকৈ, ঠিক বানপানীত পাৰ ভাঙি উপচি যোৱা পানীৰ দৰে । আৰু সেই মুহূৰ্তত নমিতাৰ চকু. নাকে অনুশাসন নমনা হোৱাৰ উপক্ৰম হোৱাত তাই লাহে লাহে আঁতৰি আহিল ৰাজীৱৰ ওচৰৰ পৰা ।

আৰু তেতিয়া নমিতাৰ যৌৱনে ভাটি নিদিলেও মন আকাশত তাইৰ পলাশৰ ৰং নাছিল । আৰু সেইদিনা প্ৰায় গোটেই ৰাতি নমিতাৰ টোপনি অহা নাছিল । মাথো মনত পৰিছিল বাৰে বাৰে অতীতৰ সেই ৰঙিণ দিনবোৰলৈ ।

নমিতা তেতিয়া দশমমান শ্ৰেণীৰ ছাত্ৰী । কল্যাণ স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকত ভৰি দিছিল । নমিতাই সদায় দেখি থকা কল্যাণক সেইদিনাই নতুন চিনাকি যেন লাগিছিল, যিদিনা তাইও গাৱঁৰ পিকণিকলৈ গৈছিল । তাতেই কল্যাণ আৰু নমিতাৰ মাজত প্ৰেমৰ সূত্ৰপাত হৈছিল । আৰু সেই চিনা-কিয়ে দুয়োৰ মাজত নিবিড় সম্বন্ধ গঢ়ি উঠি-ছিল । অৱশেষত কল্যাণে স্নাতক মহলা অতিক্ৰম কৰাৰ পিছত, নমিতাই কল্যাণৰ লগত সম্পৰ্ক কম কৰিব লগা হৈছিল, সমাজৰ বাবে । কল্যাণ আছিল এজন আটাৱন্ত খেতি-য়কৰ পুত্ৰ । সেয়েহে কল্যাণ উচ্চ শিক্ষাৰ বাবে গুৱাহাটীলৈ পঢ়িবলৈ গৈছিল । এম, এ, পাচ কৰি কল্যাণে স্থানীয় কলেজতে চাকৰিত যোগ দিছিল, অধ্যাপক হিচাপে । চাকৰিত যোগ দিয়া এবছৰ পাচতে কল্যাণ আৰু নমিতাৰ বিয়া হৈ গৈছিল ।

বিয়াৰ তিনিমাহৰ পাচতে এদিন হঠাতে স্কুটাৰ এক্সিডেণ্ট হ'ল কল্যাণৰ । আৰু নিমিষতে ৰাষ্টাৰ কাষৰ ৰালি, দুৱৰিবন ৰঙা কৰি থৰ হৈ ৰ'ল কল্যাণ । কল্যাণ আঁতৰি গ'ল নমিতাৰ জীৱনৰ পৰা, পৃথিৱীৰ পৰা, পৃথিৱীলৈ কোনো দিন নহাৰ প্ৰতিশ্ৰুতিৰে । তেতিয়া নমিতাৰ এনে লাগিছিল, নমিতা যেন মাজ-নিশাৰ নিস্তব্ধতাতকৈও অকলশৰীয়া । নমিতাৰ চৌদিশে যেন মৰিশালীৰ নিস্তব্ধতা । য'ত গতি নাই ৰঙো নাই, কিন্তু নমিতাৰ জীৱনলৈ গতি আনিবলৈ সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰিছিল । তাইৰ শাহু, ননজনা, জা, দেওৰ ঘৰৰ সকলোৱে । তাৰ পাচত এদিন নমিতাই সেইখন ঘৰৰ পৰাই স্নাতক মহলা অতিক্ৰম কৰি জীৱনৰ এটা পথ লব খুজিছিল । আৰু সময়ৰ নিচুকণি গীতত নমিতাই এদিন পাহৰি যাবলৈ বিচাৰিছিল অতীতৰ কথা । তাই চাকৰিত যোগদান কৰিলে, শিক্ষয়িত্ৰী স্থানীয় হাইস্কুলৰ । কিন্তু ··· ··· কিন্তু পুনৰ সকলো-বোৰ যেন ওলট পালট হ'ব খুজিলে, ৰাজীৱৰ সান্নিধ্যলৈ আহি । মুঠতে চাকৰিত সোমোৱাৰ পাছত, কি কৰোঁ কি নকৰোঁ দোমোজাত, তাইৰ কিযে অসহনীয় মানসিক যন্ত্ৰণা !!

আৰু আজি ? আজি তাই কিবা এটা সিদ্ধান্তলৈ আহিবই লাগিব । কাৰণ ৰাজীৱে আজি তাইক স্কুলত বিপাঙত পেলাই-ছিল । ৰাজীৱে -দাবী কৰিছিল কিবা এটা মীমাংসা আজিয়েই হ'ব লাগে ।

"মোৰ অতীত আছে"— নমিতাই কৈ আঁতৰিব খুজিছিল, কিন্তু ৰাজীৱে টানি ধৰি কাষত বহুৱাইলৈ তাইক কৈছিল —

মোৰ অতীত আছে, কিন্তু মোৰ অতীতক এটা বাকচত বন্ধ কৰি তলা লগাই সময়ৰ নদীত উটুৱাই দিলোঁ আৰু লগে লগে উটুৱালো, তাৰ চাবিটোও । নমিতা —আমি এতিয়া বৰ্তমানকলৈয়ে দেখোন ভৱিষ্যত গঢ়িব পাৰোঁ । তুমি মোৰ সৈতে অনুগ্ৰহ কৰি একমত হোৱা । কিন্তু নমিতাই একো উত্তৰ দিয়া নাছিল । নীৰৱে মাত্ৰ লাহেকৈ আঁতৰি আহিছিল ।

তাৰ পাছত নমিতাই ঘৰলৈ আহি কাপোৰকাণি নসলোৱাকৈয়ে, বহল বিছনাখনত ওপৰলৈ মুখ কৰি পৰি ৰ'ল ।

আৰু অৱশেষত এটা সিদ্ধান্তলৈ আহিছিল । চাকিটো জ্বলাই, টেবুলৰ ওচৰত বহি ল'লে । লগে লগে বহী আৰু কলম নিজৰ কাষলে চপাই ল'লে । কাৰণ নমিতাই জানে ৰাজীৱক তাই মুখেৰে জনোৱাটো সম্ভৱ নহয় । সেয়েহে তাই আৰম্ভ কৰিলে ।

মোৰ শুভাকাংক্ষী ৰাজীৱ,

সৰ্বপ্ৰথমে তোমালৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো । মোৰ প্ৰতি থকা তোমাৰ আন্তৰিকতাৰ বাবে । আৰু লগতে মোক ক্ষমা কৰিবা, কাৰণ তোমাৰ সৈতে মই একমত হ'ব নোৱাৰিলোঁ ।

ৰাজীৱ তুমি ঠিকেই উপলব্ধি কৰিছা "আমি দুয়োয়েই বৰ নিসঙ্গ" সচায়ে সকলোৰে মাজত থাকিও মই বৰ নিসঙ্গ অনুভৱ কৰোঁ । সুবিশাল সমুদ্ৰৰ মাজত থকা দ্বীপ এটাত যাৱজ্জীৱন বন্দীত্ব যাপন কৰা কয়দীৰ দৰেই মোৰ জীৱন । ঘৰখনৰ শাহু, দেওৰ, জা, জুমনৰ মৰমতো মই বন্দী সকলোৰে প্ৰাণখোলা হাঁহিত (ঘৰত নতুবা স্কুলত) মই মোৰ হাঁহি সংযোগ কৰিব নোৱাৰো । মোৰ হাঁহি দুই ওঁঠত বিৰিঙি থাকিলেও সেয়া সঁচা হাঁহি নহয় সেয়া মোৰ শূণ্যতাই সংঘাতে কঢ়িয়াই অনা আঘাতৰ যেন এডাল বেদনাৰ ৰেখাহে । মোৰ চৌদিশে কল্যাণে এৰি গ'ল তমসা । ৰাজীৱ মই বৰ নিৰুপায় । কিয়জানো সকলোক্ষেত্ৰতে মই বাৰে বাৰে মুখামুখি হৈছো কল্যানৰ সতে । আৰু আজি এই মুহূৰ্ততও । সেয়েহে ৰাজীৱ, আজি মই নতুনকৈ ভাবিবলৈ লৈছোঁ সুখ-দুখ যেন মানুহৰ মনৰ ভাৱহে । দৰাচলতে সুখ পোৱা বা দুখ পোৱা কোনোটোৱে ইমান চিন্তা কৰিবলগীয়া নহয় । আমি দুয়োটাকে গ্ৰহণ কৰিবলৈ শিকিব লাগিব । লাগে সেই সুখ যিমানেই কঠোৰ নহওঁক মানুহৰ ভাগ্য কেতিয়া কোনফালে ঢাল যায়, তাক কোনেও নেজানে ।

ইয়াত তোমাক মই জনাব খোজোঁ মই স্কুলৰ চাকৰী এৰি দিম বুলি ভাবি আছোঁ । আৰু কল্যাণৰ নামত এখন অনাথ আশ্ৰম খুলি জীৱনৰ বাকী সময়চোৱাত মই অনাথবোৰৰ সেৱা কৰি জীৱনৰ সোৱাদ লৈয়ে কটাম বুলি স্থিৰ সিদ্ধান্ত ললোঁ ।

তুমি পাৰিলে মোক ক্ষমা কৰিবা, তোমাৰ সাহসৰ প্ৰত্যুত্তৰ মই দিব নোৱাৰিলোঁ তোমাৰ সাহসিকতালৈ মোৰ সহস্ৰ প্ৰণাম, ৰাজীৱ । শেষত আহোঁ । মৰমেৰে ।

তোমাৰ ক্ষমাপ্ৰাৰ্থী
নমিতা

চিঠিখন সম্পূৰ্ণ কৰি নমিতাই খামত ভৰালে । আৰু পাছদিনা ৰাতিপুৱাই ভতিজা ল'ৰা ৰমেশৰ হাতত পোষ্ট কৰিবলৈ পঠালে চিঠিখন আৰু লগতে অন্য এটি খামত চাকৰি ইস্তিফাৰ একপি চিঠি প্ৰধান শিক্ষকলৈ বুলি ।

আৰু তেতিয়া —

নমিতাৰ মনটো বৰ মুকলি মুকলি লাগিছিল । বেডৰুমৰ টেবুলতে সজাই থোৱা কল্যাণৰ ফটোখনত নমিতাই জ্বলাই দিলে সুগন্ধিৰে আমোল মোলোৱা এডাল ধূপ । তেতিয়া তাইৰ এনে লাগিল যেন তাইও কল্যাণৰ বাবেই জ্বলি শেষ হ'ব খোজা এডাল ধূপহে ।



# প্ৰতিদ্বন্দী

মঞ্জুলা দাস
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

গাড়ীৰ হৰ্ণ শুনি ৰমেশ ভিতৰৰ পৰা এক প্ৰকাৰ লৰি অহাদি আহি গেটখন খুলি দিলে। হস্পিতেলৰ পৰা আহিয়েই নমিতাই ভাগৰত অৱশ হৈ অহা গোটেই শৰীৰটোক ডিভানখনত এৰি দিলে। তাই যোৱা দহদিন ধৰি হস্পিতেললৈ অহা-যোৱা কৰি আছে।

নমিতা আৰু মুনমীৰ পিছে পিছে সোমাই অহা লগুৱা ৰমেশ তেওঁলোকৰ কাৰণে ব্যস্ত হৈ পৰিল। নমিতাই মুনমীৰ কাৰণে গাখীৰ এগিলাচ, জাহাজী কল আৰু ব্ৰেড তুচকলমান দিবলৈ নিৰ্দেশ দি মুনমীক ডাইনিং ৰুমলৈ পঠিয়াই দিলে। আৰু নিজৰ কাৰণে পানী এগিলাচ দিবলৈ ক'লে। ৰমেশে আনি দিয়া পানীগিলাচ খাই খিৰিকীৰে অপলক নেত্ৰে বাহিৰলৈ চাই ৰ'ল। তেওঁ চাই আছে উদাস চাৱনিৰে। পৃথিৱীৰ বুকুলৈ লাহেলাহে অন্ধকাৰ নামি আহিল। ঘৰৰ ভিতৰত আন্ধাৰ যদিও বাহিৰত যথেষ্ট পোহৰ আছে। তেওঁৰ মনলৈ ইতিমধ্যে ঘটি যোৱা ঘটনাবোৰ এটা এটাকৈ ভাঁহি আহিবলৈ ধৰিলে।

আঠবছৰৰ আগৰ কথা। নমিতাহঁতৰ ঘৰত তাইৰ বিয়াৰ বিষয়ে যেতিয়া কথা উঠিল তেতিয়া নমিতাই ঘৰত স্পষ্টকৈ জনাই দিলে যে মানসৰ বাহিৰে তেওঁ কাৰো লগতে বিয়াত নবহে। তেতিয়া ৰক্ষণশীল দেউতাকেও নিজৰ শেষ কথা ঘোষণা কৰিলে যে, "তই আমাৰ প্ৰথম সন্তান হৈ নিজৰ সিদ্ধান্ত যেতিয়া নিজেই ল'লি তেন্তে আমাৰ লগত তই আৰু কোনো ধৰণৰ সম্পৰ্ক নাৰাখিবি।" হ'লেও মাকে জীয়েকৰ মনৰ কথা বুজিছিল। কিন্তু বাপেক যিহে, সেয়ে জীয়েকক বুজাইছিল। কিন্তু যেতিয়া জীয়েকক বুজাই বঢ়াইও মন ঘূৰাব নোৱাৰিলে যি হয় হওঁক বুলি এৰি দিলে। কাৰণ তাকে নকৰিলে তেওঁৰ ফালেও আধ্যা পৰিলহেঁতেন।

দেউতাকে মানস বৰদলৈক বেয়া পোৱাৰ প্ৰথম কাৰণ হ'ল মানস ব্যৱসায়ী। দ্বিতীয়তে মানসে নিজৰ ঘৰৰ অমতত বিয়া কৰাব ওলাইছে।

কেইদিনমানৰ পিছতে নমিতাই মানসৰ লগত কোৰ্টমেৰেজ কৰিলে। যাৰ বাবে নিজৰ ঘৰখন একেবাৰে ত্যাগ কৰিবলগা হ'ল। মানসৰ ঘৰখনেও তেওঁলোকক গ্ৰহণ নকৰাৰ বাবে ঘৰ এটা ভাড়া কৰি তাতে দাম্পত্য জীৱনৰ পাতনি মেলিলে। মানসৰ মৰমৰ মাজত নমিতাই নিজৰ ঘৰখনৰ কথা সম্পূৰ্ণ পাহৰি গৈছিল। মানসে সৰুসুৰাকৈ ব্যৱসায় কৰি এটা সময়ত ডাঙৰ ব্যৱসায়ত হাত দি যথেষ্ট টকা লাভ কৰিলে। বিয়া হোৱাৰ দুবছৰৰ পিছত মুনমীৰ জন্ম হোৱাত আৰু ভৱিষ্যতৰ কথা চিন্তা কৰি নিজাকৈ মাটি লৈ ডিব্ৰুগড়তে এটা আটোমটোকাৰিকৈ আসাম টাইপৰ ঘৰ সজালে। এইবোৰৰ মাজত সোমাই নমিতাই নিজক পাহৰি গৈছিল।

কিন্তু সময় বৰ নিষ্ঠুৰ। কাৰ জীৱনত কেতিয়া কি ঘটে একো ঠিক নাই। এদিন ৰাতিপুৱা মানসে তিনিচুকীয়া অভিমুখে মটৰ চাইকেলেৰে যাওঁতে এটা তিনিআলিৰ চকত বিপৰীত ফালৰ পৰা অহা এখন ট্ৰাকে খুন্দা মাৰিলে। তেওঁ কথমপিহে বাচিল। দেহ ক্ষত-বিক্ষত হ'ল আৰু মূৰ ফাটিল। ট্ৰাকৰ ড্ৰাইভাৰে ট্ৰাক লৈ পলাল। ৰাতিপুৱা সময়ত তিনিআলিত মানুহ কম আছিল বাবে গাড়ীখন ধৰিব নোৱাৰিলে। তিনিআলিত থকা মানুহ কেইজনমানে মানসক নাৰ্চিং হোমত ভৰ্তি কৰিলে আৰু তেওঁৰ লাইচেঞ্চত থকা ঘৰৰ ঠিকনাত খবৰ জনালে। নমিতাই খবৰ শুনি সেইফালেই থৰ লাগিল।

নাৰ্চিংহোমত মানসৰ খবৰ কৰিবলৈ গৈ দেখিলে ডাক্তৰ চন্দন দত্তই মানসৰ কেছ লৈছে। নমিতাই চন্দনক মানসক সোনকালে ভাল কৰি তুলিবলৈ অনুৰোধ কৰিলে। চন্দনে শান্তনাৰ সুৰত ক'লে, ভালতো হ'বইচিন্তা কৰিবলগা বিশেষ নাই। শৰীৰৰ কিছু অংশত অলপ জখম হৈছে আৰু ফাটিছে। মূৰ দুই তিনিটা চিলাই পৰিছে। কিন্তু··· বুলি কৈ বৈ গ'ল।

নমিতাই ক'লে মানসক যিকোনো প্ৰকাৰে সুস্থ কৰি তোলক। মই সকলো কৰিবলৈ ৰাজী। আনকি মোৰ জীৱন দি হ'লেও······।

তোমাৰ জীৱন দিবৰ বাবে আৱশ্যক নাই। আচলতে কথাটো হ'ল, মানসক দুই বটলমান **AB Group** ৰ তেজৰ খুবেই প্ৰয়োজন। যিহেতু **AB Group** তেজ সহজে পোৱা টান। তাৰ উপৰিও আমাৰ ইয়াতো সংৰক্ষিত নাই। চাওঁ বাৰু, কি কৰিব পাৰো। কিবা এটাতো কৰিব লাগিব। তুমি এই বিষয়ে অকণো চিন্তা নকৰিবা।

চন্দন দত্তই চিন্তা নকৰিবা বুলি ক'লে যদিও নমিতা বেছি চিন্তাতহে পৰিল। নমিতাই কাৰ ওচৰলৈ গৈ তেজৰ কথা ক'ব। তাতে **AB Group** ৰ তেজ পোৱাও টান। তাৰ উপৰি আত্মীয় স্বজন কোনো নাই তেওঁক এটা খবৰ কৰিবলৈকো। ওচৰ চুবুৰীয়া কেইজনমান আৰু মানসৰ দুজনমান বন্ধুৰ বাহিৰে তেওঁক খবৰ কৰিবলৈকো কোনো নাই। একমাত্ৰ ডাক্তৰ চন্দন দত্তইহে তেওঁক সহায় ও উৎসাহ দি আছে।

ডাক্তৰ চন্দন দত্ত। চন্দন দত্ত নমিতাৰ মোমায়েকৰ ল'ৰা অমৃতৰ লগত ডিব্ৰুগড়ৰ মেডিকেল কলেজৰ হোষ্টেলত থাকি পঢ়িছিল। মাজে-সময়ে নমিতাহঁতৰ ঘৰলৈ আহিলে অমৃতে চন্দনকো লগত আনিছিল। সেই প্ৰথম চিনাকিতেই চন্দনে নমিতাৰ প্ৰতি আকৰ্ষিত হ'ল কিন্তু সেই কথা নমিতা আনকি নিজৰ বন্ধু অমৃতকো জানিবলৈ নিদিলে। পিছত **M.B.B.S.** পাচ কৰি যেতিয়া ডাক্তৰ হ'ল

তেতিয়াহে দেউতাকৰ আগত নমিতাক বিয়া কৰোৱাৰ প্ৰস্তাৱ জনালে। ইফালে নমিতা মানসৰ প্ৰেমিকা। চন্দনে দেউতাকক দিয়া প্ৰস্তাৱৰ কথা শুনি নমিতাই মানসৰ লগত থকা সম্পৰ্কটোৰ বিষয়ে আটাইখিনি কথাই ভাঙি পাতি কৈছিল। নমিতাৰ কথা শুনি চন্দনে উত্তৰত কৈছিল, নমিতা! তোমাৰ ওচৰত বিবাহৰ প্ৰস্তাৱ দিয়াই নহয় তোমাক বহু দিনৰ পৰাই ভালপাই আহিছোঁ। এতিয়াও আৰু আগলৈও মই তোমাকেই ভালপাই যাম। কেতিয়াবা যদি তোমাৰ কিবা কামত আহিব পাৰো জনাবা বন্ধু হিচাপে।" তাৰ পিছত চন্দন দত্তৰ খবৰ নমিতা আনকি ঘৰখনেও নোপোৱা হ'ল। সেই চন্দন দত্তই আৰু বিয়া নকৰালে। নিজৰ প্ৰেয়সীক বুকুৰ গোপন কক্ষত সাঁচি মানৰ সেৱাত মনোনিবেশ কৰিলে।

পিছদিনা নমিতা মানসৰ কোঠাত সোমোৱাৰ অলপ পাছতে নাৰ্চ এগৰাকীয়ে জনালে যে তেজ পোৱা গৈছে অলপ পাছতে পেচেণ্টক তেজ দিব। ইয়াৰ সকলো ব্যৱস্থা ডাক্তৰে কৰিছে। নমিতাৰ বুকুৰ পৰা যেন গধুৰ শিল এটাহে আঁতৰিল এনে লাগিল আৰু তেজ দিয়া মানুহজনক কৃতজ্ঞতা জনাবলৈ ডাক্তৰক লগপাব খোজাত নাৰ্চগৰাকীয়ে এটা কমলৈ আঙুলিয়াই দিলে। নমিতাই সেই মতে গৈ যেতিয়া ৰুমৰ ভিতৰত সোমাল তেতিয়া তেওঁ অবাক দৃষ্টিৰে এবাৰ বিচনাখনত শুই থকা তেজ দিয়া মানুহজনলৈ আনবাৰ তেজৰ বটলটোলৈ চাই ৰ'ল। সেই তেজ দিয়া মানুহজনেই স্বয়ং ডাক্তৰ চন্দন দত্ত। যাক নমিতাই নিজৰ জীৱন লগৰী হিচাপে অস্বীকাৰ কৰিছিল সেইজনৰে তেজ আকৌ নিজৰ স্বামী মানসক দি বচাবলগীয়া হ'ল। নমিতাৰ দুচকুত অশ্ৰু জিলিকি উঠিল।

"আপুনি, আপুনি এইবিষয়ে কিয় নজনালে। নিজৰ তেজ দি আপুনি মানসক বচালে। আপুনি সঁচাকৈয়ে মহান। আপোনাক কি বুলি কৃতজ্ঞতা জনাম।

—মোক কৃতজ্ঞতা জনাব নালাগে। মই মাত্ৰ কৰ্তব্যহে কৰিছোঁ। মানস যাতে সোনকালে সুস্থ হৈ উঠে তাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰা। মানসক তেজ দিয়া মানে তোমাৰ প্ৰতি এটা কৰ্তব্য কৰা। মোক সেইকণ উপকাৰ কৰিবলৈ বাধা নিদিবা।"

নমিতাৰ ডাক্তৰ চন্দন দত্তৰ প্ৰতি কৃতজ্ঞতাত মূৰ দোঁ খাই গ'ল আৰু দুগালে দুধাৰি অশ্ৰু বৈ গ'ল।

# দিবা স্বপ্ন

গণেশ বাহাদুৰ ছেত্ৰী
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ৰীমাৰ কোলাত তেতিয়াও দুবছৰীয়া কেচুৰাটো গভীৰ টোপনিত লালকাল । ৰীমাৰ টোপনি অহা নাছিল, সম্ভৱত তাই টোপনি অহাৰ সুযোগেই দিয়া নাছিল। দূৰৈৰ বাগান-খনৰ পৰা দুই বজাৰ সংকেট ভাঁহি আহিছিল। তাই কেচুৰাটোক বিছনাত শুৱাই নিজেই টোপনি যোৱাৰ চেষ্টা কৰি চকু দুটা মুদি দিছিল । তথাপিও টোপনি নাহিল । তাই চকু দুটা মেলি এবাৰ শুই থকা কেচুৰাটোলৈ চালে । তাইৰ মনটো উৰা মাৰিলে অতীতলৈ ।

তাইৰ বিয়া হোৱা আজি কেইবছৰনো হ'ল । মাত্ৰ তিনিটা বছৰহে, তাই কেতিয়াও ভৰা নাছিল এই তিনিটা বছৰতেই যে তাইৰ সকলো শেষ হৈ যাব । কিমান মৰম লগা আছিল 'অজিত' এৰা .... .... এই মৰমতেইতো এদিন ৰীমা অজিত বৰুৱাৰ সহধৰ্মিণী হৈছিল । বি, এ, পাছ কৰা সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ ল'ৰা আছিল অজিত ।

তাইৰ কি নাছিল গাড়ী, ঘোঁৰা, ঘৰ-দুৱাৰ আৰু .... .... আৰু তাইৰ মনে বিচৰা পুৰুষ, কিমান সুখী আছিল ৰীমা । তাই গোটেই জীৱনটো এনেদৰেই কটাব বিচাৰিছিল অজিতৰ লগত । কিন্তু .... .... কিন্তু দেখোন সকলো ওলট-পালট হৈ গ'ল । দুমাহ আগতে ৰীমাই অজিতৰ এখন চিঠি পাইছিল, লিখি-ছিল চৰকাৰে হেনো সিহঁতৰ দাবীসমূহ মানি লোৱা নাই । সেয়েহে এতিয়া সিহঁতে দেশত বিপ্লৱ কৰিব । তাৰ পাছত ৰীমাই অজিতৰ এখনো চিঠি-পত্ৰ পোৱা নাছিল । তাই অধৈৰ্য্য হৈ পৰিছিল তথাপিও ইটো সিটো ভাবি ধৈৰ্য্য ধৰি আছিল ।

হঠাৎ এদিন বুঢ়া পিয়নজন তাইৰ ঘৰত আহি ৰেজিষ্টাৰ চিঠি এখন দিছিল । চহী কৰি পিয়নক বিদায় দি তাই খৰধৰকৈ চিঠিখন খুলি পঢ়িছিল ।

মৰমৰ
ৰীমা

বৈপ্লৱিক অভিনন্দন গ্ৰহণ কৰিবা । বৰ্ত্তমান মোৰ একপ্ৰকাৰ ভালেই । আশাকৰোঁ ভগৱানৰ কৃপাত তুমি আৰু বিক্ৰম কুশলেই আছা। ৰীমা তুমি চাগৈ মোৰ চিঠি-পত্ৰ নাপাই

অধৈৰ্য্য হৈ পৰিছা । বৰ্তমান মই উৰিয়াম ঘাট জেলত আছোঁ । যোৱা ২৬ জানুৱাৰীৰ পিকে-টিঙত মোৰ সোঁ ভৰিখন চি, আৰ, পিৰ, গুলীত চিৰদিনৰ কাৰণে ঘৃণীয়া হ'ল। মোৰ লগত বহুতো বিপ্লৱী সতীৰ্থ কাৰাবন্দী হৈছে । অৱশ্যে সিহঁতৰ সোনকালেই মুকলি হ'ব । মোক গুৱাহাটী উচ্চন্যায়ালয়ে সাত বছৰৰ কাৰাবাসৰ হুকুম দিছে ।

ৰীমা মইতো অন্যায় কৰা নাই । কাৰবাক হত্যা কৰি নাইবা চুৰ, লুণ্ঠন কৰি কাৰাবাস খটা নাই । তুমিতো দেখিছাই চৰকাৰৰ কাণ্ড চাৰিওফালে কেৱল অত্যাচাৰ আৰু অত্যাচাৰ । য'লৈ যাবা তাতে হত্যা, লুণ্ঠন আৰু বলাৎকাৰ । তুমি জানো সহ্য কৰিব পাৰিছা ? তুমি জানো তোমাৰ নাৰীত্ব হেৰাই যোৱা বিচাৰা ? তুমি জানো তোমাৰ শিৰৰ সেন্দুৰ মচি দিব পাৰিবা ? সেয়েহে আমি অত্যাচাৰীৰ বিৰুদ্ধে বিপ্লৱ কৰিছিলোঁ .... .... বিপ্লৱ কৰি যাম । কাৰাবাসৰ কাৰণে মই ভয় কৰা নাই । কাৰণ আমি এদিনটো মৰিবই লাগিব । তুমি জানো ইয়াত সদায় থাকিব পাৰিবা ? মইতো মাত্ৰ 'কালি'ৰ ঠাইত 'আজি' লগাই দিছোঁ । নিজৰ জাতীয়তাৰ খাতিৰত হয়তো মোৰ ভুল হোৱা নাই ।

বেছি লিখি তোমাক কষ্ট দিব নিবিছাৰো । কাৰাবাসৰ পৰাই মই তোমাক এটা কথা দিছো তুমি পূৰণ কৰিবা, তেতিয়া মই নিচিন্ত মনে আন্ধাৰক সাৱটি ল'ম । ৰীমা, তুমি মোৰ মৰমৰ পুত্ৰ বিক্ৰমক এজন বিপ্লৱী কৰি তুলিবা । তাক অত্যাচাৰীৰ বিৰুদ্ধে যুঁজিবলৈ শিকাবা । তাক মোৰ আধৰুৱা বিপ্লৱক পূৰ্ণ কৰিবলৈ ক'বা । মই জীৱনত তোমাৰ পৰা ইমানেই কামনা কৰিলোঁ ।

বিশেষ নাই জীৱনৰ অন্তিম মৰম তোমালোক দুয়োলৈ যাচিলোঁ । কোনে জানে আন্ধাৰ কিমান ভয়ানক .... .... ?

ইতি
তোমাৰ
অজিত

হঠাৎ তাইৰ কাণত ছয় বজাৰ সংকেত ভাঁহি আহিল । তাই ভাবিলে আজি একেৰাহে পাঁচ দিন তাইৰ টোপনি নাহিল। তাই খৰধৰকৈ উঠিল । কেচুৱাটো তেতিয়াও গভীৰ টোপনিত লালকাল । তাই এবাৰ ল'ৰাটোৰ মুখলৈ চালে, টোপনিত বিক্ৰমৰ মুখখন অজিতৰ দৰেই লাগিছিল তাইক। তাই আচৰিত হ'ল । ক'তা চিঠিখন দেখোন নাই। তাই দেখোন কেচুৱাটো সাৱটি শুয়েই আছে । ভয়ানক সপোনটোৰ কথা ভাবি দ্বিতীয় বাৰ তাই কঁপিবলৈ ধৰিলে ।



ডিগবৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ
শ্ৰীযুত ৰফিক হুচেইনদেৱৰ
এটি কৰ্মৰত মুহূৰ্তৰ ছবি ।

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## ষষ্ঠদশ সংখ্যা ঃ ১৯৯২–৯৩ চন ।

### সম্পাদনা সমিতি



প্ৰথম শাৰী ঃ অধ্যাপক ডঃ সাধনলাল প্ৰজাপতি (সদস্য), পৃষ্ঠপোষক শ্ৰীযুত ৰফিক হুচেইন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), অধ্যাপিকা অম্বিকা গুপ্ত (সদস্যা) ।

দ্বিতীয় শাৰী ঃ গণেশ বাহাদুৰ ছেত্ৰী (সম্পাদক), মনিদীপা বৰুৱা (সদস্যা), শঙ্কৰ ছেত্ৰী (সদস্য) । ছবিত অনুপস্থিত ঃ বোধিসত্ব শৰ্মা (সদস্য), পঞ্চধৰ মৰাণ (সদস্য) ।



ভাস্কৰজ্যোতি গগৈ
সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ।



গণেশ বাহাদুৰ ছেত্ৰী
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ।



অধ্যাপক তৰুণ চন্দ্ৰ হাজৰিকা
তত্বাৱধায়ক

# Digboi College Students' Union
## 1992–93



Sitting (L to R) : Sri L. C. Moran (Vice President), Prof. D. C. Sedai (Incharge Social Service), Prof. G. C. Kalita (Incharge Culture), Actg. Principal R. Hussain (President), S. Bhawati (Union Incharge), Prof. B. Goswami (Incharge Major Game), Prof. Dr. S. K. Kar (Incharge Debate & Symposium), Sri Bhaskar Jyoti Gogoi (General Secretary).

Standing (L to R) : Sri N. C. Borthakur ( Secy. Music), P. Bhimarao (Class Representative)' Baburam Sarma (Secy. Social Service), Hem Nath Chetry (Asstt. G. S.), M. Saikia (Secy. Major Game), A. Paul (Secy. Boy's Comm.) G. B. Chetry (Editor).

Not in the Picture : Prof. K. N. Timsina (Incharge Gymnasium), Prof. A. N. Chakraborty (Incharge Boy's Common Room), Prof. G. P. Bhattacharjaya (Incharge Music), Prof. A. Borgohain (Incharge Girl's Common Room), Prof. S. Deb (Incharge Minor Game), Prof. G. Ahmed (Incharge General Sports), Sri P. K. Sonowal (Secy. Cul.), P. R. Upadhaya (Minor Game Secy). S. B. Chetri (General Sports Secy.), Miss M. Bora (Girl's Common Room Secy.) Sri J. Nath (Asstt. G. S.), G. Rait (Asstt. G. S.), D. Pradhan (Gim. Secy.)



ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ
Cadet Senior under officer
**শ্ৰীনিবাস জয়ছোৱাল**



মহাবিদ্যালয় সপ্তাহ ১৯৯২-৯৩ ৰ
শ্ৰেষ্ঠা গায়িকা
**অঞ্জনা দত্ত**



মহাবিদ্যালয় সপ্তাহ
১৯৯২-৯৩ ৰ শ্ৰেষ্ঠ খেলুৱৈ
**শান্তা বাহাদুৰ ছেত্ৰী**



তৰ্ক আৰু আলোচনা
বিভাগৰ সম্পাদক
**অয়ন পাল**



মিঃ ডিগবৈ কলেজ
১৯৯২-৯৩ ৰ
**বিপুল শইকীয়া**

(১৯৯২–৯৩) ৰ মহাবিদ্যালয় সপ্তাহ আৰু নবাগত আদৰণি সভাৰ
কেইটিমান স্মৰণীয় মুহূৰ্ত্ত


















# এমুঠি মান শান্তি বিছাৰি ...

সীমাহীন দিগন্তৰ কোনো এক অচিনা প্ৰান্তৰ পৰা শৰালি হালে তাচ্ছিল্যৰ হাঁহি মাৰি আকাশী যাত্ৰা কৰিব লাগিছে। সিহঁতৰ পাখিৰ ঢপঢপনি আৰু হাঁহিৰ কল্লোলত নিৰ্জন প্ৰকৃতিখন যেন কঁপি উঠিব ধৰিছে। সিহঁতৰ কিৰিলিৰ ভয়ত তেজ ৰঙা সূৰুযেও মেঘালীৰ আঁচলেৰে মুখ লুকুৱাব বিচাৰিছে; বিজুলী তাঁৰৰ পৰা কপৌজনীও উৰি গৈছে বহুদূৰলৈ।

মই অস্তাচলৰ সূৰুযৰ ৰঙীন আমেজ সনা মোহনীয়তাখিনি পান কৰি আছিলো কুসুমাকৰ কুসুমিত কুসুমডৰাৰ কাষত, আঁহত জোপাৰ তলত। শৰালিহালৰ মাতত মইও অতিষ্ঠ হৈ পৰিছোঁ। চাৰি আশ্ৰমৰ প্ৰথমটি পালনৰ সেতু আজি আহি মই উদয়াচলৰ নামনি বননিডৰাৰ মাজত সোমাই পৰিছোঁহি। মোৰ অৰণ্যে ইয়ালৈ অহাৰ পৰিকল্পনা বহুদিনৰ পৰাই আছিল। কেঁচা সেউজে মোক কেতিয়াবাই মাতি পঠিয়াইছিল। সেউজৰ আকুল আহ্বানক কোনোবাই জানো অৱমাননা কৰিব পাৰিব? কিন্তু! কিযে আচৰিত আজি আৰু ইয়াত অতীতৰ সেউজী সৰোজিনীহঁতৰ মৃগাঙ্কৰ সৈতে

কথা কবিতা ঃ

প্ৰনৱজ্যোতি গায়ন
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

তটিনী পাৰত খেলা খেল আৰু নাই; খেলা চাবলৈ অহা দহিকতৰাজনীও আজি বহু আঁতৰলৈ আঁতৰি গৈছে। নাই আৰু আজি নৱমল্লিকাই নৱ সাজ পিন্ধি বিলাই ফুৰা সুগন্ধিকৰ গন্ধ। ৰজস্বলা ঘাঁহৰোৰতো কেতিয়াবাই শুকাই গৈছে।

আজি ইয়াত বিজ্ঞানৰ নৱ নৱ যাতুৰ মেলা বহিছে, বাট-পথবিলাক মটৰেৰে ভৰি পৰিছে, মানুহৰ চিঞৰেৰে চৌদিশ চিৎকাৰ তুলিছে। আজি আৰু ইয়াত গৈৰিক জোনৰ পোহৰ দেখিবলৈ নোপোৱা, সকলোবিলাক কাৰখানাৰ ধোঁৱাৰ আৱেষ্টনীৰ মাজত। আজি ইয়াত কেৱল চৌদিশে সৌদামিনীৰ হাঁহি। এই কোলাহলে শান্তিক কেতিয়াবাই খেদি পঠিয়াইছে।

কথাবিলাক ভাবি ভাবি মই বিছনাত পৰিলো। কেতিয়া জানো নিদ্ৰাদেৱীৰ শীতলী কোলাত সোমাই পৰিলোঁ ক'বই নোৱাৰোঁ। পুৱা সূৰুযে গালেমুখে পৰশ সানি দিয়াতহে মোৰ নিদ্ৰাভংগ হ'ল। আজি আমাৰ পাঠদানৰ প্ৰথম দিন। সেয়ে পুৱাই ওলালোঁ গা-মূৰ

ধুই পবিত্র জ্ঞান জ্যোতিৰ সোৱাদ ল'বলৈ, ভৱিষ্যতৰ মন উজলাবলৈ এমুঠিমান শান্তি বিচাৰি। ওখ টিলাটিৰ ওপৰত, ওখ ওখ গছ বিলাকৰ মাজেৰে দেখা পালো তাইক সম্পূৰ্ণ সদ্যবৃন্তচ্যুত কপোঁপাহিৰ দৰে বৈ আছে তাই বৌদস্নান কৰি, পাঠশালা। বাৰে বৰনীয়া ল'ৰা-ছোৱালী বিলাকে অহাযোৱা কৰিব লাগিছে তাইৰ দেহৰ ওপৰেৰে বিশৃঙ্খলাৰে। মৌন ভাবে মই সোমাই গ'লো এখন খালি আসনক উদ্দেশ্যি। প্ৰায়বিলাক আসন কেতিয়াবাই পূৰ হৈ গৈছে; মই চুকৰ আসনখনিত বহিলোঁগৈ। সন্মুখৰ আসনখনিত চাৰিটা আধুনিক ডেকাই মুখামুখি হৈ বহি আছে। সিহঁতৰ মুখৰ মাজেৰে ফুটি উঠিছে কদৰ্য্য গীতৰ কলি। ভয়ে ভয়ে চাৰিওফালে এবাৰ চকু ফুৰালো। সিটো মুৰত দেখিলো জলন্ত আঙঠাৰে ধোঁৱাৰ সৈতে খেলা কৰি আছে আন কেইজনমানে আনমনা হৈ। কিযে স্পৰ্ধা! পৈশাচিক হাঁহি মাৰি মাৰি "মেডোনাৰ" হাঁহি আৰু বস্ত্ৰ পৰিহিতা কাকতিফৰিং কেইজনীও নিৰ্লজভাবে সোমাই আহিছে আমাৰ মাজলৈ? চাৰিওফালে মাথো ল'ৰা-ছোৱালী বিলাকৰ কিৰিলি। পৰিবেশটো সম্পূৰ্ণ মোৰ নাটৰ আখৰাৰ আগত বহি থকা যেন লাগিল। অলপ পৰৰ পিছতেই আমাৰ পাঠৰ শুভাৰম্ভ হ'ল। কিন্তু সিহঁতৰ কিৰিলি তেতিয়াও মাৰ নগ'ল। কিৰিলিৰ মাজে মাজে ফুটি উঠিল কিছুমান কটুক্তি। এয়াই তেন্তে কুৰি শতিকাৰ শেষাৰ্ধৰ মহান আধুনিক সভ্যতা! মনে মনে ভাবিলো শান্তি ক'তো নাপাম চাগে?

মই বাহিৰলৈ ওলাই আহিলো সিহঁত জাকৰ মাজতযে মোৰ নিজকে উন্মাদ যেন লাগিছিল। কাষৰ পথাৰখনত দেখিলো শান্তিৰ প্ৰতীকেৰে বুটা বছা এখন দীঘল আঁচল। তাতেই তেন্তে শান্তি লুকাই আছে? ওচৰলৈ যোৱাৰ উচিৎ হ'ব বুলি কাষলে আগবাঢ়িলো। কিন্তু! এইয়াও দেখোন এজাক কাকতিফৰিং। আগ্ৰহান্বিত সিহঁত বৈ থকা যেন লাগিল কাৰোবাৰ অপেক্ষাত। আধুনিকতাৰ বিপুল পয়োভৰ। সিহঁতৰ দেহৰ মুক্ত প্ৰকাশ। পৌৰষক পৰাস্ত কৰিবলৈ নানান ভংগিমাত বৈ আছে সিহঁতে বিশীৰ্ণ শৰীৰেৰে কাষৰ কৃষ্ণচূড়াজোপাৰ আঁৰত লুকাই শালিকাকেইটাই সিহঁতক চাই আছে ভোকাতুৰৰ দৰে। মনে মনে ভাবিলো আধুনিকতা তুমি ধন্য! তুমিয়ে পবিত্ৰ জ্ঞানৰ কঠিয়াতলিৰ মাজতো স্থান ল'লাহি!

ঘৰলৈ ঘূৰি আহি বিভাগীয় কামবোৰ কৰি বিছনাত পৰিলো। পুৱা খবৰ কাগজখন হাতত তুলি লৈছোহে মাত্ৰ প্ৰধান লাইনত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে— "... কলেজৰ ছাত্ৰী ধৰ্ষণ........."। ভাবিলো শান্তি চাগে দহিকতৰাজনীৰ লগতেই আঁতৰি গ'ল কেতিয়াবাই, বহুদূৰলৈ।



# শান্তিৰ প্ৰতীক্ষাৰে

উৎপল গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

তুমি অহাৰ বাটত—
শেৱালি ফুলৰ দলিচা
দিছিলোঁ সজাই,
তুমি আহিছিলা
শুকুলা সাজেৰে
এখুজি দুখুজিকৈ
দুবৰিৰ ওপৰৰ নিয়ৰ গচকি
মোৰ ভগা পজালৈ।

এতিয়া—
এতিয়া তুমি দেখোঁ নাই;
তুমি নাই মোৰ নিচেই কাষত,
নাই তুমি সৌ সুদূৰত
নতুবা সৌ দূৰ দিগন্তত,

আৰু —
আৰু তুমি দেখোঁ নাই
কাৰোবাৰ মনৰো মনত, প্ৰাণৰো প্ৰাণত
নতুবা কাৰোবাৰ হিয়াৰ আঁচলত
আৰু তুমি নাই
মন্দিৰৰ ঘণ্টাধ্বনিত—মছজিদৰ আজানত
নতুবা ভাতৃত্ববোধত।

অজস্ৰ প্ৰতীক্ষাৰে—
আহত আশাৰে
মই আছোঁ বৈ
তোমাক আদৰিবলৈ,
মই জানো,
এদিন তুমি আহিবা নিশ্চয়,
সূৰ্য উঠাৰ ক্ষণত
কপৌ-কুৰুলিৰ মাতত
একাজলি বিশ্বাস লৈ।

কিন্তু —
কিন্তু তোমাক আদৰিবলৈ
মোৰ কৰণিও যে খালী
নাই সেই শেৱালি, তগৰ
আৰু ৰজনীগন্ধা ;

আছে মাথোঁ দুগাল ওপচা চকুলো,
বুকুভৰা তীব্ৰ বেদনা —
ভাইটোক হেৰুৱাৰ
বোমাৰ তীব্ৰ আঘাতত,
পিতাক হেৰুৱাৰ —
সেই কালৰাত্ৰিৰ ভাই-ভাইৰ মাজৰ
সাম্প্ৰদায়িক সংঘৰ্ষত।

অজস্ৰ প্ৰতীক্ষাৰে —
তথাপিও আছোঁ বৈ,
এবুকু আশাৰে
তোমাক আদৰি নিবলৈ ;
জানোচা তুমি আহাঁ
নিগৰি নিগৰি বৈ
মোৰ আপোন ধৰালৈ
যুগমীয়া শান্তি হৈ॥

## সায়াহ্ন প্ৰেম

মহেন্দ্ৰ নেওঁগ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

মোৰ জীৱনৰ তমসা ভেদি,
আনিবানে প্ৰিয়া নমাই
সৰগৰ অলকানন্দা,
পোহৰে আবৰি থকা
এমুঠি জোনাক,
আৰু শৰতৰ এপাহী
শেৱালী।

জাগ্ৰত হ'ল মোৰ
সায়াহ্ন প্ৰেম
পুৰাতন জোনাকতে
স্নান কৰি।

তোমাৰ বাবেই বান্ধিছো সাঁচি
বহু বসন্তই পৰশি যোৱা
এপাহী ৰজনীগন্ধা
আৰু কলিজাৰ তেজেৰে
টলমলাই থকা
উদীপ্ত যৌৱন।
তোমাৰ বাবেই কত যে
আয়োজন
সৃষ্টিৰ বাবেই গঢ়ি গঢ়ি
ভাঙো, ভাঙি ভাঙি গঢ়ো
তোমাৰ হৃদকুৰ এচামুচ
নীলাত বিচাৰো মই
আউল লগা বাটৰ অন্ত।

## উপলব্ধি

ৰশ্মিৰ বুঢ়াগোহাঁই
স্নাতক প্ৰথম বাৰ্ষিক (বাণিজ্য)

শাণিত তৰোৱালৰ তেজৰ চেঁকা
নেথাওঁতেই
বাজি উঠিল
নিস্তব্ধ অৰণ্যত —
বন্দুকৰ গুৰুম গুৰুম শব্দ ;
মই প্ৰত্যক্ষ কৰিছিলো,
কেইজনমান নিৰীহ মানুহৰ
তেজেৰে লুতুৰী পুতুৰী নিশ্চল দেহ........

আকৌ প্ৰত্যুত্তৰ আহিল,
এ কে ফৰটি চেভেন, ৰকেট লাঞ্চাৰ........;
নিস্তব্ধ অৰণ্যৰ গছগছনি
পুনৰ গৰজি উঠিল —

ৰতাহত ভাঁহি আহিল
মাথোন কেঁচা তেজৰ গোন্ধ ;
ডেকা ল'ৰাক বিচাৰি নেপাই
ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ পোহনীয়া ভৃত্যয়ে
জপিয়াই পৰিল
নিৰীহ জনৰ ওপৰত....... ;

চলিল.........
হত্যা, ধৰ্ষণ, অমানৱীয় অত্যাচাৰ... ...
জনগণে বৰ্বৰ অত্যাচাৰ গছকি
ওলাই আহিল প্ৰতিবাদ কৰিবলৈ.....;
মই বাৰু কৈয়ে উপলব্ধি কৰিলো
সশস্ত্ৰ সংগ্ৰাম
মাথোন সশস্ত্ৰ সংগ্ৰাম। □

# মোৰ স্মৃতি

গণেশ বাহাদুৰ ছেত্ৰী
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

বন্ধু —
মোৰ স্মৃতিত
মোৰ মৃত্যুৰ পাছত এই গানটি গাই দিবা
মোৰ মৰাশৰ ওপৰত এটুপি চকুলোও টুকিবা।

কাৰণ —
মই জীৱনজুৰি চকুলোতে হাঁহিলো
ইয়েই মোক লগ দিলে,
আশা দিলে, স্থান দিলে।
চন্দ্ৰ আৰু নক্ষত্ৰৰ দেশলৈ চাওঁতে
মৰতৰ ফালেই দৃষ্টি ঘূৰি আহিল।
মৰতৰ নদীৰ পানীত খেলা মাছৰ লগত
লুকাভাকু খেলি থকা চন্দ্ৰৰ লগত
ধেমালি কৰিলো............ ......।

বন্ধু —
মোৰ মৰাশৰ ওপৰত এটুপি চকুলো টুকিবা
মোৰ মৃত্যুৰ পাছত এই গানটি গাই দিবা।

কাৰণ —
জীৱনৰ অহোৰাত্ৰি........
মোৰ চকুৰ আগত ভাঁহি থকা
জীৱনৰ পথত সংকেত দিয়া
মস্তিষ্কত জুই জ্বলাই হৃদয়ক চেতনা দিয়া
মৰতৰ মৰমৰ আহ্বানত সঞ্জীৱিত হোৱা
এয়া মোৰ দুটোপাল চকুলোৰ গান
মোৰ মৃত্যুৰ পাছত মোৰ বুকুত পাৰিলে লিখি দিবা।

বন্ধু —
তুমি এই গানটি গাই দিবা।

# সিহঁত মোৰ চিনাকি

মঞ্জু আৰা বেগম
একাদশ শ্ৰেণী (বাণিজ্য বিভাগ)

সেইবোৰ মানুহক মই চিনি পাওঁ!
সিহঁতৰ বুকুৰ তেজ আজিও যে গোট মাৰি আছে
সেউজীয়া দুবৰি বনত—
আৰু—
পথাৰৰ কোমল মাটিত।
সিহঁতে এদিন বিপ্লৱ কৰিছিল
আমাৰ সুখৰ বাবে,
আমাৰ হাঁহিৰ বাবে
ট্ৰিগাৰত আঙুলি বুলাইছিল।
এসময়ত সিহঁতৰ দেহবোৰ
বাগৰি পৰিছিল ধুমুহাই ভঙা
কলগছৰ দৰে।
সিহঁতে ভুল কৰা নাছিল,
কাৰণ সিহঁতে বুজিছিল
ভীৰুভাৱে বিপ্লৱ নহয়।

# DIGBOI COLLEGE MAGAZINE

**XVI Issue : 1992-93**


**EDITORIAL BOARD :**

**PATRON :**

Md. R. Hussain (Act. Principal)

**Prof. in charge :**

Prof. T. C. Hazarika

**Editorial Associates :**

Prof. Dr. H. L. Prajapati
Prof. A. Gupta
Monideepa Baruah
Bodhisatwa Sharma
Sankar Chetri
Panchadhar Moran

**EDITOR :**

Ganesh Bahadur Chetri

**Cover Design :**

Kamala kanta Buragohain



**Printed by :**

The Assam Paper Industry
Borguri-785 126 • Tinsukia

# English Section

# content :


- Rapid Deterioration of Environment Threats to the Existance of Lives/1
  — **Rafique Hussain**
- An Underwater Live Power Station/3
  — **Anu Borgohain**
- Education, Human Resources and Development/8
  — **S. Bhagawati**
- Woman's Liberty/12
  — **Itu Das**
- Circadian Rhythm/15
  — **C. Chalpathi Rao**
- Role of Youth in Nation Building/16
  — **Ayon Paul**
- Some Environmental Problems of North-East India/18
  — **Narayan Shrestha**
- Para Sailing of N. C. C./22
  — **Ramani Buragohain**
- O' the Godly Greatest/24
  — **Jaydeep Dasgupta**
- End of the World/24
  — **P. Bhima Rao**

# Word Game

*Pallavi Bharali*
T. D. C. 3rd year (Arts)



**ACROSS :**

1. A broad, long flate piece of wood.
2. The highest chain of mountains in Europe.
3. A vehicle moving on wheels.
4. As — as a cat — a monkey.
5. Head covering.
6. The Gift of the Nile.
7. One sent out on a mission.
8. To send back or repeat (a sound) by the reflection of sound waves.

**DOWN :**

1. A fence or railing of stakes or iron etc.
9. One who has an irresistable desire for alcoholic drinks.
10. A system of self defence without a weapon.
11. Something paid espicially wages, salary.
12. Myself.
13. Used often in prolonged or reduplicated form to enjoin silence.
14. In order that/for that reason.

**ANSWER :**

**ACROSS :** 1. Plank 2. Alps 3. Car 4. Agile 5. Hat 6. Egypt 7. Emissary 8. Echo

**DOWN :** 1. Palisade 9. Alcoholic 10. Karate 11. Pay 12. Me 13. Sh 14. So

# Rapid Deterioration of Environment
# THREATS TO THE EXISTANCE OF LIVES

*Rafique Hussain*
**Principal i/c**

In the year 1992, the leaders and the heads of the nations gathered in the Reodegenerio, the capital city of Brazil. They gathered there not to settle any international disputes as such that may be the probable cause of the 3rd world war. They have feared for the Frankenstine like growing environmental polution, which is not less dangerous than that of a world war may happen at present. This environmental crisis which is conforonting the world will profoundly alter the future destiny of our Planet. No one amongst us whatsoever our status, strength or circumstance can remain unaffected.

This made man to think over the issue of Environmental problems seriously and came out to find out solutions to preserve the nature and natural resources from the further deterioration of it without impairing the developmental programmes for human survival and benefit.

The Planet earth with the atmosphere (Air, land, water) that sustain life is known as biosphere. The biotic and a biotic components of the biosphere interect in a delicately controlled and orderly manners to sustain the life upon the earth. Any disturbance of the delicate balance of the biosphere caused by man can lead to creation of unfavourable conditions for the well being or even survival of mankind, even though most organisms including man have some capacity to tolerate and adjust to some extent.

Since the very beggining of the industrial revolution, there have been subtle but significant changes in the biosphere. These changes have been accelerated in recent years upto such an extent that within less than 100 years many forms of life have become threatened with extinction.

The U. S. Fish and willd life service lists more than 100 domestic species and nearly 300 foreign species of endangered life. The Red Data Book of the International Union for conservation of Nature and natural resources lists more than 600 endangered species and subsepecies for mammals and birds alone.

In 1965 at four day conference on Botanic garden in the Gran Canaria

some of the world's leading Botanists have warned that nearly 15,000 plants are dangerously moving towards extinction. Dr Peter Raven, Director of the Missouri Botanical Garden has predicted about 40,000 species could be lost before the middle of the next century. Botanical survey of India listed 20 species of plants of potential medicinal value as endengered. Out of these seriously threatened plant species are— ACORUS CALAMUS, RAUVOLFIA SERPENTINA, DIOACORIA DELTOIDEA, DIPLOMERS BIRSUT, COPITIS TEETA, etc. This can be taken to some degree, as an indication of a deteriorating environment that affects man as well.

Stramandous growth of population alongwith rapid industrialization and utilization of industrial prod ucts deforestation etc. during last few decades adversely affects our eco-balance. There is nothing to say pure at present food, air, water, soil, even rain water and milk of the mother's breast also become dangerously polluted due to man's activities. Expanding use of fossil fuels, fertilizers, agro-chemicals and disposal of domestic, industrial and agricultural wastes, mining activities, radioactive explosions, heat and noise comitted from large scale inustries, jet plane etc. have been creating potential hazards to the health, safety or welfare of any living beings. If adequate measures have not taken at this stage to save the environment from further deterioration it will become unfit for the lives in recent future.

Though the issue of environmental problems have been discussed at length in several international and national seminars yet satisfactory achivements in this direction is far behind. In order to achieve this goal now we need skills for identifying and solving environmental problems.

Environmental Educations should be compulsory continuous process, to be provided for all age groups, at all levels, both in and out of schools to create a general awarness among all sections of the people. And there should be close relation between institutions responsible for framing curriculam and those responsible for planning and implimenting measures relating to the preservation and improvement of the environment.

Adequate preventive legislation also become quite essential specially for industrial pollution which is posing a great danger not only for the workers but also for the people in the vicinity. But such law should not be statutory. We should give much importance in aforestation too which have a prominent place and constitute an essential ingredient of it.

# AN UNDERWATER LIVE POWER STATION

*Anu Borgohain*
Lecturer
Deptt. of Zoology

The way in which animals cope with life's many problems to survive and reproduce, have fascinated mankind since ancient times. Part of this fascination no doubt has derived from a belief. Nevertheless the problem how an animal's life comes to fit with its surrounding environment — leads to the topic of much current research. One of the most fascinating examples concerns is the discharging of electric current by some sea fishes.

Fishes live in a fantastice varity of habitat — from a dark oceanic abyss to boundless surface of the open sea. They encounter vagaries of nature and some of them have fought for survival by evolving the most mysterious and inxplicable weapons like the electric organ.

It took Europeans about two and a half thousand years from the initial discovery of electricity till they began to use it in technology. Doctors had used electricity for medical treatment even before they knew anything about it. Many outstanding physicians of the Roman Empire, such as Claudius Galen, treated their patients with eléctricity generated by the live power station, deep sea fishes.

Big skates, or torpedo rays, are encountered in the Mediterranean and other seas. The peculiar hunting habits of this fish were known to Romans. They knew that the skate would never chase its prey or punch upon it from ambush. It swam along slowly and quietly, but if a small fish, crab or octopus happened to come near it, something terrible suddenly happened to them. The unwary creatures died in a fit of violent convulsions. The skate cooly picked up its prey and slowly went its way.

The Romans believed that on seeing its prey, this peculiar fish secreted a poisonous substance into the water. The poison also acted upon humans, directly through the skin, but was not lethal to them. When touching the fish, the hand had been struck by a blow, and it automatically jerked back. Roman physicians belived that the poison of the skates possessed a great creative power. Skates were caught and kept in special sea water fish ponds for medical purposes.

Such views were common two thousand years ago. The true mystery of the skate has only been unravelled quite recently. This dangerous fish was found to be a live power station that produced electric discharges strong enough to kill

smaller animals which came near it. What the Romans ascribed to the action of poison was in fact electricity. Afterwards many more species of "electric" fish were discovered. Some of these are far more dangerous than the skate.

Europeans only learned about these huge power-stations several centuries later. Soon after the discovery of America swarms of cruel and hardy adventurers rushed there in quest of gold. It was their lot to experience the force of the fish's electric discharges.

Two hundred and fifty two species of fishes are now known which are capable of generating bio-electricity with the help of certain specialised tissues of their body to constitute the electric organ. The organs are capable of producing electric current which may give shock to animals and human beings when they come in contact with the fishes. In some cases, the shock is very powerful and can even kill a big animal. Among fishes which possess electric organ—Torpedoes of the tropical and temperate seas, skates, snout fish (Mormyrids), electric cel (Electropharus), electric cat fish (Malaplerures) and stargazers (Uranoscopus) are the important ones.

The electric eel is a nocturnal animal. It hunts for prey only after nightfall. Its electric shock is so powerful that it can even stun large animals. Small animals immediately perish. South American Indians know this dangerous fish very well and never risk wading across the river when it lives.

In one of the Indian languages the eel is called arima, which means "paralysing. Many local tribes believe that the meat of the fish and its electric discharges are curative. Electrotherapy may very likely have been used in America far earlier than in Europe.

*Origin of Electric Organ :*

Electric organs are developed by the modifications of muscular tissues of the fish. In some fishes they are developed from the embryonic striated muscle cells, while in others by motor and plate. In torpedoes, some of the branchial muscles are transformed to form the electric origan by leaving their original function of moving the gill arch. In electric cell, skates and snout fishes, the electric organs take their origin from some of the lateral tail muscles, where as in cat fishes it is the body muscles that form the organ. In stargazer electric organ develops from eye muscles. Despite the basic similarity in the formation of electric organ in various species, there are differences in appearance, position in the body and mode of nerve supply. It appears that these organs have developed independently in a number of species in the long history of piscian evolution.

*Internal Structures : [Fig. 1]*

Electric organs are very large, they may weigh as much as from a quarter to a third of the body of the fish. The eel's electric organ is equal to fourth—fifth of its length, while in the catfish it covers the whole of the body.

The organ consists of an enormous number of regularly arranges flattened or disc-like multinucleate ells called electroplaque and are embedded in a jelly like matrin. Each electroplaque is bounded by a connective tissue in an electric tube. One

face of each electroplaque is supplied with nerve fibres and jelly like substances is provided with blood vessels. The electroplaque is arranged one above the other in the form of columns in which innervated faces are in the same direction. The columns of piles of electric cells form an organic battery which produces current just as voltage is increased by joining up storage battery.

In the torpedo there are two large and two small electric organs on each side of the body. They lie between the head and pectoral fins. The small organ is placed within the long organ. Each organ is made up of a number of vertical hexagonal tubes, each tube has the form as described earlier. A large torpedo (10 cm-15 cm) has about 1000 electroplaque linked in a series of each side of the body. In this species electric organs are supplied by nerve originating from a special lobe of the brain. The innervating side of each electroplaque in a column is negative to the other side. The current passes from the upper side (positive) to the lower side ( negative ) cells and biood vessels of the upper side release the discharge. In the electric eel there are three organs in each side. One is much larger than the others. Here electro-plaques run in length and occupy a major portion of the body. The organ is supplied by a nerve coming from the spinal cord. In the cat fish electric tissues form a sheath covering the whole body just beneath the skin. Here electric discharge goes from tail to head region. In skates, snout fish and in other rays electric organs are small structures lying on either side of the caudal peduncle. Stargazers have such an organ in the form of two oval patches behind the eyes.

*Mechanism of Electric current discharge : [Fig. 2]*

For the mechanism of electric discharge the materials they use are muscles and nerve endings, the electroplaque of the electric organs. The discharge of electricity is controlled by profusely branched nerve fibres which make a large number of synaptic contacts with one face of electroplaque. Nerve impulses reach all the electroplaques in a column at the same moment. This results in simultaneous excitation of all the innervated sides of the electroplaque in a column.

Contraction of the skeletal muscles (around which electric organ is built) is caused by a nerve impulse which is accompanied by an electric discharge. When an impulse reaches the nerve endings in the muscular tissues, a special substance, mediator. is secreted there, which cause the muscle cells to contract. This contraction is accompanied by an electric discharge.

Being excited, a reversal of the membrane charge takes place and the inside of the cell membrane becomes electro positive on the innervated face of the electroplaque, the non-innervated faces undergo depolarisation. However, this takes place after the completion excitation in the innervated faces. During excitation the inside membrane of the innervated face of each electroplaque achieves around 90 mv electro positively relative to the non-innervated face. So at this moment each column consists of positive and negative "plates" alternately. The voltage thus achieves by a series of summation of

the electromotive force generated by the individual cell.

সাম্প্ৰতিক যুগ প্ৰতিযোগিতাৰ যুগ। মানৱ জীৱনৰ প্ৰতিটো খোজতে প্ৰয়োজন এই অভিজ্ঞতা। যদিও ইয়াৰ সৰ্ব্বত প্ৰয়োগিক কম। হয়তো বহুতৰ ক্ষেত্ৰতে এই জয়-যাত্ৰা হয়গৈ স্খলনৰ পটভূমি। জনিতেই হওঁক বা অজানিতেই। আৰু কিছুমানৰ ক্ষেত্ৰত প্ৰযোয্য হয় আত্মকেন্দ্ৰীকতা। বিশ্লেষণ কৰিলে দেখা যায় যে বৰ্তমান যুৱ মানসিকতা স্খলনৰ মূল স্ফুঁতি প্ৰতিযোগিতাৰ এক তিক্ততা অভিজ্ঞতা। দিব্যমান যে ইয়াত 'প্ৰতিযোগিতাৰ' সংকীৰ্ণ অৰ্থহে আলোচ্য। কেওটা দিশ বিশ্লেষণ কৰিলে দেখা যায় যে সাম্প্ৰতি যুৱ-যুৱতীসকলে জ্ঞানৰ প্ৰতিযোগিতাতকৈ বাহ্যিক জগতৰ কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰতিযোগিতাত হে (যি জীৱনটোৰ বাবে সুচল নহয়) বেছি গুৰুত্ব দিয়ে। ফলত আমাৰ উঠি অহা যুৱ-যুৱতীৰ ভৱিষ্যত পথ অন্ধকাৰৰ গহ্বৰলৈ ঠেলি দিয়ে। এই কথা আমাৰ ৯০% যুৱ-যুৱতীৰ ক্ষেত্ৰতে প্ৰযোজ্য। আগতেই উল্লেখ কৰিছো যে এই শব্দটো সৰ্ব্বত প্ৰয়োগিক কম।

তৈলনগৰী ডিগবৈ। এখনি সৰু চহৰ। য'ত সোণ তেল হৈ বয়। ১৮৮৯ চনতে পনীয়া সোণ তেল উদ্ভূত ডিগবৈয়ে শতাব্দী গৰকি গ'ল। সূচনা হ'ল এক নতুন যুগৰ। ভৌগলিক দিশতো অগ্ৰগণ্য ডিগবৈয়ে আজিও বজাই ৰাখিছে সমন্বয়ৰ ঐক্য। এই সৰু চহৰখনিত বিভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্ন জনগোষ্ঠীৰে পৰিপূৰ্ণ যদিও ইয়াত বিৰাজমান হৈ আছে এক জাতিৰ সুৰ। এই সৰু নগৰখনিক আগুৰি আছে এক বৃহত্তৰ এলেকাই। অসম-অৰুণাচল সীমান্তলৈকে বিস্তৃত অঞ্চল। এই সৰু নগৰখনিৰ বুকুত উম লৈ ১৯৬৪ চনত সৃষ্টি হৈছিল উচ্চ শিক্ষাৰ একমাত্ৰ স্থল "ডিগবৈ মহাবিদ্যালয়"। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা উচ্চ শিক্ষা লাভ কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলে কঢ়িয়াই যাবলৈ সক্ষম হৈছিল মহাবিদ্যালয়খনিৰ গৌৰৱ। সেই সময়ত শিক্ষানুষ্ঠানৰ গৃহ শোচনীয় আছিল যদিও শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ ভিতৰতে স্থান আছিল। খেলা-ধূলাৰ ক্ষেত্ৰতো। সাম্প্ৰতিক মহাবিদ্যালয়খনি ঘৰ-দুৱাৰ সকলো দিশ পৰিপক্ক যদিও শিক্ষাৰ ক্ষেত্ৰত অতীত গৌৰৱ অক্ষুন্ন ৰাখিবলৈ অক্ষম। এটা বৃহৎ পুথিভড়ালৰে সৈতে এই মহাবিদ্যালয়খনিৰ সকলো সুবিধা থকাৰ স্বত্তেও শিক্ষাৰ মানদণ্ড নিম্নতৰ হোৱাৰ কাৰণ বিশ্লেষণ কৰিলে বহুতো দেখা যায়। বিচাৰ কৰিলে ই এক যুগ পৰিবৰ্তনৰ লগতে যুৱ মানসিকতাৰ স্খলন আৰু মহাবিদ্যালয়খনিলৈ ৰাজনৈতিক সোঁতৰ প্ৰৱাহমান। এখন শিক্ষানুষ্ঠানলৈ ৰাজনৈতিক প্ৰবেশ ঘটাৰ অৰ্থ সেই শিক্ষানুষ্ঠানৰ শিক্ষাৰ মানদণ্ড নিম্নগামী। এই কথা ধ্ৰুৱ।

গণতান্ত্ৰিক দেশত ভোটাধিকাৰ প্ৰত্যেকৰে

আছে । ঠিক তেনেদৰে আমাৰ ডিগবৈ মহাবিদ্যালয়ৰ ১৯৯২-৯৩ চনৰ ছাত্র একতা সভাৰ নির্বাচনতো মই ছাত্র উপ-সভাপতি পদৰ বাবে প্রতিদ্বন্দ্বিতা কৰিছিলোঁ । ৰাজনৈতিক শক্তিৰে পৰিচালিত মোৰ একমাত্র প্রতিদ্বন্দী-জনক বহুসংখ্যক ভোটত পৰাজয় কৰাই মোক ছাত্র-উপ-সভাপতিৰ পদত অধিষ্ঠিত কৰিলে মহাবিদ্যালয়খনিৰ ছাত্র-ছাত্রীসকলে । এই চেগতে সেইসকল ছাত্র-ছাত্রী বন্ধু-বান্ধৱীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো, যিসকলে মোক ছাত্র-উপসভাপতিৰ পদত অধিষ্ঠিত হ'বলৈ সুযোগ প্রদান কৰিলে । লগতে মোৰ পৰম শ্রদ্ধাৰ শিক্ষাগুৰুসকলকো এই প্রতিবেদনতে শুভেচ্ছা জ্ঞাপন নকৰিলে হয়তো প্রতিবেদন আধৰুৱা হৈয়ে ৰব । এই চেগতে মহাবিদ্যালয়খনিৰ সমূহ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্রদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ । লগতে মোৰ এই ছাত্র-উপসভাপতিৰ কালছোৱাত প্রতিটো দিশতে সহায় সহযোগিতা আগবঢ়োৱা প্রত্যেকজন ছাত্র-ছাত্রী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভ-ইচ্ছা জ্ঞাপন কৰিলোঁ ।

শেষত পৰৱৰ্ত্তী নির্বাচনত প্রতিদ্বন্দ্বিতা কৰা ছাত্র-ছাত্রী বন্ধু-বান্ধৱী সকললৈ অনুৰোধ জনাওঁ, যাতে তেওঁলোকে নির্বাচনত জয়ী হৈ একনিষ্ঠাৰে মহাবিদ্যালয়খনিৰ সর্বাংগিন উন্নতিৰ ক্ষেত্রত যৎপৰোনাস্তি চেষ্টা অটুট ৰাখে আৰু মহাবিদ্যালয়খনিৰ সৌন্দৰ্য্য বৃদ্ধি কৰাওক শৈক্ষিক পৰিবেশ গঢ়ি, বাহ্যিক ঘৰ-দুৱাৰ চকুতলগা কৰি নহয় ।

সদৌ শেষত মোৰ মৰমৰ শিক্ষানুষ্ঠান-খনিৰ প্রতিটো দিশতে সর্বাংগিন উন্নতি কামনা কৰি ছাত্র উপ-সভাপতিৰ প্রতিবেদন ইমানতেমুখনি মাৰিলোঁ ।

ধন্যবাদেৰে—
জয় আই অসম
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থা

লোহিত মৰাণ
ছাত্র-উপ-সভাপতি
ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থা

# ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ১৯৯২-৯৩ চন



প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তত নিজৰ প্ৰাণতকৈয়ো মৰমৰ জন্মভূমি অসম তথা স্বজাতি অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ্থে এখন শোষণ মুক্ত অসম গঢ়াৰ বাবে হাঁহি হাঁহি যি সকলে নিজৰ ভৱিষ্যতবোৰ বৰ্তমানৰ বাবে দি থৈ গ'ল, সেই মহান বীৰ শ্বহীদসকলৰ পবিত্ৰ স্মৃতিত আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰী, সতীৰ্থ-বন্ধু-বান্ধৱীয়ে মোক নিৰ্বাচিত কৰি ছাত্ৰ সমাজৰ তথা মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিলে সেইসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে সাধাৰণ সম্পাদকৰ প্ৰতিবেদন হিচাপে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ আগত আমাৰ ছাত্ৰ ছাত্ৰীৰ অগ্ৰগতি-অধোগতি, অভাৱ-অভিযোগৰ কথা মুক্ত ভাবে ব্যক্ত কৰিবলৈ সুযোগ দিয়াৰ বাবে বাৰ্ষিক মুখপত্ৰৰ সম্পাদকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বৰ্তমান যুগৰ লগত জানিয়েই হওঁক বা অজানিতেই হওঁক ফেৰ মাৰিবলৈ গৈ আজি থমকি ৰ'বলৈ বাধ্য হৈছোঁ। কাৰ্য্যকালৰ অন্তিম মূহূৰ্ত্তত বছৰটোৰ কামৰ খতিয়ান দিয়াৰ পাল। বিগত বছৰটোত বহুতো কাম কৰাৰ বাবে আঁচনি লৈছিলোঁ। অৱশ্যে আঁচনিত কিমান দূৰ সফল হ'ব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য। যিহেতু সাধাৰণ সম্পাদকৰ প্ৰতিবেদনখন বছৰটোৰ দলিল স্বৰূপ, সেইহে মনত থকা ঘটনা কেইটামানকে চমুকৈ উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হ'ল। যদিহে বঢ়া-টুটা অনুভৱ কৰে, তেন্তে আঙুলিয়াই দি অভাজনক কৃতাৰ্থ কৰিব বুলি আশা ৰাখিলোঁ। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰাপ্য অধিকাৰৰ বাবে নিজকে বিলাই দিবলৈ অলপো অৱহেলা বা ত্ৰুটি কৰা নাছিলোঁ।

### ছাত্ৰ ঐক্য মহান শক্তি ঃ

ছাত্ৰ ঐক্য যে মহান শক্তি ইতিমধ্যে বিশ্বৰ প্ৰায় সকলো দেশৰ বুদ্ধিজীৱীয়ে স্বীকাৰ কৰিছে। ছাত্ৰ ঐক্যয়ে এখন সুস্থ সমাজ তথা দেশ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভাৰতৰ পূৱ প্ৰান্তত থকা এই অসমৰ এচাম সুবিধাবাদী বুদ্ধিজীৱী আৰু কু-চক্ৰান্ত ৰাজনৈতিক নেতায়ে কিন্তু অসমৰ ছাত্ৰসকলক ঐক্যবদ্ধভাৱে সমাজ তথা দেশৰ হিত চিন্তা কৰাটো নিবিচাৰে। ছাত্ৰসকলৰ ঐক্যয়ে যে তেওঁলোকৰ ভুৱা দেশ প্ৰেমিকৰ মুখা সাজ খুলি দিব, লগতে সমাজ উন্নয়নৰ নামত ব্যক্তিগত স্বাৰ্থ পূৰণৰ বেলিকা হেঙাৰ হিচাপে থিয় দিব। সেইহে যোৱা কেইবছৰ মানৰ পৰা সেই সুবিধাবাদী কু-চক্ৰান্তকাৰী

ৰাজনৈতিক নেতায়ে শিক্ষানুষ্ঠানসমূহত প্ৰৱেশ কৰি টকা পইচাৰ প্ৰলোভনেৰে ছাত্ৰ সমাজক ভাগ ভাগ কৰিবলৈ অহৰহ চক্ৰান্ত কৰিয়েই আছে । আৰু সুবিধা গ্ৰহণ কৰিছে এচাম সুবিধাবাদী ছাত্ৰই, যি নিজৰ বিবেকক টকা পইচাৰে বিক্ৰী কৰি আনৰ গোলাম হ'ব পাৰে । কিন্তু সেইসকলৰ নিকৌই চেষ্টাও আজি ছাত্ৰ ঐক্যৰ মাজত ভাঙোন আনিব নোৱাৰিলে আৰু ভৱিষ্যতেও নোৱাৰে । সেইহে সুবিধা-বাদী নাম বঢ়াবলৈ বিচৰা বুদ্ধিজীৱি ৰাজ-নৈতিক নেতা আৰু বিবেক শূন্য ছাত্ৰক বৃথা চেষ্টা নকৰিবলৈ ইয়াৰ দ্বাৰাই সৰ্তক কৰিলোঁ। অন্যাথাই আমি সচেতন সমূহ ছাত্ৰ-ছাত্ৰীয়ে ঐক্যবদ্ধভাৱে সেইসকলৰ মুখা খুলিবলৈ বাধ্য হ'ম ।

### কাৰ্য্যকালৰ আৰম্ভণী ঃ

১৯৯২-৯৩ চনৰ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ আৰম্ভণী বৰ মধুৰ নাছিল । শৈক্ষিক পৰিৱেশ জঠৰ, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনৈক্য শিক্ষক-ছাত্ৰৰ সম্বন্ধ নিম্নমান আদিৰ মাজত আমাৰ কাৰ্য্যকাল আৰম্ভ হয় । তাৰোপৰি ১৯৯১-৯২ চনৰ সাধাৰণ সম্পাদকে তেওঁ কাৰ্য্য-কালৰ কৰ্মআঁচনিৰ সফলতা বিফলতাৰ কোনো নথি-পত্ৰ আমাৰ আগত প্ৰমাণ নিদিলে, ফলত বিভিন্ন অসুবিধাৰ মাজতো আমি কাৰ্য্যকাল আৰম্ভ কৰিলোঁ । তাৰোপৰি সেইজনা সম্পা-দকৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ সংবিধান অনুসৰি এখনি সাধাৰণ সভা বিচৰাৰ বাবে পুলিচ প্ৰশাসনে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক হাৰাশাস্তি কৰিছিল । শিক্ষানুষ্ঠানত ৰাজনীতি ব্যক্তি প্ৰৱেশৰ প্ৰতিবাদ জনাওঁতে আমাৰ চাৰি-জন সতীৰ্থ শ্ৰীঅমৃত দত্ত, ইন্দ্ৰজিৎ সোণোৱাল, হেমন্ত শইকীয়া আৰু দীপক দিহিঙ্গীয়াক ৰাজনীতিৰ বহতীয়া পুলিচ প্ৰশাসনে কোনো উপযুক্ত প্ৰমাণ নোহোৱাকৈ "আলফা" সজাই "টাডা" আইনত গ্ৰেপ্তাৰ কৰি চাৰে-চাৰিমাহৰ জেলহাজোতত থয় । পুলিচ প্ৰশাসনৰ এনে কু-চক্ৰান্তক আমি প্ৰত্যাহ্বান জনাই অতি-শীঘ্ৰেই সতীৰ্থসকলক বিনাচৰ্তে মুক্তি দিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ তৰফৰ পৰা দাবী জনাই বিভিন্ন প্ৰতিবাদ কাৰ্য্যসূচী হাতত লওঁ । এই সম্পৰ্কত তিনিচুকীয়া জিলাৰ উপায়ুক্ত মহোদয়ৰ লগত কেইবাবাৰো আলোচনা কৰোঁ ।

### কৰ্ম আঁচনি ঃ

১। মনে সজা অভিযোগত গ্ৰেপ্তাৰ হোৱা মহা-বিদ্যালয়ৰ চাৰিজন ছাত্ৰক অতি শীঘ্ৰেই বিনাচৰ্তে মুক্তি দিবৰ বাবে প্ৰশাসনিক বিষয়াৰ লগত আলোচনা কৰা ।

২। মহাবিদ্যালয়ৰ ভাঙি পৰা শৈক্ষিক পৰি-বেশ উন্নত কৰাৰ উদ্দেশ্যৰে তলত দিয়া কাৰ্য্যসূচী ঘোষণা আৰু কাৰ্য্যকৰী কৰা ।

ক) শ্ৰেণীসমূহ নিয়মীয়া কৰাত শিক্ষক আৰু ছাত্ৰৰ সহযোগিতাত অৰিহণা যোগোৱা ।

খ) বছৰেকীয়া পৰীক্ষা, বৰ্ড আৰু বিশ্ব-বিদ্যালয়ৰ পৰীক্ষাত মহাবিদ্যালয়ৰ ভিতৰত ভাল ফলাফল দেখুৱা ছাত্ৰ-ছাত্ৰীক ছাত্ৰ সন্থা আৰু মহাবিদ্যা-লয়ৰ কতৃপক্ষৰ পৰা প্ৰতিবছৰে উদোগনিমূলক বটা প্ৰদান কৰা ।

গ) ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণীত উপস্থিতি সংখ্যা ৮০% কৰাত কৰ্তৃপক্ষক কঠোৰ ব্যৱস্থা লবলৈ কৰ্তৃত্ব দিয়া ।

৩। মহাবিদ্যালয়ৰ কেইবাবছৰো অৰ্দ্ধনিৰ্মীত হৈ থকা ছাত্ৰী নিবাস সম্পূৰ্ণ কৰাত প্ৰচেষ্টা ।

৪। অৰ্দ্ধনিৰ্মীত চাইকেল ষ্টেণ্ড সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা ।

৫। কেন্টিনৰ প্ৰাথমিক কাম কৰাৰ ব্যৱস্থা লোৱা ।

৬। দুখীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীকৈ পাঠ্য-পুথি দিবৰ বাবে আই, অ, চি,ৰ লগত যোগাযোগ কৰা ।

৭। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ স্থায়ী কাৰ্য্যালয়ৰ ব্যৱস্থা ।

**পৰম্পৰা অনুষ্ঠান মহাবিদ্যালয় সপ্তাহ ঃ**

আনুষ্ঠানিক শিক্ষাৰ ওপৰিও ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ এটি অপৰিহাৰ্য্য অঙ্গ । সেই উদ্দেশ্যে্ৰে ডিগবৈ মহাবিদ্যালয়ৰ অষ্টাবিংশতিতম মহাবিদ্যালয় সপ্তাহ ৫ জানুৱাৰী '৯৩ তাৰিখে ভাৰতীয় তেল নিগম ডিগবৈ ফিল্ডৰ মুখ্য পৰিচালক শ্ৰীযুত ত্ৰৈলোক্য নাথ বৰুৱাদেৱে ডিগবৈ মহাবিদ্যালয়ৰ পতাকা উত্তোলন আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন খেলুৱৈ ছাত্ৰ শ্ৰীযুত সাধন দত্তৰ অলিম্পিক শিখাৰ প্ৰজ্জলনেৰে মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ হয় । এই অনুষ্ঠানত মহাবিদ্যালয়ৰ এন, চি, চি; আৰু এন, এচ, এচ,ৰ সদস্যসকলে পূৰ্ণ সহায় সহযোগ আগবঢ়াই অনুষ্ঠানটি গাম্ভীৰ্য্যপূৰ্ণ কৰি তোলে । আগৰ বছৰতকৈ এই বছৰ প্ৰতিযোগীৰ সংখ্যা যথেষ্ট বৃদ্ধি পায় । তাৰোপৰি এই বছৰৰ পৰা সাধাৰণ সম্পাদকৰ বিভাগত "স্মৃতি শক্তি" প্ৰতিযোগিতাৰ চলন্ত ট্ৰফি ব্যৱস্থা কৰা হয় । এই প্ৰতিযোগিতাত বৃহৎ সংখ্যক প্ৰতিযোগীৰ ভিতৰত পোন প্ৰথম বাৰৰ বাবে শ্ৰীজয়দীপ দাসগুপ্তই শ্ৰেষ্ঠ স্মৃতি শক্তিৰ স্থান দখল কৰিলে । মহাবিদ্যালয় সপ্তাহৰ ১২-১-৯৩ তাৰিখে হোৱা মুকলি সভাত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰে — ড° মুকুন্দ মাধৱ শৰ্মা, উৰ্পাচাৰ্য্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়, পুৰস্কাৰ বিতৰণ কৰে শ্ৰীযুতা ইলিমা শৰ্মা বাইদেৱে । সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ৰফিক হুচেইনদেৱে । সেইদিনা নিশা অনুষ্ঠিত হোৱা সাংস্কৃতিক সন্ধিয়াৰে মহাবিদ্যালয় সপ্তাহ সামৰণি মৰা হয় ।

**সাধাৰণ সভা ঃ**

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সংবিধান অনুযায়ী বছৰৰ ভিতৰত এখনি সাধাৰণ সভা দিয়াতো বাধ্যতামূলক । কিন্তু অতি পৰিতাপৰ বিষয় যে ১৯৯১-৯২ চনৰ ছাত্ৰ সন্থাই আৰু সেই সময়ৰ মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়াই এই পবিত্ৰ সংবিধানখনক অসন্মান কৰাৰ লগতে মহাবিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মতকো অৱহেলা কৰাত আমি ছাত্ৰ-ছাত্ৰীসকল আচৰিত হওঁ । সেই সময়তে যি এখন সভা আহ্বান কৰিছিল তাকো নানা কু-চক্ৰান্ত কৰি সভাৰ থুল নহবৰ বাবে সভাৰ আগদিনাই জাননী যোগে পিছদিনা সকলো শ্ৰেণী বাতিল কৰাৰ অধিকাৰ অধ্যক্ষা মহোদয়াই ক'ত পালে ? সংবিধানৰ কোনো দফাত উল্লেখ নাই যে সাধাৰণ সভা হ'লে আগদিনা সমূহ শ্ৰেণী বাতিলৰ বাবে মহাবিদ্যালয় অধ্যক্ষা মহোদয়াই জাননি দিব পাৰিব । সেইহে আমি ১৯৯২-৯৩ চনৰ ছাত্ৰ সন্থাই সংবিধান অনুসাৰে ১-২-৯৩ তাৰিখে এখনি সাধাৰণ সভা আহ্বান কৰিছিলো । আমি আশা ৰাখিছিলো এই সাধাৰণ সভাত বিভিন্ন প্ৰস্তাৱ লৈ আমি আমাৰ কাৰ্য্যকালৰ কৰ্ম আঁচনি ল'ম । কিন্তু সংবিধান অনুযায়ি থুল নোহোৱাৰ বাবে সভাখনি ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত ৰফিক হুচেইন দেৱে স্থগিত ৰাখে । আমি এই প্ৰতিবেদনৰ দ্বাৰাই ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক

বিনম্রভাবে অনুৰোধ জনাওঁ যে ভৱিষ্যতে এই সভাবিলাকত অংশ গ্ৰহণ কৰি মহাবিদ্যালয় ছাত্ৰ সন্থাক উৎসাহিত কৰে যেন ।

**শ্ৰীশ্ৰীসৰস্বতী পূজা ঃ**

ডিগবৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু ডিগবৈ অঞ্চলৰ মহাবিদ্যালয় আৰু বিভিন্ন বিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত এইবাৰো মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শ্ৰীপঞ্চমী তিথিত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰীসৰস্বতী মাতৃৰ কৰ কমলত এপাহি গন্ধ পুষ্প অৰ্পন কৰা হয় ।

**নবাগত আদৰণি সভা ঃ**

১৯৯৩ চনৰ ৪ চেপ্তেম্বৰ শনিবাৰে বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ত নতুনকৈ ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীসকলক একেখন ঘৰৰ ককাই-ভাই, বাই-ভনীৰ দৰে আদৰি লৈ আন্তৰিক সম্ভাষণ জনাবৰ বাবে নবাগত আদৰণি সভাখনি অনুষ্ঠিত হয় । এই সভাত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰে ভাৰতীয় চাহ সন্থাৰ, অসম শাখাৰ সম্পাদক শ্ৰীযুত ৰবিন বৰঠাকুৰদেৱে । কেইবাটাও ভাষাৰ সংমিশ্ৰণে দিয়া বক্তব্যৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰু সকলক যথেষ্ট আৰ্কষণীয় কৰি তোলে । এই দিনটোত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত অসমীয়া আৰু ইংৰাজী বিভাগত কবিতা আবৃতি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰো আয়োজন কৰা হয় । এই আদৰণি সভাত মহাবিদ্যালয় ছাত্ৰ সন্থাই ঘোষণা কৰা মতে মহাবিদ্যালয়ৰ ১৯৯২-৯৩ চনৰ বছৰেকীয়া আৰু বৰ্ডৰ পৰীক্ষাত ভাল ফলাফল দেখুৱা ছাত্ৰ-ছাত্ৰীসকলক উদগনিমূলক বঁটা বিশিষ্ট অতিথি শ্ৰীযুত বৰঠাকুৰদেৱৰ দ্বাৰা দিয়া হয় । আদৰণি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ৰফিক হুচেইনদেৱে ।

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ সমস্যা সম্পৰ্কত আমাৰ দাবী ঃ**

পোন প্ৰথম বাৰৰ মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাসমূহ দাঙি ধৰিবলৈ আৰু সমাধান কৰিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ সম্পাদক, উপ-সভাপতি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সহযোগত দিল্লী যাত্ৰা কৰোঁ । এই যাত্ৰাত ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীযুত নৰসিংহ ৰাওদেৱ আৰু ইউ, জি, চি, ৰ চেয়াৰমেনক সাক্ষাৎ কৰি সমস্যাসমূহ দাঙি ধৰা হয় । দাবীসমূহ আছিল —

১) মহাবিদ্যালয় সমূহত প্ৰধানত দেখা দিয়া ছাত্ৰ-ছাত্ৰী নিবাসৰ অৰ্থে নিবাস গৃহ নিৰ্মাণ ।

২) মহাবিদ্যালয়সমূহৰ পুথিভঁড়ালৰ আধুনিকীকৰণ ।

৩) মহাবিদ্যালয় সমূহৰ খেলপথাৰ উন্নত কৰা ।

৪) মহাবিদ্যালয় সমূহত দেখা দিয়া বিভাগ অনুযায়ী শিক্ষক নিযুক্তি কাৰ্য্যকৰণ কৰা ।

৫) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা দূৰ কৰাৰ উদ্দেশ্যেৰে ১০ কোটি টকাৰ অনুমোদন দিয়াৰ দাবী জনোৱা হয় । আমাৰ নিজৰ দাবীসমূহৰ ভিতৰত আছিল— ১)

মহাবিদ্যালয়ত এটা ছাত্ৰাবাস। ২) উন্নত মানৰ খেল পথাৰ ৩) শ্ৰেণীকোঠাৰ বৃদ্ধি কৰণ ৪) মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী ও কৰ্মচাৰীৰ বাবে নিবাস আদি। ১৮-৭-৯৩ তাৰিখে সাক্ষাৎ কৰা ইউ, জি, চি, ৰ চেয়াৰমেন আৰু ১৯-৭-৯৩ তাৰিখে সাক্ষাৎ কৰা প্ৰধান মন্ত্ৰী শ্ৰীযুত ৰাওদেৱে সমস্যাসমূহ সমাধান কৰাৰ পূৰ্ণ আশ্বাস দিয়ে।

**শৈক্ষিক সভা ঃ**

যোৱা ৯ অক্টোবৰ ৯৩ তাৰিখে সদৌ অসম ছাত্ৰ সন্থাৰ সৌজন্যত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ সাধাৰণ সম্পাদক সকলক লৈ এখনি শৈক্ষিক সভা অনুষ্ঠিত হয়। এই সভাত মহাবিদ্যালয়সমূহৰ শৈক্ষিক ক্ষেত্ৰত দেখা দিয়া বৰ্তমানৰ সমস্যা ৰাজিৰ বিষয়ে বিশদ আলোচনা হয়। উক্ত সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ ফালৰ পৰা উত্থাপন কৰা শৈক্ষিক দিশৰ দাবীসমূহ অতিশীঘ্ৰে পূৰণ কৰিবৰ বাবে 'আছু'ক গুৰুত্বপূৰ্ণ পদক্ষেপ ল'বলৈ অনুৰোধ জনোৱা হয়।

**অন্যান্য ঃ**

বনভোজ ঃ যোৱা ১ জানুৱাৰী '৯৩ তাৰিখে ডিগবৈ মহাবিদ্যালয়ৰ ফালৰ পৰা অসম অৰুণাচল সীমা নামচিকলৈ এটি বনভোজৰ দল যাবলৈ আয়োজন কৰা হয়। এই বনভোজত মহাবিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাগ লৈ নতুন বছৰৰ আনন্দ উপভোগ কৰা হয়।

অসম কলেজ শিক্ষক সন্থাৰ অধিবেশন ঃ ৪১ তম অসম কলেজ শিক্ষক সংস্থাৰ অধিবেশন আমাৰ মহাবিদ্যালয়ত ২৬ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হয়। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিক্ষা জগতৰ কৰ্ণধাৰসকলক সেৱা শুশ্ৰুষা কৰিবৰ বাবে মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে দিনে নিশায়ে সেৱা আগবঢ়ায়। আমাৰ সেৱাত অসম কলেজ শিক্ষক সংস্থাৰ বিদায়ী সভাপতি শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মাদেৱে পত্ৰ যোগে সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে এই অধিবেশনত অসম কলেজ শিক্ষক সংস্থাৰ পৰবৰ্তী কাৰ্য্যকালৰ সভাপতি হিচাপে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত হিতেন শৰ্মা দেৱ নিৰ্বাচিত হয়। ছাত্ৰ সন্থাৰ তৰফৰ পৰা শ্ৰদ্ধাৰ শৰ্মা চাৰলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**আমাৰ কাৰ্য্যকালৰ সফলতা ঃ**

১। শৈক্ষিক পৰিবেশ ঘূৰাই অনাত আমি যথেষ্ট সফলতা অৰ্জন কৰিছোঁ।

২। ছাত্ৰ-ছাত্ৰীসকলক ঐক্যবদ্ধ ভাৱে ৰখাত আমি বহু পৰিমাণে কষ্টৰ ফলত সফলতা অৰ্জন কৰিছোঁ।

৩। মহাবিদ্যালয়ৰ অৰ্দ্ধনিৰ্মিত ছাত্ৰী নিবাসৰ নিৰ্মাণ পূৰ্ণ গতিত আৰম্ভ। অহা বছৰৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত ছাত্ৰী থাকিব পাৰিব।

৪। মহাবিদ্যালয়ৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্য পুথিৰ বাবে আমি এ, অ, ডি, ৰ লগত যোগাযোগ কৰি আছিলোঁ।

৫। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ স্থায়ী কাৰ্য্যালয় লোৱা হয়।

৬। মহাবিদ্যালয়ৰ কেন্টিনৰ প্ৰাথমিক কাম কাজ আৰম্ভ । (ড্ৰয়িং আদি ভাৰপ্ৰাপ্ত অধ্যক্ষক দিয়া হয়) ।

৭। আমাৰ কাৰ্য্যকালত আমি মহাবিদ্যালয়ৰ নবাগত ছাত্ৰ-ছাত্ৰীসকলক ৰেগিং নকৰিবৰ বাবে সম্পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰাত সফল হলো ।

৮। আমাৰ কাৰ্য্যকালত "প্ৰাণী বিজ্ঞান"ৰ অনাৰ্চ খোলা হয় ।

৯। আমাৰ কাৰ্য্যকালত কম্পিউতাৰ পাঠ্য-ক্ৰমৰ বাবে আৰ্থিক সাহায্য পোৱা হয় ।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

মোৰ এই জটিল কাৰ্য্যকাল ছোৱাৰ বিভিন্ন দিশত দিহা পৰামৰ্শ সহায় সহযোগ আগবঢ়োৱা শিক্ষক-শিক্ষয়ত্ৰী, কৰ্মচাৰীবৃন্দ তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ হিয়াভৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। বৰ্তমানৰ শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি অসম অইল ডিভিজনৰ ফালৰ পৰা পাঠ্য পুথিৰ যোগানৰ যি অমূল্য দান যোগোৱাৰ আশ্বাস দিছে তাৰ বাবে তেওঁলোককৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন জনাইছোঁ । ডিগবৈৰ কাষৰীয়া বালিজান নিবাসী শ্ৰীযুত গোপাল দাসদেৱলৈ আৰু ডিগবৈ নগৰৰ ব্যৱসায় প্ৰতিষ্ঠান ভৱানী ষ্টৰৰ তত্বাৱধায়কলৈ কৃতজ্ঞতা জ্ঞাপন জনাইছোঁ ।

শেষত মহাবিদ্যালয়ৰ এক সুস্থ শৈক্ষিক পৰিবেশ তথা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ কাৰ্য্যকালৰ খতিয়ান তথা প্ৰতিবেদনৰ মুখনি মাৰিলোঁ ।

ছাত্ৰ ঐক্য জিন্দাবাদ
জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

**ভাস্কৰ জ্যোতি গগৈ**
সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

বিঃ দ্ৰঃ ১৯৯২ চনৰ ৮ নৱেম্বৰত মহাবিদ্যালয়ৰ উপাধ্যক্ষাৰ মধ্যস্থতাত সেই সময়ৰ অধ্যক্ষা-মহোদয়ৰ লগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হোৱা মনোমালিন্যৰ মীমাংসা কৰা হয় ।

# ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ১৯৯২-৯৩ চন
## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

পৰম শ্ৰদ্ধাভাজন শিক্ষাগুৰু আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকল।

জয় জয়তে মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু সকললৈ আন্তৰিক হিয়াভৰা শ্ৰদ্ধা নিবেদিছোঁ। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচন কৰা কাৰণে মই সমূহ বন্ধু-বান্ধবী তথা ছাত্ৰ-ছাত্ৰীসকললৈ হিয়াভৰা মৰম ও ধন্যবাদ যাচিছোঁ। সহকাৰী সাধাৰণ সম্পাদক হিচাপে মই নিজৰ দায়িত্ববোধ, একনিষ্ঠা আৰু ন্যায় পালন কৰিবলৈ কিমান দূৰ সক্ষম হৈ সাফল্যতা লাভ কৰিলো সেইয়া ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ বিচাৰ্য্য বিষয়।

ইয়াতে সম্ৰাজ্যবাদী শোষকহঁতৰ স্বাৰ্থ-ৰক্ষাকাৰী ভাৰত চৰকাৰৰ ৰাষ্ট্ৰসন্ত্ৰাসত লাঞ্চিত হোৱা লুইতপৰীয়া স্বজাতি, ধৰ্ষিতা ভগ্নী আৰু স্বদেশ স্বজাতিৰ হকে মৃত্যুৰ সংকল্পলৈ যি সকলে আমাৰ জন্মভূমি তথা অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে অসমী আইৰ বুকু ৰঙা শোণিতেৰে ৰাঙলী কৰি থৈ গ'ল। সেই সকলৰ আদৰ্শনীয় পবিত্ৰ স্মৃতিলৈ মই আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলো।

দায়িত্বভাৰ গ্ৰহণ কৰিয়েই অষ্টবিংশতিতম মহাবিদ্যালয় সপ্তাহ আৰু সৰস্বতী পূজাৰে মোৰ কাৰ্য্যকাল আৰম্ভ হৈছিল। এইবাৰৰ মহাবিদ্যালয় সপ্তাহ ৬ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈকে পালন কৰা হয়। ইয়াৰ পিছতেই মই ২ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰী লৈ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্বত থকা সময়ত ১৮ ফেব্ৰুৱাৰীত ডিগবৈ মহা-বিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলক বিদায় সম্ভাষন জনাবৰ বাবে এখন মেলানি সভা অনুষ্ঠিত হয় আৰু ইয়াত শিক্ষক-শিক্ষয়ত্ৰী তথা ছাত্ৰ-ছাত্ৰী সকলৰ অপূৰণীয় সহযোগিতাৰ কাৰণে সভাখন সুকলমে অনুষ্ঠিত হৈ যায়। ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালৰ সময়ত ২৬, ২৭, ২৮, ফেব্ৰুৱাৰীত অসম কলেজ শিক্ষক সংস্থাৰ ৪২ তম অধিবেশন ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়, আৰু ইয়াত আমাৰ কলেজৰ ছাত্ৰ-সন্থাৰ তৰফৰ পৰা আন্তৰিক সহায় সহযোগিতা আগবঢ়োৱা হয়। ২৮ ফেব্ৰুৱাৰীত সদৌ অসম কলেজ শিক্ষক সংস্থাৰ অধিবেশনৰ মুকলি সভাত আমন্ত্ৰিত মুখ্য অতিথি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিশিষ্ট অতিথিসকলক ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোছাৰে আদৰণি জনোৱা হয়। ইয়াৰ পিছত জলযোগৰ সময়ত ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে মই ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ তৰফৰ পৰা অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত মহাবিদ্যালয়ৰ কিছুমান সমস্যা আৰু শৈক্ষিক পৰিবেশৰ ওপৰত ভিত্তি কৰি এখন সাতদফীয়া স্মাৰক পত্ৰ দাখিল কৰো। যেনে—

১। ডিগবৈ মহাবিদ্যালয়ৰ বিভিন্ন বিষয়ৰ প্ৰয়োজনতকৈ কম শিক্ষক থকাত ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা আহৰণত যথেষ্ট (বাধাৰ) অসুবিধাৰ সৃষ্টি হৈছে। সেয়েহে

ইংৰাজী, নেপালী সাহিত্য বাণিজ্য বিষয়, ৰাসায়ন বিদ্যা, পদাৰ্থ বিদ্যা, আৰু উদ্ভিদ বিদ্যা বিষয়ত একোজনকৈ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।

২। ডিগবৈ এখন সীমান্ত অঞ্চল। সেয়ে অসমৰ বিভিন্ন ঠাইৰ বাহিৰেও সীমান্তবৰ্তী ৰাজ্য অৰুণাচলৰ বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলে ডিগবৈ মহাবিদ্যালয়ত শিক্ষা আহৰণ কৰিবলৈ আহে, কিন্তু অতি পৰিতাপৰ বিষয় এই যে, এই মহাবিদ্যালয় খনিৰ ছাত্ৰ নিবাস নথকাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে যথেষ্ট অসুবিধা ভোগ কৰিব লগা হৈছে। সেয়ে ডিগবৈ মহাবিদ্যালত এখন ছাত্ৰ নিবাস নিৰ্মান কৰাৰ ব্যৱস্থা অনতি পলমে ল'ব লাগে।

৩। আমাৰ মহাবিদ্যালয়ত বিশেষকৈ ইংৰাজী বিষয়ত উত্তীৰ্ণৰ হাৰ অতি নিম্নগামী হোৱা হেতুকে এই বিষয়টোৰ প্ৰতি বিশেষ গুৰুত্ব সহকাৰে লৈ ইয়াৰ দ্ৰুত প্ৰসাৰণতাৰ বাবে অধিক শিক্ষক নিযুক্তি দিবলৈ বিনম্ৰ অনুৰোধ জনালো।

৪। ডিগবৈ মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলে আজি বহুবছৰৰ পৰা কাম কৰি থকা স্বত্বেও তেওঁলোকৰ স্থায়ী পদৰ নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হোৱা নাই। সেয়েহে তেওঁলোকক নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰি তেওঁলোকৰ পৰিয়াল বৰ্গক কৃতাৰ্থ কৰে যেন।

৫। আমাৰ অসমত বৰ্তমান শিক্ষাজগতত ছাত্ৰ ছাত্ৰীসকলক ৰঘুমলাৰ দৰে আৰৰি ধৰা আসাম 'এক্সপ্ৰেছ' দৈনিক লটাৰী আৰু নাগালেণ্ড দৈনিক লটাৰী অনতি পলমে অসমত বন্ধৰ ঘোষণা কৰিব লাগে।

৬। অসমৰ বিভিন্ন ঠাইৰ দৰে মিছা অভিযোগেৰে সংযুক্ত মুক্তি বাহিনীৰ সদস্য সজাই অসমৰ আৰক্ষী আৰু ভাৰতীয় সামৰিক বাহিনীয়ে গ্ৰেপ্তাৰ কৰা কলা আইন (TADA)ত অভিযুক্তৰে অভিযুক্ত কৰি কেন্দ্ৰীয় কাৰাগাৰ যোৰহাটত কাৰাবন্দী কৰি ৰখা ডিগবৈ মহাবিদ্যালয়ৰ চাৰিজন পৰীক্ষাৰ্থীক অনতি পলমে বিনাচৰ্তে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৭। ডিগবৈ মহাবিদ্যালয় খনিৰ বয়স একুৰি সাত বছৰত ভৰি দিলেহি। কিন্তু অতি পৰিতাপৰ বিষয় এই যে মহাবিদ্যালয়ৰ খেলপথাৰখন আজিকোপতি খেলৰ সম্পূৰ্ণ উপযোগী হৈ নুঠিল। উপযুক্ত প্ৰশিক্ষণৰ অভাৱত যোগ্যতা থকা স্বত্বেও আমাৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰতিভাৰ স্বীকৃতি নোপোৱাকৈ থাকিব লগা হৈছে। সেয়েহে মহোদয়ৰ ওচৰত অনুৰোধ যে মহাবিদ্যালয়ৰ খেলপথাৰখনি খেলিবৰ বাবে উপযুক্ত কৰিবৰ বাবে কমপক্ষেও একলাখ টকাৰ অনুদান আৰু এগৰাকী উপযুক্ত প্ৰশিক্ষক নিযুক্তি দি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক কৃতাৰ্থ কৰে যেন।

মোৰ কাৰ্য্যকাল সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ যি সকল শিক্ষাগুৰু আৰু বন্ধু–বান্ধৱী য়ে দিহা পৰামৰ্শৰ আগবঢ়ালে তাৰ কাৰণে তেখেতে সকললৈ মই এই প্ৰতিবেদনৰ মাজেৰেই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালৰ সকলো কামৰ আঁত ধৰোতা এই বিভাগৰ উপদেষ্টা মাননীয় অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী, অধ্যক্ষ শ্ৰীযুত ৰফিক হুচেইন, অধ্যাপিকা আৰতি দেৱ, আকেলা খানম, অধ্যাপক এচ, এচ, ৰায়চৌধাৰী, ডি, চি, চেড়াই, জি, আহমেদ, তৰুণ

হাজৰিকা, তথা মোৰ বন্ধু বিজু সোণোৱাল, ভীষ্ম দেউৰী, ক্ষীৰেশ্বৰ শৰ্মা, সঞ্জীৱ দাস, চন্দ্ৰময় ৰাভা, ধনেশ্বৰ কোঁৱৰ, বান্ধৱী মিঠু বৰুৱা, মৌচুমী নাথ, সুধা যাদব, শিখা শৰ্মা দিপাঞ্জলী বৰুৱা, ভণ্টি বিনীতা ছেত্ৰী, বাইদেউ মণিদীপা বৰুৱা, দিপ্তী হাজৰিকা আৰু ছাত্ৰ একতা সভাৰ সকলো সম্পাদকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময় ছোৱাত যদি কৰবাত কেনেবাকৈ মোৰ অজানিতে ভুল-ত্ৰুটি ৰৈ গৈছে, সৰ্বটো ভুলৰ বাবে মই শিক্ষাগুৰু আৰু সকলো ছাত্ৰ-ছাত্ৰী তথা সমূহ বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনালো। লগতে ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ একাধিক কামনাৰে এই প্ৰতিবেদন খনিৰ ইমানতে সামৰণি মাৰিলো —

ধন্যবাদেৰে—

জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

জয়তু অসম জননী

**শ্ৰীহেমনাথ ছেত্ৰী**

সহকাৰী সাধাৰণ সম্পাদক।

## গুৰু খেলবিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, সন্মানীয় শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৰ্গলৈ আন্তৰিক শুভেচ্ছা ও শ্ৰদ্ধা নিবেদিছোঁ। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ গুৰু খেলবিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱী সকললৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

দায়িত্বভাৰ হাতত লৈয়ে এই বিভাগত থকা বিভিন্ন কাম কাজসমূহ সুচাৰুৰূপে চলাই যাবলৈ যথাসাধ্য চেষ্টা কৰিছিলোঁ। কাৰ্য্যভাৰ গ্ৰহণৰ কিছুদিনৰ পাছতেই আৰম্ভ হৈছিল ডিগবৈ মহাবিদ্যালয় সপ্তাহ সমাৰোহ। এই সমাৰোহত মোৰ শিতানৰ পাতিব লগা ক্ৰিকেট খেলসমূহ পূৰ্বৰ দৰেই লিগ ভিত্তিত খেলাবলৈ স্থিৰ কৰা হৈছিল যদিও সপ্তাহটোৰ প্ৰথম চাৰিটা দিনেই বেয়া বতৰৰ বাবে খেলসমূহ তেনেদৰে খেলাব পৰা নগল। খেল পথাৰখন খেলৰ একেবাৰে অনুপযোগী হৈ পৰিছিল। সি যি কি নহওক পঞ্চম দিনটোৰ পৰা খেলসমূহ খেলোৱা হৈছিল। পূৰ্বৰ বিজয়ী দল বাণিজ্য শাখাক পোনেপোনেই ফাইনেলত প্ৰৱেশ কৰোৱাই প্ৰথম খেলখন কলা আৰু বিজ্ঞান শাখাৰ মাজত খেলোৱা হৈছিল। উক্ত খেলখনত অতি সহজে কলা শাখাই বিজ্ঞান শাখাক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। ১১-১-৯৩ তাৰিখে কলা আৰু বাণিজ্য শাখাৰ মাজত ফাইনেল খেলখন খেলোৱা হৈছিল। অতি আমোদজনক এই খেলখনত বানিজ্য শাখাই কলা শাখাক ২ উইকেটত পৰাজিত কৰি একেবাহে তৃতীয়বাৰৰ বাবে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। প্ৰতিবছৰে খেলাই অহা সভাপতি একাদশ বনাম সম্পাদক একাদশৰ খেলখনে মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকৰ মাজত একতা বজাই ৰখাত সম্বল যোগাইছে। এইবাৰ অনুষ্ঠিত এইখেলখনত সভাপতি একাদশে সম্পাদক একাদশক দুই উইকেটত পৰাজিত কৰে।

এইটো অতি পৰিতাপৰ বিষয় যে যোৱা ১৭ চেপ্তেম্বৰৰ পৰা হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণৰ সিদ্ধান্ত লোৱা হৈছিল যদিও ছাত্ৰসকলৰ প্ৰতিযোগিতামুলক মনোভাৱ আৰু সৃজনশীল প্ৰতিভাৰ অভাৱে মোক বাৰুকৈয়ে হতাশ কৰি তুলিছিল। এইটো প্ৰতিযোগিতাৰ যুগ।

অথচ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক ব্যতি-ক্ৰমতাই ভৱিষ্যত কি সূচাইছে তাক সহজেই অনুমান কৰিব পাৰি। ছাত্ৰসকলে প্ৰতিযোগি-তাত অংশগ্ৰহণৰবাবে আগবাঢ়ি নহাৰ বাবেই উক্ত খেলথন খেলাৰ পৰা বঞ্চিত হ'ব লগা হ'ল। মই মোৰ প্ৰতিবেদনৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰী সকলক বিনম্ৰ অনুৰোধ জনাওঁ যে তেওঁলোকে কেৱল শিক্ষা আহৰণতে আবদ্ধ নাথাকি এক প্ৰগতিশীল মনোভাৱ লৈ খেলা ধূলা আদিৰ জৰিয়তেও তেওঁলোকৰ মানসিক প্ৰতিভা গঢ়ি তোলাৰ প্ৰচেষ্টা লয় যেন।

মোৰ কাৰ্য্যকালত মই কি কৰিলোঁ বা নাইকৰা সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। কিন্তু এটা কথা মোৰ চকুত ধৰা পৰিছে যে আন আন মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ যি পুঁজি ই অতি নগন্য। ফলত আজিৰ এই ক্ৰমবৰ্দ্ধমান দামচৰা জগতত এনে সীমিত পুঁজিৰে একো কাম হাতত লব নোৱাৰি।

মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা পৰামৰ্শ দিয়া মোৰ বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত বিপুল গোস্বামী চাৰৰ লগতে সকলোসময়তে মোক সহায় সহযোগ আগ-বঢ়োৱা বন্ধু-বান্ধৱীসকলৰ ওচৰত মই চিৰ-কৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্য্যকালত হৈ যোৱা দোষ ক্ৰটীৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। লগতে ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কামনা কৰি মোৰ প্ৰতি-বেদন সামৰণি মাৰিলোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা
জয় আই অসম ॥

ধন্যবাদেৰে
**শ্ৰীমিলন শইকীয়া**
সম্পাদক গুৰু খেল বিভাগ
১৯৯২-৯৩ চন।

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতেই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ সন্মানীয় শিক্ষাগুৰু, কৰ্ম-চাৰীবৃন্দ, বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা আৰু সশ্ৰদ্ধ নমস্কাৰ জ্ঞাপন কৰিছোঁ। ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মই কিমান দূৰ কৃতকাৰ্য্য লাভ কৰিলোঁ তাৰ বিচাৰ্য্য আপোনালোকৰ। তথাপিতো মই শিক্ষাগুৰুসকলৰ লগতে আৰু আপোনালোকৰ সহায় সহযোগত মোৰ বিভা-গীয় কামবোৰ সফল কৰি তুলিবৰ বাবে সকলো প্ৰকাৰেই চেষ্টা কৰিছিলোঁ। এই কাৰ্য্য পৰিচালনাত বিভিন্ন দিহা পৰামৰ্শ দি সহায় কৰা ছাত্ৰ জিৰণী কোঠা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত অশোকা নন্দ চক্ৰবৰ্ত্তী মহো-দয়ক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে বিগত কালছোৱাত হোৱা অভিজ্ঞতাৰ পৰা আপোনালোকক অৱগত কৰিব বিচা-ৰিছোঁ যে এই বিভাগৰ পৰা যি বিলাক কাম পৰিচালনা কৰিব লগা হয় তাৰ বাবে পুঁজি প্ৰয়োজন অনুযায়ী অতি কম বুলি কব পাৰি। পুঁজি কম হোৱা স্বত্বেও মোৰ সকলো বোৰ কাম কৰিবৰ চেষ্টা কৰিছিলোঁ। মোৰ কাল

চোৰাত ছাত্র জিৰণী কোঠাৰ সম্পাদকৰ আৰু এটি নতুন খেল পাতিব লগা হয় । সেইটো হৈছে টেবুল টেনিচ । পুঁজিৰ অভাৱ হোৱাৰ সত্বেও এই খেলটো খেলাব লগা হৈছিল ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

মহাবিদ্যালয় সপ্তাহ উপলক্ষে এই বিভাগৰ দ্বাৰা আয়োজিত কেৰম, ডবা আৰু টেবুল টেনিচ প্ৰতিযোগিতা আছিল ।

ওপৰোক্ত প্ৰতিযোগিতাসমূহত প্ৰতিযোগীসকলৰ মাজত আগ্ৰহ আৰু উৎসাহৰ ভাব দেখিবলৈ পাইছিলো । তাৰ মাজতেই কেইজনমান উৎসাহী প্ৰতিযোগীয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰে । সেইসকল হ'ল —

**কেৰম প্ৰতিযোগিতা ঃ**

উইনাৰ ঃ ইন্দুমনি প্ৰধান
ৰান'াচ আপ ঃ দিগন্ত তামুলী

**ডবা প্ৰতিযোগিতা ঃ**

উইনাৰ ঃ বনৰাম উপাধ্যায়
ৰান'াচ আপ ঃ ৰবীন শইকীয়া

**টেবুল টেনিচ প্ৰতিযোগিতা ঃ**

উইনাৰ ঃ অনিৰুদ্ধ চৌধুৰী
ৰান'াচ আপ ঃ প্ৰশান্ত পাল

প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰা বিনয় দে, শিবু সৰকাৰ, সন্তোষ শাহা, অনিৰুদ্ধ চৌধুৰী, বিনোদ শৰ্মা, প্ৰশান্ত পাল, ক্ষিৰোদ সোণোৱাল সাধাৰণ সম্পাদক শ্ৰীভাস্কৰ জ্যোতি গগৈ আৰু সকলো মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ বিষয়-ববীয়ালৈ মোৰ আন্তৰিক মৰম, ধন্যবাদ আৰু অভিনন্দন থাকিল ।

শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰুসকললৈ ধন্যবাদ জনাই কাৰ্য্যকালৰ সময়ছোৱাত হোৱা ভুলক্ৰটিৰ ক্ষমা প্ৰাৰ্থনা বিছাৰি, মহাবিদ্যালয়ৰ এক সুন্দৰ ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয়

শ্ৰীঅজয় পাল
সম্পাদক, ছাত্ৰ জিৰণী কোঠা
১৯৯২-৯৩ চন ।

**সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ**

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰুসকললৈ আৰু লগতে সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা ও অভিনন্দন জ্ঞাপন কৰিলোঁ । ডিগবৈ মহাবিদ্যালয়ৰ ১৯৯২-৯৩ চনৰ চলিত বছৰৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিজৰ বহুমূলীয়া ভোট দি নিৰ্বাচিত কৰিছিল সেইসকললৈ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক বৈপ্লৱিক অভিনন্দন অৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

প্ৰতিজন ব্যক্তিৰে সমাজৰ বাবে বিভিন্ন সময়ত বিভিন্ন দায়িত্ব থকাটো বাঞ্চনীয় । সেয়েহে সামাজিক উন্নতিৰ হকে মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ

সম্পাদব হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি সম্পাদক ৰূপে নিৰ্বাচিত হৈছিলোঁ।

মোৰ কাৰ্য্যকাল আৰম্ভ কৰিছিলোঁ মহাবিদ্যালয়খনৰ পৰিবেশৰ যোগেদি। বিগত কেইবছৰৰ দৰেই এইবাৰো মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগেৰে সৰস্বতী পূজা অন্য বছৰতকৈ কিছু উলহ মালহেৰে উদযাপন কৰা হয়।

ইয়াৰ আগতে যোৱা ইং ৬-১-৯৩ তাৰিখৰ পৰা ইং ১২-১-৯৩ তাৰিখলৈকে সাত-দিনীয়া কাৰ্য্যসূচীৰে "অষ্টবিংশতিতম ডিগবৈ মহাবিদ্যালয় সপ্তাহ" বিভিন্ন ধৰণৰ কাৰ্য্য-সূচীৰে অনুষ্ঠিত হৈ যায়। উক্ত কাৰ্য্যসূচীত সমাজ সেৱা বিভাগৰ তৰফৰ পৰা বিভিন্ন ক্ষেত্ৰত সহায় সহযোগ আগবঢ়োৱা হয়।

মহাবিদ্যালয়ৰ সৌন্দৰ্য্যৰ প্ৰতি লক্ষ্য ৰাখি মাজে সময়ে মহাবিদ্যালয়ৰ চৌহদৰ হাবি-বন কাটি পৰিষ্কাৰ কৰা হৈছিল। এইখিনিতে উল্লেখ কৰি থওঁ যে বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ যিটো অৱস্থাত আছে তাৰ বাবে সমূহ শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজ একত্ৰিত হৈ মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে দৃষ্টি আকৰ্ষণ আৰু মুকলি চিন্তাৰ প্ৰয়োজন হৈ পৰিছে।

মোৰ কাৰ্য্যভাৰ আৰম্ভ হোৱাৰ পৰা উৎসাহ, দিহা পৰামৰ্শ দিয়া সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দেবীচৰণ চেড়াই, ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত ৰফিক হুচেইন আৰু অন্যান্য অধ্যাপক অধ্যাপিকা, চেনী চন্দ্ৰ বৰুৱা, কেদাৰ নাথ টিমচিনা, সমৰেন্দ্ৰ ভাগৱতী, আৰতি দেৱ আদিলৈ মোৰ আন্তৰিক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বিভিন্ন সময়ত সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকল যথাক্ৰমে শ্ৰীমতী বিনীতা ছেত্ৰী, মিঠু বৰুৱা, মৌচুমী নাথ, সংগীতা বৰুৱা, শ্ৰীযুত বিষ্ণু অধিকাৰী, ক্ষিৰেশ্বৰ শৰ্মা, নাৰায়ণ শ্ৰেষ্ঠা, পি, ভীমাৰাও, সঞ্জয় গিৰি, বিনোদ কুমাৰ শৰ্মা, ধ্ৰুৱজ্যোতি কটকী, জিতু বৰা, শ্ৰীনিৱাস জয়সৱাল, বুধিসত্ব শৰ্মা, অজয় ছেত্ৰী আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনখনিৰ ইমানতে সামৰণি মাৰিছোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা

ধন্যবাদেৰে
**বাবুৰাম শৰ্মা**
সম্পাদক,
সমাজ সেৱা বিভাগ।

## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ প্ৰাৰম্ভতে সাংস্কৃতিক সম্পাদকৰ কাপৰ পৰা সকলো, শিক্ষক, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীলৈ আন্তৰিক শ্ৰদ্ধা যৱম, নিবেদন কৰিছোঁ।

অসম আজি জৰ্জৰিত। এক ভয়াবহ ৰূপ ধাৰণ কৰিছে সাম্প্ৰতিক অসমৰ পৰিস্থিতিয়ে। সমগ্ৰ অসমত জাতিগত সংঘৰ্ষৰ জোৱাৰ উঠিছে। ভাতৃ কলহ, সাম্প্ৰদায়িক সংঘৰ্ষ, হিংসাৰ প্ৰচণ্ডতাই অসমক জুৰুলা কৰিছে। সুস্থ ৰাজনীতিতত্ত্বৰ অভাৱ। চাৰিও-ফালে অত্যাচাৰ, অনাচাৰ, দুৰ্নীতি, বিক্ষোভ প্ৰদৰ্শন। অতীতৰ শান্তি-সম্প্ৰীতি আজি এক সুমধুৰ স্মৰণ মাত্ৰ। কলাগুৰু ৰাভাদেৱ, ৰূপ-কোঁৱৰ প্ৰভৃতিয়ে নিৰ্মাণ কৰা সমন্বয় সেতুখন আজি বিলুপ্ত প্ৰায়। এখন শোষণমুক্ত বৈষম্য-হীন অসম গঢ়াৰ উদ্দেশ্যে আমাৰ এচাম শিক্ষিত যুৱকে হাতত তুলি লৈছে নিষিদ্ধ পিষ্টল। তথ্যসন্মত যুক্তি আৰু দৃঢ়তাৰে নিজৰ জীৱন যৌৱন বিপন্ন কৰিও এখন শোষণমুক্ত অসম গঢ়াৰ তেওঁলোকৰ প্ৰত্যাশা বাস্তৱত পৰিণত হ'বনে নহয় সিও আজি অনিশ্চিত। "স্বাধীন অসম"ৰ আহ্বান আৰু প্ৰত্যাহ্বানৰ অৱিয়া-অৱিত গজি উঠা সমস্যা উল্লেখৰ নিষ্প্ৰয়োজন। সন্ত্ৰাসৰ ভয়ত গাওঁবাসী পলাই ফুৰিছে। চৰকাৰী অত্যাচাৰত সকলোৱে ত্ৰাহি ত্ৰাহি স্মৰণ কৰিছে। আমাৰ এনে মহা মহা সমস্যাৰ সমাধান ক'ত? ক্ষুব্ধ জনতাৰ কোলাহল কেতিয়া শাম কাটিব? পূৰ্বৰ শান্তি-শৃঙ্খলাৰে কেতিয়া এখন সুস্থ অসম গঠন হ'ব?

**মহাবিদ্যালয় সম্পৰ্কে :-**

তৈল নগৰী ডিগবৈ। তাতে এখন পূৰ্বৰে পৰা সুনাম অৰ্জন কৰি অহা পূৰ্ণাংগ মহাবিদ্যালয় 'ডিগবৈ মহাবিদ্যালয়' প্ৰকাণ্ড মূল প্ৰৱেশদ্বাৰেৰে সৈতে চৌপাশৰ প্ৰাকৃতিক দৃশ্য মনোৰম। কাষতে "মৃত মৌন শত জোৱানলৈ অশ্ৰু-অঞ্জলি যচা" এটি শ্বহীদস্তম্ভ। কলা বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাতে আমাৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৫০০ জন। আমাৰ শিক্ষক সকল সচাঁকৈয়ে বৰ আদৰ্শ পৰায়ণ। উল্লেখযোগ্য যে মহাবিদ্যালয়খনত ১৯৯১-৯২ চনৰ বৰ্ষত হকে বিহকে কিছুমান কাৰণত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বেমেজালি দেখা দিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত একতা নোহোৱা হৈছিল। কিন্তু ১৯৯৩ চনৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয় ববীয়াৰ ঐকান্তিক প্ৰচেষ্টাত সেই একতা পুনৰ ঘূৰাই আনিবলৈ সক্ষম হওঁ। লগতে বছৰেকীয়া পৰীক্ষাত সৰ্বোচ্চ নম্বৰ আৰু শেযান্ত পৰীক্ষাত ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীসকললৈ বিশেষ পুৰস্কাৰ ঘোষণা কৰোঁ আৰু "আদৰণি সভা '৯৩" ত প্ৰথম কাৰ্য্যকৰী কৰো। বিশেষ ভাৱে মন কৰিবলগীয়া যে মহাবিদ্যালয়ত যোৱাটো বছৰত ৰেগিং সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ আমি সক্ষম হওঁ।

**কাৰ্য্যকাল ঃ**

১৯৯২ চনৰ ১৯ নৱেম্বৰত মই ডিগবৈ মহা-বিদ্যালয় ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই "মহাবিদ্যালয় সপ্তাহ '৯৩" ৰে মোৰ কামৰ পাতনি মেলোঁ। মহাবিদ্যালয় সপ্তাহৰ আটাইকেইদিনেই ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ উদ্দীপনাত সফল হৈ উঠিছিল। ১২ জানুৱাৰীৰ দিনা আনুষ্ঠানিকভাৱে উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহ সামৰা হয়।

কৃতজ্ঞতা ঃ

প্ৰাৰম্ভতে মই মোক হৃদয় উপচা মৰমেৰে যিসকল সতীৰ্থ বন্ধু-বান্ধৱীয়ে সাংস্কৃতিক সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ আগবঢ়াই দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন দিশত সততে সহায়-সহযোগ আৰু দিহা-পৰামৰ্শেৰে মোক অনুপ্ৰেৰণা যোগোৱা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত ৰফিক হুচেইন চাৰ, ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত গোলাপ কলিতা চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কামবিলাক নিয়াৰিকৈ কৰি যাবলৈ অন্যান্য আনুসংগিক দিশত যিকোনো সময়তে সহায়-সহযোগ আগবঢ়াই মোক উৎসাহিত কৰা মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়ত্ৰীসকল, আৰু কৰ্মচাৰীবৃন্দলৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তাৰোপৰি মোৰ প্ৰতিযোজতে সহায়ক হৈ থকা ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয় ববীয়া আৰু লগতে ক্ষিৰোদ, দীপ্তি, মণিদীপা, পলি, নীলিমা, তপন, ফিৰোজ, মহেন্দ্ৰ, সঞ্জীৱ, অনন্ত, পি ভীমা ৰাও, সন্তোষ, পংকজ, অঞ্জন, মনদীপ, ৰেখা, মৰ্মী, দীপামণি আৰু অন্যান্য সকলৰ আন্তৰিক শলাগ ললোঁ।

সাংস্কৃতিক সম্পাদক হিচাপে বিগত বছৰটোত কি কৰিব পাৰিলো বা নোৱাৰিলো, কি কৰিব লাগিছিল বা নালাগিছিল, তাৰ মূল্যাংকনৰ দায়িত্ব প্ৰকৃততে আপোনালোকৰ। মই নিজে সাধ্যানুসৰি চেষ্টা কৰিছিলো মোৰ দায়িত্ব সফল কৰিবলৈ। তাৰ মাজতো মোৰ অনিচ্ছাকৃতভাৱে যদি কিবা ত্ৰুটি বিচ্যুতি ঘটিছে তাৰ বাবে ক্ষমা বিচাৰিছোঁ।

শেষত ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয়
**প্ৰসন্ন সোনোৱাল**
সাংস্কৃতিক সম্পাদক,
ছাত্ৰ একতা সভা
ডিগবৈ মহাবিদ্যালয়

## সঙ্গীত বিভাগৰ প্ৰতিবেদন

বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণিতে মই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত আৰু শুভইচ্ছা নিবেদন কৰিছো। সংগীত বিভাগৰ সম্পাদকৰ গুৰু-দায়িত্ব বহন কৰিবলৈ সাহস আৰু অনুপ্ৰেৰণা যোগোৱা সকলো ছাত্ৰ-ছাত্ৰী আৰু মাননীয় শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

দায়িত্বভাৰ গ্ৰহণ কৰিয়েই "অষ্টাবিংশতিতম মহাবিদ্যালয় সপ্তাহ"ৰ কাৰ্যসূচীৰে মোৰ বিভাগীয় কাম-কাজ আৰম্ভ কৰো। এইবাৰৰ মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতা কেইটিত যথেষ্ট প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। প্ৰতিযোগীসকলৰ উৎসাহ-উদ্দীপনাত কেউটি প্ৰতিযোগিতাই সাফল্য মণ্ডিত হৈছিল। এইখিনিতে মই প্ৰতিজন প্ৰতিযোগীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। এই বছৰ মহাবিদ্যালয়ৰ সপ্তাহত শ্ৰীমতী অঞ্জনা দত্তই শ্ৰেষ্ঠা গায়িকাৰ সন্মান অৰ্জন কৰে।

মোৰ কাৰ্য্যকাল মই সম্পূৰ্ণ কৰিব নোৱাৰিলো। তাৰ বাবে মই দুঃখিত।

মোৰ ব্যক্তিগত স্বাস্থ্যজনিত কাৰণত মোৰ দায়িত্বভাৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ হাতত অৰ্পণ কৰি এই পদৰ পৰা মই অব্যাহতি লৈছিলো। ইয়াৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

মোৰ কাৰ্য্যকালৰ প্ৰতিটো দিশতেই বিশেষভাৱে দিহা-পৰামৰ্শ, সাহস আৰু প্ৰেৰণা দি উৎসাহিত কৰাৰ বাবে বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত জি, পি, ভট্টাচাৰ্য্য চাৰলৈ মোৰ কৃতজ্ঞতা যাচিছো। ইয়াৰ উপৰিও মোক প্ৰতিখোজতে সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ-একতা সভাৰ প্ৰতিজন বিষয়-ববীয়া আৰু বন্ধু-বান্ধৱী সৰ্বশ্ৰী বিনোদ, সঞ্জয়, যশপাল, পি, ভীমা ৰাও, মণিদীপা আৰু দীপ্তিৰ শলাগ লৈছো।

দায়িত্ব পালনত সাধ্যানুসাৰি চেষ্টা কৰিছিলো। তাৰ মাজতে জ্ঞাতে-অজ্ঞাতে কৰা ভুলৰ বাবে ক্ষমা বিছাৰিছো। সদৌশেষত ডিগবৈ মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

বিনীত

**বিটুল চন্দ্ৰ বৰঠাকুৰ**

সম্পাদক সংগীত বিভাগ

# Report of the Debate & Symposia Secretary
## Digboi College Student Union 1992-93

At the onset of my report as the Debate & Symposia Secretary, D. C. S. U. 1992-93, I would like to convey my gratitude to all those friends of mine who had helped me to be the Debate and Symposia Secretary.

After assuming office at the end of 1992, the 28th Annual College Week Celebration was looming large in front of the E. C. of the Students Union. It was decided to be celebrated from 6th Jan. '93. 12th Jan. '93. To my luck I have a very helpful and encouraging Prof-in charge, Dr. S. K. Kar, who has taken all pain to help me in all possible manner so that the Debate & Symposia section can stand to the glory of its kind.

I take it to my credit that I was successful in bringing to the college a Running shield for the best performance in the Debate & Symposia section during the college week celebrations. which has been donated by Ladies Association, Digboi. I take the privilege of thanking Ladies Association, Digboi.

As the fund of the Debate & Symposia section was poor, I was at a fix how to arrange for the competitions. I am thankful to M/s. B. K. Mandol & sons who has helped me with Rs. 300/- (rupees three hundred only), Mrs. Mome Kar and Mrs. Snigdha Paul for donating the complete set of prizes for the Extempore speech and the symposium cmopetitions respectively.

I am glad to have introduced the symposium competition which has had a good response. I had arranged for the speech competition also. I had to discard the Group Discussion Competition which was organised at the previous college week celebration. It was so as it would require a huge amount of time to organise a Group Discussion Competition to our standard. The other competitions like Debate, Extempore Speech and Quiz were held as usual.

I would also like to thank all those competitors whose participation has made all the competitions a grand success. I put down the names of those competitors who were able to win prizes :

*Extempore Speech :*

*Winner :* Mohendra Neog
*1st runner's up :* Hemen Bora
*2nd " " :* Lohit Ch. Moran
*3rd " " :* Ananta Gogoi

*Symposium* (Topic : Election manifestoes issued by various political parties are a waste of time and energy since they are neither decissive nor can they be implemented).

*Winner :* Bhaskar Jyoti Gogoi
*1st runner's up :* Kumud Gogoi
*2nd " " :* Khetradhar Gogoi
*3rd " " :* Ayon Paul

*Speech* (Topic : Industrialization and pollution control can never more side by side).

*Winner :* Monideepa Barua
*1st rnnner's up :* Ayon Paul
*2nd " " :* Kumud Gogoi
*3rd " " :* Patanjal Deb

*Quiz* (Two members in each group).

*Winner :* Firoz Ahmed Khan & Pankaj Barua
*1st runner's up :* Patanjal Deb & Navin Kr. Jha
*2nd " " :* Utpal Gogoi & Monideepa Barua
*3rd " " :* Joydeep Dasgupta & Ayon Paul

*Debate* (Topic :In the opinion of the house, 'The performance of the large Indian contingent sent to the Barcelona Olympics was highly discreditable and calls for a reorientation of the countrys' sports policy').

*Winner :* Kumud Gogoi
*1st runner's up :* Ayon Paul
*2nd " " :* Monideepa Barua
*3rd " " :* Khetradhar Gogoi

The Best Performance shield has been jointly awarded to :
Kumud Gogoi, Ayon Paul & Monideepa Barua.

My college participated in the 1st Debjani Dutta Memorial All Assam Inter College/P. G. Classes Debating Competition held at Duliajan Club, Duliajan on 20th Feb. '93 and was able to return with the consolation prize won by Ayon Paul.

Being in the E. C. of the students' Union my work was not restricted to the section I was elected for. I had extended all possible help during the Saraswati Puja celebration of our college this year and also during the ACTA conference hosted by our college.

I am satisfied with the standard of work I have performed as the Debate & Symposia Secretary. This was possible only due to the huge force of teachers and friends behind me.

Last but not least, it is very hard to please all. While discharging my duty I may have displeased many. But if I am in the wrong, I beg your pardon.

At the end, I declare my resignation from the E. C. of D. C. S.U. this day, the 30th of July 1993 on constitutional ground as I no longer remain a bonafied student of the college as my session has ended.

Thank you,
Long Live Digboi College
Long Live Digboi College Student Union
Jai Hind,

*Ayon Paul*
Debate & Symposia Secretary
Digboi College Student Union

*With Best Compliments of*

**INDIAN OIL CORPORATION LIMITED**

**(ASSAM OIL DIVISION)**
**DIGBOI-786 171**
**ASSAM**

## • OUR EX-EDITORS

| | | |
|---|---|---|
| Damboru Saikia | — | 1972-73 |
| Siva Prasad Talukdar | — | 1975-76 |
| Pradip Phukan | — | 1976-77 |
| Ajit Kr. Borah | — | 1978-79 |
| Ramesh Gogoi | — | 1980-81 |
| Robin Roy | — | 1981-82 |
| Narendra Hazarika | — | 1982-83 |
| Prabin Momin Rajkhowa | — | 1983-84 |
| Arun Paul | — | 1984-85 |
| Ranjit Phukan | — | 1986-87 |
| Prabitra Kr.Gogoi | — | 1987-88 |
| Dipen Kr. Borah | — | 1988-89 |
| Nayan Moni Borah | — | 1989-90 |
| Kamala Kanta Bura Gohain | — | 1990-91 |
| Rudra Bahadur Chetry | — | 1991-92 |

**EDITOR OF THIS ISSUE**

*Ganesh Bahadur Chetry*

*Published by Digboi College Students' Union and Printed at The Assam Paper Industry, Borguri Tinsukia-786 126*
*DIAL-20807*